# দুধনৈ মহাবিদ্যালয় আলোচনী



# দুধনৈ মহাবিদ্যালয় আলোচনী

বাৰ্ষিক প্ৰকাশ

ত্ৰিশ তম বৰ্ষ ঃ অষ্টদশ সংখ্যা

২০০৪-২০০৫ বৰ্ষ

## DUDHNOI COLLEGE

2004-2005 Session

তত্বাবধায়ক ঃ অধ্যাপক ড° ৰজত চন্দ্ৰ ৰাভা

সম্পাদক ঃ মিন্টু বসুমতাৰী

**Dudhnoi Mahavidyalay Alochani :** An annual collection in *Assamese*, *Bodo*, *Rabha* and *Englis*
Published by Dudhnoi College Students' Union, Dudhnoi College, Dudhnoi, 783124, Editor : **Mint**
**Basumatary** and Prof.-in-charge : **Dr. Rajat Ch. Rabha**.

**দুধনৈ মহাবিদ্যালয় আলোচনী**

**সম্পাদনা সমিতি ঃ**

সভাপতি ঃ ড° গোপাল ফুকন

তত্বাবধায়ক ঃ ড° ৰজত চন্দ্ৰ ৰাভা

সম্পাদক ঃ মিন্টু বসুমতাৰী

সদস্য / সদস্যাবৃন্দ ঃ জীৱেশ্বৰ কোচ
অশোক ৰঞ্জন ভট্টাচাৰ্য
ড° মিনতি চৌধুৰী

বেটুপাতৰ শিল্পী ঃ ৰিপন ৰয়

অঙ্গ সজ্জা ও অলঙ্কৰণ ঃ অভিনৱ প্ৰিন্টাৰ্চ

মুদ্ৰণ ঃ অভিনৱ প্ৰিন্টাৰ্চ, গোৱালপাৰা
দূৰভাষ নং - (০৩৬৬৩) ২৪২২৬১

*Office of the Principal*

**DUDHNOI COLLEGE**

DUDHNOI, GOALPARA : ASSAM - 783124
TEL.: 03663-281531 (O), 0361-2515901 (R),
MOBILE : 94350-40745

**Dr. Gopal Phukan**
*M. Sc. Ph. D.*
*Principal & Secretary*



## অধ্যক্ষৰ কলমৰ পৰা ঃ

দুধনৈ কলেজৰ আলোচনীখনে কলেজখনৰ লগতে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰী সকলৰ বৌদ্ধিক স্তৰটো প্ৰতিফলিত কৰে। দুধনৈ অঞ্চলত উচ্চ শিক্ষাৰ বাবে একমাত্ৰ বৃহৎ শিক্ষানুষ্ঠান হিচাবে পৰিগণিত এই কলেজত বিভিন্ন জনগোষ্ঠী বিশেষকৈ ৰাভা, বড়ো, গাৰো প্ৰমুখ্যে অন্যান্য পিছপৰা অনুন্নত জাতি সামৰি বিভিন্ন ধৰ্মাৱলম্বী ছাত্ৰ-ছাত্ৰী সকলে অধ্যয়ন কৰে। সেয়েহে সকলোৱে মিলিজুলি অতি দৃঢ় ঐক্য বান্ধোনেৰে শিক্ষা গ্ৰহণ কৰিলেহে কলেজখনৰ শৈক্ষিক পৰিবেশ উন্নত হয়। কলেজখনত সুস্থ শৈক্ষিক পৰিবেশ এটি গঢ় দিবলৈ অধ্যক্ষ, শিক্ষক শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰী সকলৰ মানসিক চিন্তা-চৰ্চা উচ্চ খাপৰ হোৱাতো অত্যন্ত আৱশ্যক।

এনে এক দৃষ্টিনন্দন পৰিবেশ গঢ় দিবলৈ সকলোৱে আত্ম সমালোচনাৰ প্ৰয়োজন আছে। প্ৰথমেই অধ্যক্ষজন নিকা ভাবমুৰ্ত্তি, স্বচ্ছ আৰু দুৰদৰ্শী হোৱাৰ লগতে সৃজনী মূলক চিন্তাধাৰাৰ অধিকাৰী হ'ব লাগে। প্ৰথম প্ৰেম কলেজখন হ'লেহে কলেজ খনৰসকলো দিশতে চকু ফুৰাব পাৰিব। তাৰোপৰি গৰিষ্ঠ সংখ্যক শিক্ষক শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰী সকলৰ গ্ৰহণ যোগ্য ভৱিষ্যত পৰিকল্পনাৰ প্ৰতিচ্ছবি খনে সকলোকে কলেজখনৰ উন্নতিৰ হকে কাম কৰিবলৈ অনুপ্ৰেৰণা যোগায়।

শিক্ষক শিক্ষয়িত্ৰী সকলেও তেখেত সকলৰ সাধ্যানুসাৰে শ্ৰেণীত পাঠদানত চেষ্টাৰ ত্ৰুটি কৰিব নালাগে। গৱেষণা, ছেমিনাৰ আদিত অংশ গ্ৰহণ কৰাৰ অভিজ্ঞতাৰ উপৰিও কিছু বাহিৰৰ পৰিবেশৰ সম্যক জ্ঞান থাকিলেহে বিষয় বস্তু এটি ছাত্ৰ-ছাত্ৰীৰ আগত ভালকৈ উপস্থাপন কৰিব পাৰে। শিক্ষকতা অতি সম্ভ্ৰান্ত বৃত্তি। এজন ভাল শিক্ষক হ'বলৈ বহু গুণৰ সমাহাৰৰ ভিতৰত প্ৰথম গুণটোৱেই হ'ল ছাত্ৰ-ছাত্ৰীক ভাল পাব লাগিব আৰু ক্ষমা গুণৰ অধিকাৰী হ'ব লাগিব। দ্বিতীয়তে বিষয়টোৰ ওপৰত জ্ঞানৰ নিজস্ব দখল থাকিব লাগিব যাতে ছাত্ৰ-ছাত্ৰী সকলে বিষয়টোৰ প্ৰতি আকৃষ্ট হয়। তৃতীয়তে শিক্ষক-শিক্ষয়িত্ৰী গৰাকী কিছু পৰিমাণে হ'লেও নিকা চৰিত্ৰৰ অনুকৰণশীল ব্যক্তি হ'ব লাগে। চতুৰ্থতে শিক্ষক-শিক্ষয়িত্ৰী সকলৰ টকা পইছাৰ প্ৰতি প্ৰবল লোভ থাকিব নালাগে।

কলেজখনৰ আচল মানৰ সম্পদ হ'ল ছাত্ৰ-ছাত্ৰী সকল। তেওঁলোকেই সমাজখনৰ নতুন প্ৰজন্ম। হিংসা বিবৰ্জিত সুস্থ সমাজ এখন গঢ়াত তেওঁলোকৰ গুৰুত্ব অপৰিসীম। 'মানুহে মানুহক ভাল পাব লাগে' - এই কথাষাৰ সৰোগত কৰিয়েই মৰম, সমমৰ্মতা, দয়া, ক্ষমা, বিশ্বাস আৰু ত্যাগ এই মহৎ গুণবোৰৰ প্ৰমূল্য বোধ বুজি পাব লাগিব। নিয়মীয়াকৈ ক্লাছ কৰাৰ উপৰিও কলেজৰ আন আন অনুষ্ঠান আদিত ভাগ লৈ নিজৰ পাৰদৰ্শিতাৰ প্ৰমাণ কৰিব পাৰি। ড্ৰাগছ জাতীয় নিচাযুক্ত দ্ৰব্যৰ পয়োভৰে যি হাৰত নতুন প্ৰজন্মক পঙ্গুৰ শাৰীলৈ ঠেলি দিছে, তাৰ পৰা মুক্তি পাবলৈ নিয়মানুৱৰ্ত্তিতা পালন কৰাৰ লগতে গভীৰ আত্ম বিশ্বাস থাকিব লাগিব। কলেজ চৌহদত যাতে অসামাজিক কাৰ্য্যকলাপে পৰিবেশ অপবিত্ৰ নকৰে তাৰ প্ৰতি সতৰ্ক দৃষ্টি ৰখাৰ লগতে অধ্যক্ষ বা শিক্ষক-শিক্ষয়িত্ৰীক দৃষ্টি গোচৰ কৰিব পৰা সৎ সাহস গোটাব লাগিব। এই ক্ষেত্ৰত ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকলেও নিজৰ স্বাৰ্থতকৈ কলেজৰ স্বাৰ্থৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগে। নিজৰ ক্ষতিৰ লগতে কলেজখনৰ ক্ষতি কৰিব পৰা কৰ্মৰ পৰা দূৰত থাকিব লাগে। অভাৱ অভিযোগ থাকিবই। সমস্যাবোৰ সমাধানৰ ক্ষেত্ৰত কলেজ কৰ্তৃপক্ষৰ লগত মুকলি মনেৰে সহযোগিতা আৰু ধনাত্মক দৃষ্টিভঙ্গীৰে আলোচনা কৰিলে সম্পূৰ্ণ ভাৱে নহ'লেও আংশিক সমাধান পাব পাৰি। মুঠতে প্ৰশাসনীয় কৰ্তৃপক্ষ, শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীৰ মাজত এনে এটি সু-সমন্বয় থাকিব লাগে যাৰ ফলত কলেজ খনৰ উন্নতিৰ লগতে অঞ্চলটোৰো কিছু উন্নতি হয়।

কৰ্মচাৰী বৃন্দও কলেজ খনৰ অপৰিহাৰ্য্য অংগ। তেখেত সকলে সুচাৰুৰূপে কাম ফাঁকি দি নিজৰ দায়িত্ব বহন কৰিলে অধ্যক্ষগৰাকীৰ কলেজ চলোৱাত সুবিধা হয়। অধ্যক্ষ আৰু শিক্ষক শিক্ষয়িত্ৰী সকলোৱে কৰ্মচাৰী বৃন্দক বিশ্বাসত লৈ কাম কৰিবলৈ অনুপ্ৰেৰণা যোগাব লাগে।

প্ৰদুষণ মুক্ত, ভাল মন এটা লৈ অধ্যক্ষ হিচাপে ৪ মাৰ্চ/০৫ চনত মই এই কলেজত যোগদান কৰিছো। ইয়াৰ আগতে পাণ্ডু কলেজত (গুৱাহাটী -১২) ৰসায়ন বিভাগৰ প্ৰবক্তা হিচাবে কাম কৰিছিলো। 'ভুলে শুদ্ধই মানুহ' - ভুলবোৰ আঙুলিয়াই দি আন্তৰিক ভাবে আলোচনা কৰিলে ভুলখিনি শুদ্ধ কৰি লোৱাত অধ্যক্ষ হিচাবে মোৰ কোনো আপত্তি নাই। সেয়েহে কলেজখনৰ সৰ্বাঙ্গীন উন্নতিৰ খাতিৰত এই গধুৰ দায়িত্ব পালন কৰিবলৈ সকলোৱে সহায় সহযোগিতা আগবঢ়াব বুলি আশা কৰিয়েই অধ্যক্ষৰ কলম সামৰিলোঁ।

# From the Editor's pen ...



Wishing a very very 'Happy New Year' 2006. I would like to take an opportunity to offer my heartiest thanks to those martyrs who had died and sacrifice their own life for the protection of their race, literature, country and mother language. Furtherly, I again offer my ample pleasant to all the who have interested in reading magazine.

Really, I am very glad to profound it that, I was elected as a Editor of Dudhnoi College Magazine for the session 2004-2005, with this burdent I also tried my best to bring out the magazine like the other years.

It has a very great contribution and creation of the colleges in bringing out the yearly College Magazine as a institution of education. Because a college can give his identity with the help of Magazine. Through this magazine the students get a better opportunity to show and augment their talents which help them in the way of their prosperous life and the most mentionable matter is that the teachers have a great contribution to making our magazine valuable, readable and convenient (suitable) because as a teacher of an institution they have knowledges and hence they can write many articles in various aspects which help the students in earning their knowledges.

The activities of our magazine remain closed for various activities and also the unfavourable health of my (editor) for which I fell sorry. Beside this I got very sad because I found only some articles from the students and also the teachers which is not sufficient for a magazine, but now I only wish and request before the teachers and students to give their valuable articles and help in making our magazine colourful and gorgeous in future.

Now, I offer my heartiest thanks to my respective editorial board viz. honourable, Dr. Gopal Phukan (Principal), Rajat Ch. Rabha (in-charge), members viz. Jibeswar Koch, Minati

# *From the Editor's pen ...*

Choudhury, Ashok Ranjan Bhattacharjee, who has guided me in all respect to fulfilled the magazine. It is mention worthy that without proper guidance advice, and enthusiusism it would had been trouble for me to complete this magazine and I am very much eager to acknowledge my sincere gratitude to my friends Sujit Hajowary (Ex. G.S., BLS), Tapan Nath, Abhijit Roy, Susanta Rabha, Paban Boro (Secy. G & S.), Nerchuean J. Basumatary for their valuable suggestion and co-operation.

Finally, I hope it that our Dudhnoi College Magazine may earn a lots of respect and the college may also capable in earning the prosperity and bright future and if there is something wrong in my writing than please pardon me. With this hope I finished my short editorial report. Thanks -

'Long live our Didhnoi College.'

On behalf of

**(Mintu Basumatary)**

Editor,

Dudhnoi College Magazine

# সূচীপত্র


**প্ৰবন্ধ ঃ**

মানৱ সম্পদ বিকাশৰ প্ৰাসঙ্গিকতা / বীৰেন ভূঞা /০১

ভূইকঁপ আৰু জীৱ-জন্তুৰ প্ৰতিক্ৰিয়া / জয়ন্ত কুমাৰ ৰাভা /০৪

কৃতকাৰ্যতা আৰু ব্যৰ্থতা / আবুল হুছেইন /০৮

ড্ৰাগছ / নৱজ্যোতি ৰাভা /১০

প্ৰেম / ৰাকেশ ৰায় /১২

**গল্প ঃ**

প্ৰতীক্ষা / হিতেন ৰায় /১৫

মায়া / মিচ্ দৰ্শনা নাথ /২০

বিশ্বাসঘাটক / নিবেদিতা চৌধুৰী /২৩

অদৃশ্যমান চৌহদ / দিপেন ৰাভা /২৬

**কবিতা ঃ**

তোমাৰ বাবে / শুক্ৰচাদ সূত্ৰধৰ /৩১

বেদনা / গীতাঞ্জলী ৰয় /৩২

নিঃ শেষ / নিবেদিতা চৌধুৰী /৩২

অৰাজকতা / মনোজ ৰাভা /৩৩

শাওনৰ এজাক বৰষুণ / সমৰ সৰকাৰ /৩৪

কোঁহৰা / ৰাজীৱ খাখলাৰী /৩৪

কলেজিয়েট লিমাৰিক / অৰূপজ্যোতি খাখলাৰী /৩৫

আকুলতা / সঞ্জয় কলিতা /৩৫

অৱশেষ / বিষ্ণু প্ৰসাদ উপাধ্যায় (মুন্না) /৩৬

এন্ধাৰৰ আঁৰে আঁৰে / বিবাৰী খাখলাৰী /৩৭

মোৰ খিৰিকিখনেৰে এটি ৰাতিপুৱা / পূৰবী বসুমতাৰী /৩৭

তেজৰ সুবাস / জয়ন্তী ৰাভা /৩৮

বৰ্তমান / শ্যামজিৎ ৰাভা /৩৮

আমি বিপ্লবী / মিচ্ জ্যোতিৰেখা ৰাভা /৩৯

আকাশ / যশোৱন্ত ৰাভা (পাম) /৩৯

বিষাক্ত পৃথিবী / নিৰঞ্জন কুমাৰ ৰাভা /৪০

মাতৃ / মিচ্ জোনমনি শীল /৪০

**ৰাভা কবিতা ঃ**


ৰিবা আগুৱায় / মেঘ নাথ ৰাভা /৪১

জাতিনি পাৰ / মিচ্ জ্যোতি ৰেখা ৰাভা /৪১

অ' আঙি নাচিকায় ... / ৰাজীৱ ৰাভা /৪২

আয়নি ৰাছং / মিচ্ নবনিতা ৰাভা (চেৰেঙ্গা) /৪২


**বড়ো বাহাগু ঃ**


बर रावनि गुबुन महर ः दैखंखोलानि रावसा / Miss Mamoni Khakhalary /৪৩

सिरि सिरि / धीराज हाज'वारी /৪৫

थांखि बिमानि / भुद्रेशर बसुमतारी /৪৯

"अनजाली"/ सुजित हाजोवारी /৫১

"खम्फिखांदों" / मिन्तु बसुमतारि /৫১

"फिरफिला" / रतन बर' /৫২

"गोंबोनि रजे" /अजय हाजवारी /৫৩

'अखाफोर" / धरायना रामभा दैमारी /৫৩

सैथो / पबन कुमार बरो /৫৪

लिमारिक : / नेर्शोन जो: बसुमतारि /৫৪

"नेनानै दङ"/ थरायना जिउमास्रि बसुमतारि /৫৫

"समायना नोंनि महर" / लंकेश्वर खाखलारि /৫৫

"गोसोनि मिजिं" / दिपा खाखोलारि /৫৬


**English Section :**


A piece of word, introduce in : Shri Bhadreswar Basumatary /৫৭

Indian Automobile Industry : Dipen Rabha /৬০

In Solitude / Sri Birbal Khakhalary /৬২

Tension / Mehjubin Basir /৬২

বিভাগীয় সম্পাদকৰ প্ৰতিবেদন

Results of Annual College Week : 2004-2005

Results of the Youth Festival : 2004-2005

Stars of Dudhnoi College



# অসমীয়া বিভাগ

## প্ৰবন্ধ

# মানৱ সম্পদ বিকাশৰ প্ৰাসঙ্গিকতা

শিক্ষাৰ বাবে খৰচ কৰা প্ৰতিটো মূদ্ৰাই দেশৰ আন যিকোনো দিশত কৰা বিনিয়োগৰ বিপৰীতে, অৱশেষত অধিক পৰিশোধ কঢ়িয়াই আনে। সেইবাবেই শিক্ষাক এখন দেশৰ বিকাশৰ প্ৰাথমিক গতি শক্তি বুলি কোৱা হয়।

**বীৰেন ভূঞা**
প্ৰবক্তা, পৰিসংখ্যা বিজ্ঞান বিভাগ

বিগত কিছুবছৰ ধৰি তৃতীয় বিশ্বৰ বিকাশশীল দেশসমূহ ৰাজনৈতিক, সামাজিক, শিক্ষা আৰু অৰ্থনৈতিক বিষয়ক ৰাষ্ট্ৰীয় আৰু আন্তঃ ৰাষ্ট্ৰীয় সন্মিলনৰ আলোচনাত মানৱ সম্পদ বিকাশৰ প্ৰয়োজনীয়তাই সদায় অগ্ৰাধিকাৰ লাভ কৰি আহিছে। ভাৰতৰ দৰে তৃতীয় বিশ্বৰ বিকাশশীল দেশ সমূহৰ দুৰ্বল আৰ্থ-সামাজিক ব্যৱস্থা, দ্ৰুত জনসংখ্যা বৃদ্ধি, অনাক্ষৰতা, দৰিদ্ৰতা আৰু ৰাজনৈতিক অস্থিৰতাই দেশৰ প্ৰগতিত প্ৰধান প্ৰতিবন্ধকৰূপে দেখা দিছে। যদিও বিকাশশীল দেশসমূহৰ আৰ্থ-সামাজিক পৰিকল্পনাৰ মূখ্য উদ্দেশ্য হৈছে, ৰাষ্ট্ৰখনৰ বৃহৎ মানৱ শক্তিক বিকাশ ঘটাই প্ৰয়োজনীয় সম্পদলৈ পৰিবৰ্ত্তিত কৰা; তথাপি বিশ্বৰ উন্নত দেশসমূহৰ তুলনাত এনেবোৰ দেশ অনেক পিচপৰি আছে। তাৰোপৰি এনেবোৰ দেশে অৰ্থনৈতিক প্ৰগতিত যিখিনি সুফল লাভ কৰিবলৈ সক্ষম হৈছে, সেইখিনিও সামাজিক, ৰাজনৈতিক আৰু আঞ্চলিক বৈষম্যতাৰ বাবে দেশৰ সকলো শ্ৰেণীৰ লোকে সমানে ভোগ কৰিবলৈ পোৱা নাই।

দেশ এখনৰ অৰ্থনৈতিক বিকাশ অকল ইয়াৰ প্ৰাকৃতিক সম্পদৰ ওপৰতে নিৰ্ভৰ নকৰে। এনে সম্পদ সমূহক উদ্ধাৰ কৰি সমাজখনৰ জনসাধাৰণৰ প্ৰয়োজনীয় দ্ৰব্যলৈ ৰূপান্তৰ কৰি তোলাৰ বাবে, দেশখনত থকা শিক্ষিত, প্ৰশিক্ষিত আৰু সক্ষম ব্যক্তিৰ সংখ্যা আৰু ইয়াৰ গুণগত মানদণ্ডৰ ওপৰত নিৰ্ভৰ কৰে।

বিখ্যাত অৰ্থনীতিবিদ বেকাৰ, কেনড্ৰিক, আলফেড মাৰ্চেল, আদম্ স্মিথ আৰু অমৰ্ত্য সেনৰ মতে, ৰাষ্ট্ৰৰ অৰ্থসম্পদ বৃদ্ধিৰ আটাইতকৈ প্ৰয়োজনীয় আৰু প্ৰধান কাৰক হৈছে শিক্ষা। শিক্ষাই মানুহৰ অন্তনিহিত শক্তি, জীৱন নিৰ্বাহৰ মানদণ্ড আৰু দেশৰ অৰ্থনৈতিক উৎপাদনৰ বৃদ্ধিত সহায় কৰাৰ লগতে, সামাজিক বৈষম্য দূৰ কৰাত সহায় কৰে। দেশ এখনত অপৰ্য্যাপ্ত আৰু অক্ষয় প্ৰাকৃতিক সম্পদ, প্ৰয়োজনীয় কল-কাৰখানা আৰু সা-সৰঞ্জাম থাকিব পাৰে, কিন্তু এনে সম্পদৰাশিক মানুহৰ প্ৰয়োজনীয় উৎপাদিত সামগ্ৰীলৈ ৰূপান্তৰ কৰাৰ বাবে যদি যোগ্য মানুহৰ অভাৱ হয়; তেন্তে দেশখনৰ সামাজিক আৰু অৰ্থনৈতিক উন্নতি কেতিয়াও ক্ষীপ্ৰ হ'ব নোৱাৰে। যাৰবাবে আজি বিকাশশীল দেশ সমূহে, পৰম্পৰাগত অৰ্থনীতি তত্ত্বৰ বিপৰীতে 'মানৱ মূলধন' গঠনত অধিক গুৰুত্ব প্ৰদান কৰিছে।

ভাৰতৰ দৰে বিকাশশীল দেশ এখনত অপৰ্যাপ্ত মানৱ শক্তি থাকিলেও বিভিন্ন দিশত প্ৰশিক্ষিত আৰু দক্ষ মানুহৰ অভাৱ। দেশৰ জনগনৰ এক-তৃতীয়াংশৰ অধিকে এতিয়াও শিক্ষাৰ পোহৰ পোৱাৰ পৰা বঞ্চিত হৈ আছে। বিশ্ব-বেঙ্কৰ প্ৰতিবেদন মতে, এনে অৱস্থাত এই শতিকাতে ভাৰতত বিশ্বৰ তিনি-চতুথাংশ অশিক্ষিত লোকে বসবাস কৰিব। ই দেশৰ সম্পদ হোৱাৰ বিপৰীতে, এক ভয়াবহ সমস্যাৰ ইঙ্গিতহে বহন কৰিছে।

যিকোনো এখন দেশৰ অৰ্থনৈতিক বিকাশ আৰু ইয়াৰ সৰ্বাঙ্গীন উন্নতি, দেশখনৰ মানৱ সম্পদ বিকাশৰ ওপৰত নিৰ্ভৰ কৰে। অৰ্থনৈতিক অধ্যয়নৰ পৰা এইটো পৰিলক্ষিত হৈছে যে, শিক্ষাৰ বাবে খৰচ কৰা প্ৰতিটো মূদ্ৰাই দেশৰ আন যিকোনো দিশত কৰা বিনিয়োগৰ বিপৰীতে, অৱশেষত অধিক পৰিশোধ কঢ়িয়াই আনে। সেইবাবেই শিক্ষাক এখন দেশৰ বিকাশৰ প্ৰাথমিক গতি শক্তি বুলি কোৱা হয়।

ৰাষ্ট্ৰীয় শিক্ষানীতিৰ (NPE 1986) মতে, 'শিক্ষাই অৰ্থনীতিৰ বিভিন্ন স্তৰৰ প্ৰয়োজনীয় মানৱ শক্তিক বিকাশত সহায় কৰে আৰু ইয়াৰ চৰম উপলব্ধি হৈছে, ৰাষ্ট্ৰৰ স্ব-নিৰ্ভৰশীলতা। শিক্ষাই হৈছে বৰ্ত্তমান আৰু ভৱিষ্যতৰ অদ্বিতীয় বিনিয়োগ।" শিক্ষানীতি সম্পৰ্কে ভাৰতীয় ধাৰণা হৈছে প্ৰধানত মানুহৰ অন্তৰ্নিহিত শক্তি সমূহক আৱশ্যকীয় দিশত বিকশিত কৰা আৰু দেশৰ জনসাধাৰণৰ জীৱন নিৰ্বাহৰ মানদণ্ডৰ উন্নতি সাধন কৰা। সেয়েহে ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে প্ৰতিবেদনত উল্লেখ কৰিছে - 'আমাৰ দেশ আজি অৰ্থনৈতিক আৰু প্ৰযুক্তিবিদ্যাৰ বিকাশৰ এক নিৰ্দিষ্ট স্তৰত উপনীত হৈছে, সেইবাবে ইতিমধ্যে আহৰণ কৰা সম্পদৰ পৰা যাতে অধিক ফল লাভ কৰিব পাৰি, সেই প্ৰচেষ্টাক অব্যাহত ৰখা অতি প্ৰয়োজন হৈ পৰিছে আৰু লগতে এইটোও নিশ্চিত কৰা আৱশ্যক হৈছে যাতে, সমাজৰ সকলো শ্ৰেণীৰ লোকেই এই পৰিৱৰ্ত্তনৰ সুফল সমানে ভোগ কৰিব পাৰে।"

গতিকে স্বাভাৱিকতে শিক্ষা, ৰাষ্ট্ৰৰ বিকাশৰ প্ৰধান কাৰকেই নহয়, ই মানুহৰ নূন্যতম অধিকাৰ। দেশৰ অষ্টম, নৱম আৰু দশম পঞ্চ বাৰ্ষিক পৰিকল্পনাত মানৱ সম্পদৰ বিকাশৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰিছে। কাৰণ মানৱ সম্পদ বিকাশেই দেশৰ ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক আদি যি কোনো দিশৰ বিকাশৰ মূল চাবি-কাঠি।

বিশ্ববেঙ্ক, ইউনেচকো, ইউনিচেফৰ দৰে আন্তঃ ৰাষ্ট্ৰীয় প্ৰতিবেদনৰ আৰ্থ-সামাজিক অধ্যয়ণৰ প্ৰকাশিত প্ৰতিবেদনৰ পৰা দেখা যায়, সাক্ষৰতা হাৰ বৃদ্ধিয়ে অধিক জনমুৰি আয়, উন্নত জীৱন নিৰ্বাহ, অধিক উৎপাদন, দৰিদ্ৰতা দুৰীকৰণ, শিশুৰ মৃত্যুৰোধ, জন্ম হাৰ নিয়ন্ত্ৰন, জাতীয় সংহতিৰ উন্নতি, মানৱীয় মূল্যবোধৰ উৎকৰ্ষ সাধন আৰু বৈজ্ঞানিক মনোবৃত্তি গঢ় দিয়াত প্ৰত্যক্ষভাৱে সহায় কৰে।

এনেবোৰ উদ্দেশ্য আগত ৰাখিয়েই ভাৰত চৰকাৰে দেশৰ সাক্ষৰতা হাৰ বৃদ্ধিৰ বাবে বিভিন্ন শিক্ষা আঁচনি প্ৰস্তুত কৰিছে আৰু ইয়াৰ প্ৰয়োগৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। চৈধ্য বছৰৰ তলৰ শিশুৰ বাবে সাৰ্বজনীন প্ৰাথমিক শিক্ষা, বিনামূলীয়া আৰু বাধ্যতামূলক কৰাৰ লগতে, প্ৰাপ্ত বয়স্কসকলৰ বাবে প্ৰাপ্ত বয়স্ক শিক্ষা আঁচনি গ্ৰহন কৰিছে। শিশু আৰু মহিলাসকল যাতে শিক্ষা গ্ৰহণৰ অধিকাৰৰ পৰা বঞ্চিত নহয় তাৰবাবে শিশু শ্ৰমিক আঁচনি, মহিলা সুৰক্ষা আঁচনি, বাল্য-বিবাহ প্ৰতিষেধ আইন আদিৰ ব্যৱস্থা গ্ৰহণ কৰিছে।

বিশ্বৰ উন্নত দেশবোৰৰ কথা বাদেই, বিকাশশীল দেশ সমূহৰ মাজতে, আৰ্থ-সামাজিক উন্নতিৰ দিশৰ বিভিন্ন ক্ষেত্ৰত ভাৰতৰ স্থান বৰ সন্তোষজনক বুলি ক'ব পৰা নাযায়। ভাৰতৰ জনসংখ্যা ১৯২১ চনৰ ২৫ কৌটিৰ পৰা চাৰিগুণ বৃদ্ধিহৈ ২০০১ চনত ১০২.৭ কৌটি হ'ল, য'ত জনসংখ্যাৰ স্বাভাৱিক বৃদ্ধি হাৰ এতিয়াও প্ৰতি হাজাৰত ১৭ জন। দেশত বৰ্ত্তমানো শতকৰা ৪৬ গৰাকী মহিলা আৰু ২৪ গৰাকী পুৰুষ অশিক্ষিত। প্ৰতি লাখ জনসংখ্যাৰ মাজৰ ৬ বছৰৰ পৰা ১৪ বছৰ বয়সৰ স্কুললৈ যোৱা শিশুৰ সংখ্যা মাত্ৰ ৩৯

জন। ইয়াৰে প্ৰাথমিক শিক্ষা কালতে বিভিন্ন কাৰণত স্কুল পৰিত্যাগ কৰা শিশুৰ সংখ্যা শতকৰা ৩৭ জন আৰু মাধ্যমিক পৰ্য্যায়ত ইয়াৰ সংখ্যা শতকৰা ৫৩ জন। প্ৰতি লাখ জনসংখ্যাৰ মাজত প্ৰাথমিক বিদ্যালয়ৰ সংখ্যা ৬৮ খন, মাধ্যমিক স্কুলৰ সংখ্যা ১৮ খন (১৯৯৩-৯৪ চনৰ মানৱ সম্পদ বিকাশ মন্ত্ৰালয়ৰ প্ৰতিবেদন)। এতিয়াও দেশত উচ্চ শিক্ষাৰ বাবে বিভিন্ন অনুষ্ঠানত নামভৰ্ত্তি কৰা পুৰুষৰ সংখ্যা শতকৰা ৬ জন আৰু মহিলাৰ সংখ্যা মাত্ৰ ৩ জনী।

সেইদৰে ভাৰতীয় মানুহৰ জীৱন নিৰ্বাহৰ মানদণ্ড বহু বিকাশশীল দেশৰ তুলনাত উন্নত বুলিব নোৱাৰি। আজিও প্ৰায় দেশৰ ৪৫ শতাংশ গ্ৰাম্য অঞ্চলত বিজুলী নাই, প্ৰায় ৬২ শতাংশ লোকেহে নুন্যতম স্বাস্থ্য সুৰক্ষিত খোৱা পানী ব্যৱহাৰ কৰে, দেশৰ ৫৩ শতাংশ লোকে ৰন্ধনৰ বাবে এতিয়াও খৰি ব্যৱহাৰ কৰে; ৬৪ শতাংশ লোকৰে ভাল শৌচাগাৰৰ সুবিধা নাই। দেশৰ প্ৰায় ২৭ শতাংশ লোক আজিও দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰিছে।

যদিও মানৱ সম্পদ বিকাশ উন্নয়ণশীল ৰাষ্ট্ৰৰ মূখ্য উদ্দেশ্য, ভাৰতৰ দৰে বিশাল দেশখনৰ বাবে ইয়াক সহজে পূৰণ কৰা সম্ভৱ নহয়। ইয়াৰ বাবে বিভিন্ন ক্ষেত্ৰত সময় নিৰ্দ্ধাৰিত আঁচনিৰ প্ৰস্তুতিকৰণ আৰু ইয়াৰ সফল ৰূপায়ন, সময় উপযোগী শিক্ষানীতি আৰু অৰ্থনৈতিক পৰিকল্পনা, দেশৰ দূৰ্ণীতি আৰু ভ্ৰষ্টাচাৰৰ নিবাৰণ, ৰাজনৈতিক নিয়ম আৰু নীতিৰ সংস্কাৰ, দেশৰ নেতা সকলৰ দূৰদৰ্শিতা আদিৰ অতি প্ৰয়োজন হোৱাৰ লগতে, এনে দিশবোৰে দেশৰ সকলো শ্ৰেণীৰ জনসাধাৰণক সমানে সামৰি ল'ব লাগিব।

বৰ্ত্তমান আমি একৈশ শতিকাৰ দুৱাৰ দলিত থিয় দিছোহি। নতুন শতিকাই আমাক আগন্তুক দিনবোৰত বহুতো নতুন-নতুন দিশৰ জ্ঞানৰ সম্বল, চিন্তা, নিজৰ যোগ্যতা, দক্ষতা প্ৰদান আৰু সংস্কাৰৰ সুবিধা আৰু জীৱিকাৰ সুযোগ দিব। ইয়াৰ বাবে আমি প্ৰতিযোগীতাৰে এইবোৰ গ্ৰহণ কৰিবলৈ আৰু পৰিৱৰ্ত্তনশীলতাৰ লগত খাপ খুৱাই লোৱাৰ বাবে নিজকে প্ৰস্তুত কৰি তুলিবলৈ সমৰ্থ হ'ব লাগিব। নহ'লে বিশ্বৰ উন্নত দেশ সমূহৰ কথা বাদেই তৃতীয় বিশ্বৰ বিকাশশীল দেশসমূহৰ মাজতে আমি বহু পিচ পৰি ৰ'ম। ■

কিতাপ হ'ল মানুহৰ চমকপ্ৰদ সৃষ্টি। কোনো বস্তুৱে চিৰস্থায়ী নহয়। স্থাপত্য, নিৰ্মাণ কাৰ্য, ৰাষ্ট্ৰ আদিও ধ্বংস হ'ব পাৰে কিন্তু কিতাপৰ প্ৰভাৱ যুগমীয়া হৈ ৰৈ যায়।

- ড° মামনী ৰয়ছম গোস্বামী
(মানৱতাবাদী লেখিকা)

সংগ্ৰাহক - ৰাজীৱ খাখলাৰী (স্নাতক প্ৰথম বৰ্ষ)

# ভূইকঁপ
# আৰু
# জীৱ-জন্তুৰ প্ৰতিক্ৰিয়া



ভূইকঁপ বা ভূমিকম্প বুলিলে আমি প্ৰায় সকলোৱে জ্ঞাত। আমি সাধাৰণ ভাষাত ক'বলৈ গ'লে মাটিৰ উপৰিভাগত যি মৃদু জোকাৰণিৰ সৃষ্টি হয় সেয়াই ভূইকঁপ বা ভূমিকম্প বুলি জানো। ভূইকঁপ বা ভূমিকম্পৰ কম জোকাৰণি আমি এনেয়ে অত তত ঘূৰি ফুৰোতে একোৱে আভাষ নাপাওঁ, যদিহে আমি ঘৰৰ কোঠালিৰ ভিতৰত বহি বা আন এঠাইত বহি থাকিলেহে ভূ-পৃষ্ঠৰ জোকাৰণি ভালদৰে অনুভৱ কৰিব পাৰোঁহক।

অকণমান মন কৰিলে গম পোৱা যায় যে ইতৰ জীৱ-জন্তু সমূহে পৃথিৱীখনৰ প্ৰকৃতিৰ নিয়মৰ প্ৰতি অধিক সচেতন। মানুহ জাতিটোৰ তুলনাত সিহঁত বেছি সজাগ। ইয়াৰ প্ৰধানতা হ'ল যে, প্ৰতিটো জাতিৰেই কিবা নহয় কিবা এটা বিশেষ অংগ-প্ৰতংগ আছে। যি অত্যাধিক সংবেদনশীল যাৰ দ্বাৰা সিহঁতে জীৱন যুদ্ধত বাচি থাকিবলৈ সমল পায়। উদাহৰণ স্বৰূপে আমি আঙুলিয়াব পাৰোঁ যে, কুকুৰৰ ঘ্ৰাণ শক্তি অধিক। আজিৰ আধুনিক যুগৰ বিজ্ঞানে এনেকুৱা তথ্য আৱিস্কাৰ কৰি নিজে সজা যন্ত্ৰ পদ্ধতি কামত লগাইছে।

**জয়ন্ত কুমাৰ ৰাভা**
উঃ মাঃ প্ৰথম বৰ্ষ (কলা)

আমাৰ জনবিশ্বাসৰ আঁৰতো জীৱ-জন্তুৰ এনেকুৱা ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ প্ৰতিফলন আছে; যিয়ে বুজাই দিয়ে প্ৰকৃতিৰ সতে জীৱ-জন্তুৰ সম্বন্ধৰ কথা। খৰাং বতৰত বা অনাবৃষ্টিৰ সময়ত ভেঁকুলীৰ বিয়া পাতি বৰ্ষা মতাৰ নিয়ম আজিও আমাৰ মানৱ সমাজৰ মাজত প্ৰচলিত। আমাৰ জনবিশ্বাস যে, ভেকুঁলীৰ টোৰটোৰনিত মেঘ কোমল হৈ নামি আহে ধৰাৰ বুকুলৈ; বৃষ্টি ৰূপে। শাৰী শাৰী পৰুৱাই যেতিয়া মাটিৰ তলৰ পৰা কণী মুখত লৈ ওপৰলৈ উঠি আহে তেতিয়া আমি কওঁ যে এইবাৰ বাৰিষা আহিবৰ হ'ল দেই! গাওঁ অঞ্চলত যেতিয়া ফেউৰাই মাতে তেতিয়া সচেতন গওঁা ৰাইজে জানে যে, আশে-পাশে হিংস্ৰ বাঘটোৱে ঘূৰি ফুৰিব ধৰিছে। ভেঁকুলীৰ বিননীত বৰ্ষা নমা বা পৰুৱাৰ কণী মুখত লৈ যোৱাৰ দৃশ্য বানপানীৰ আগলিবতৰা দিয়াৰ সতে বৈজ্ঞানিক তত্ব যদিও বা আমি পোৱা নাই; মানৱ সমাজত কিন্তু এই অভিজ্ঞতা চিৰন্তন; চিৰায় জনবিশ্বাস। এনেকুৱা জনবিশ্বাসৰ আধাৰত প্ৰাণী চৰিত্ৰৰ বৈশিষ্ট্য প্ৰকাশ পাইছে। ভূইকঁপৰ ক্ষেত্ৰতো। আমাৰ পৃথিবীৰ প্ৰত্যেকটো জনসমাজতেই এনেকুৱা আসুৰিক চিন্তাৰ প্ৰৱাহ চলি আছে। আমাৰ আশা আজিৰ বিজ্ঞানে ইয়াৰ উহ বিচাৰি গৱেষণা চলালে প্ৰাণীজগতৰ প্ৰকৃতি হয়তো আৰু কিছুমান নতুন নতুন তথ্য সম্বলিত হ'ব। কিন্তু, ভূইকঁপৰ সতে প্ৰাণী চৰিত্ৰৰ যি অস্বাভাৱিক পৰিৱৰ্তন কিছুমান সংঘটিত হয় সিয়ে ভূইকঁপৰ পূৰ্বাভাষ যোগায়। উদাহৰণ স্বৰূপে কুকুৰে যেতিয়া গেঙাইছে বা গৰগৰ কৰি গলেৰে মাতিছে; গৰুৱে চিৎকাৰ কৰিছে বা দিন দুপৰতে নিশাচৰ এন্দুৰবোৰে গাতৰপৰা ওলাই আহি ৰাস্তা-ঘাটে দৌৰা-দৌৰি কৰিছে অথবা পুখুৰীৰ পৰা মাগুৰ জাতীয় মাছে জপিয়াই পাৰলৈ আহিছে; তেতিয়া জানিব পাৰি যে, ধৰিত্ৰীৰ ভিতৰ চৰাত আৰম্ভ হৈছে টলমল উখল-মাখল। সন্দেহ নাই যে, ক্ষন্তেকতে আপোনাৰ ভৰিৰ তলৰ মাটিভাগ কঁপি উঠিব। কি যে অদ্ভুত কথা! নহয় নে বাৰু? কিন্তু এনেকুৱা সংঘটিত ঘটনা আজি নহয় বহুদিন ধৰি চীন; জাপান; আমেৰিকা; ইটালি আদি দেশতো মানুহে লক্ষ্য কৰি আহিছে। ভূইকঁপ হোৱাৰ আগেয়ে কোনো নহয় কোনো প্ৰাণীৰ আচৰণ কিবা নহয় কিবা এটা অস্বাভাৱিক হৈ উঠে।

চীন দেশৰ প্ৰচলিত প্ৰৱচন হ'ল ভূইকঁপৰ পূৰ্বক্ষণত পাৰ চৰাই আৰু কুকুৰাবোৰে নিজৰ নিজৰ বাহৰ আগত লগলাগি সমস্বৰে হুলস্থুল কৰে। গৰুবোৰৰ দলবোৰে ক্ৰমান্বয়ে হেম্বেলিয়াব আৰম্ভ কৰে। এনেদৰে তেতিয়া সমুখত থকা ৰুচীপূৰ্ণ খাদ্যবোৰকো খাবলৈ বাদ দিয়ে। কুকুৰবোৰ বিপদসূচক মাতেৰে চিৎকাৰ কৰে অথবা অমঙ্গলীয় সুৰত ভেউ-ভেউ বুলি বিলাপ কৰে। গাতৰ এন্দুৰবোৰে গাতৰ পৰা ওলাই আহি নিৰ্ভীকভাৱে ৰাস্তা ঘাট; ঘৰ চোতালত দৌৰা-দৌৰি কৰে। পুখুৰীৰ গভীৰ তলীত থকা মাছবোৰেও পানীৰ তলিৰ পৰা ওলাই আহি জাপ দিয়ে পাৰলৈ।

আন এক চৈনিক পৰ্যবেক্ষকৰ মতে ঘোঁৰাৰ গাত উঠে এক অদ্ভুত কম্পন। যেন ভয়বিহ্বল। ভয়াৰ্ত তুৰঙ্গৰ গাত যেন মৃত্যুৰ শিহৰণ। সিহঁত আতুৰ হৈ পৰে মুকলি ঠাইলৈ যাবৰ বাবে আৰু সাপবোৰ এনেকি শীতৰ কঠোৰতা উপেক্ষা কৰি হ'লেও ও... ...াহে মাটিৰ ওপৰলৈ। সিহঁতৰ গাতত যেন বিপদ শিঙাৰ ধ্বনি ... উঠিছে। দেখা যায় যেন শীতৰ দিনত গাতৰপৰা ওলাই আহি সাপ বগাই ফুৰে হিম শীতল বৰফৰ ওপৰত আৰু সেইদৰেই মৃত্যুক সাৱটি লব লগা হয়। প্ৰাণীৰ এই অস্বাভাৱিক আচৰণৰ আৰম্ভ হয় ভূইকঁপৰ কেইঘন্টামান আগতে। কেতিয়াবা এসপ্তাহ আগত, কেতিয়াবা কেইঘন্টামান আগত আৰু কেতিয়াবা মাত্ৰ কেইমিনিটমান আগত। সেয়েহে প্ৰাণীচৰিত্ৰৰ অস্বাভাৱিক আচৰণ লক্ষ্য কৰি ঠিক কেতিয়া ভূইকঁপ হ'ব ক'ব নোৱাৰি; যদিওবা ই নিশ্চিত ভাৱে জনাই দিয়ে যে ভূইকঁপ আহি আছে।

১৯৬৪ চনত আলাস্কাত হোৱা প্ৰবল ভূইকঁপৰ ঠিক দুসপ্তাহ আগেয়ে এটা ঘটনা লক্ষ্য কৰা হৈছিল। তেতিয়া আছিল শীতকাল। জাৰকালি, তাত থকা ভালুকবোৰে সাধাৰণতে গাঁতত সোমাই থাকে।



ভালুকবিধৰ নাম হ'ল - 'কোডিয়াক বিয়াৰ' কিন্তু এদিন হঠাৎ দেখা গ'ল ভালুকৰ দল শাৰী পাতি গাঁতৰ পৰা ওলাই আহিছে। সিহঁতৰ চলন-ফুৰণত ভীষণ চঞ্চলতা আৰু তাৰ ঠিক দুসপ্তাহ পিছতে হৈ গ'ল এক প্ৰবল ভূইকঁপ। কম্পনৰ মাত্ৰা আছিল ৬ (ছয়) ৰিখটাৰ। অৰ্থাৎ ৰিখটাৰ ভূকম্পন জোখৰ একক। কম্পনৰ মাত্ৰা আঢ়ৈ ৰিখটাৰ হ'লে অনুভূত হয় মৃদু জোকাৰণি। ৪.৫ ৰিখটাৰত স্থানীয ক্ষয়-ক্ষতিৰ পৰিমান বাঢ়ে। কিন্তু এই মাত্ৰা ৭ (সাত) বা তাৰ বেছি হ'লে ভূইকঁপৰ ধ্বংসলীলা ব্যাপক অঞ্চললৈকে বিয়পি পৰে।

জনবিশ্বাসত হ'লেও আজি প্ৰায় তিনিহেজাৰ বছৰ ধৰি চীনৰ জনগনে এনেকুৱা ঘটনাৰ ওপৰত গুৰুত্ব দি আহিছে। তাত এনেকুৱা ঘটনাৰ বিস্তৃত বিৱৰণ দি ভূইকঁপৰ সময়ত কোনো প্ৰাণীৰ আচৰণত এনেকুৱা অস্বাভাৱিকতা আহে তাক বৰ্ণাই পুস্তিকা প্ৰস্তুত কৰিছে আৰু সেইবোৰ জনসমাজৰ মাজত বিলাই দিয়া হৈছে। জনশিক্ষাৰ কামত এই পুস্তিকাবোৰ ব্যৱহাৰ কৰা হৈছে। চৰকাৰী ভাৱে কোৱা হৈছে যে, এনেকুৱা পুস্তিকাই বিশেষকৈ গ্ৰামাঞ্চলৰ ৰাইজক ভূইঁকপৰ বিৰুদ্ধে মানসিকভাৱে সংগ্ৰাম কৰিবলৈ বিশেষভাৱে সহায় কৰিছে। লগতে আৰু ঘোষিত হৈছে যে প্ৰাণীজগতৰ অস্বাভাৱিক আচৰণৰ কথা লক্ষ্য কৰি চীনৰ বিশেষজ্ঞই যোৱা কেইবছৰমান অতি কমেও পোন্ধৰ বাৰ মান ভূইকঁপৰ আগলি-বতৰা যোগাবলৈ সক্ষম হৈছে।

১৯৭৪ চনৰ কথা, হাইচেং চহৰৰ আশে-পাশে বৰফৰ ওপৰত সাপবোৰে শাৰী পাতি মৰি থকা দেখি এজন গঞা বিশেষজ্ঞই ঘোষণা কৰিলে যে ভূইকঁপ আসন্ন। সেইমতে, প্ৰয়োজনীয় ব্যৱস্থা লোৱা হ'ল। নিৰাপত্তাৰ বাবে চহৰবাসী জনতাক আতৰাই নিয়া হ'ল। এয়া লক্ষ্য কৰা হৈছিল ডিচেম্বৰ মাহৰ শেষত। আৰু ঠিক ৪ ফেব্ৰুৱাৰী ১৯৭৫ চনত আৰম্ভ হয় প্ৰচণ্ড ভূ-কম্পন। হাইচেং চহৰ প্ৰায় লণ্ড-ভণ্ড কৰি দিলে। কিন্তু সেইমতে ব্যৱস্থা লোৱা হ'ল হেতুকে প্ৰায় দহ লক্ষ চহৰবাসী বাচি গ'ল। বহুতো ধন-সম্পত্তি বচাব পৰা গ'ল।

চীনদেশৰ দৰে জাপানতো ভূইকঁপৰ পূৰ্বাভাস পাবলৈ প্ৰাণীজগতৰ প্ৰকৃতিৰ ওপৰত গুৰুত্ব দিয়া হয়। ১৯৩০ চনত জাপানৰ এক সামুদ্ৰিক জীৱতত্ত্বৰ গৱেষণাগাৰত এদল বিশেষজ্ঞই ভূইকঁপ হোৱাৰ ঠিক আধা ঘন্টামান আগেয়ে 'কেট' মাছৰ আচৰণত চঞ্চলতা

লক্ষ্য কৰে। সিহঁত চঞ্চলভাৱে পানীত দৌৰা-দৌৰি কৰি পানীৰ পৰা ওলাই আহিবলৈ চেষ্টা কৰে। পাৰলৈ জপিয়াই জপিয়াই কেইবাটাও 'কেট' মাছ মৰিবলৈ ধৰে। বৈজ্ঞানিকৰ মতে, ভূইকঁপ হোৱাৰ সময়ত পৃথিৱীৰ বৈদ্যুতিক ক্ষেত্ৰৰ মাত্ৰা সাময়িকভাৱে অলপ সলনি হয় আৰু এই পৰিৱৰ্তনে সম্ভৱতঃ 'কেট' মাছৰ দৰে আন মাছৰ শৰীৰ বৃত্তীয় কাম-কাজত প্ৰভাৱ বিস্তাৰ কৰে যাৰ প্ৰতিক্ৰিয়া প্ৰকাশ পায় সিহঁতৰ চঞ্চল আচৰণত।

সম্প্ৰতি চীন দেশত প্ৰাণীজগতৰ আচৰণৰ সতে ভূইকঁপৰ পূৰ্বাভাস পোৱাৰ বৈজ্ঞানিক কাৰণ বিচাৰি এদল বিজ্ঞানীয়ে এটি পৰীক্ষা চলায়। তেওঁলোকে লক্ষ্য কৰে যে, পাৰ চৰাইৰ ঠেংত এটা মাংসৰ পিণ্ডুকা আছে। এই পিণ্ডুকা অতি সংবেদনশীল। সামান্য কম্পনতেই ই উদ্দীপ্ত হয়। সেয়েহে বিজ্ঞানীসকলে কিছুমান পাৰ চৰাই লৈ কেইটামান ঠেংৰ মাংসপিণ্ডটোৰ সতে সংযুক্ত স্নায়ুবোৰ কাটি দিলে। বাকী কেইটামান একেদৰেই থাকিল। তাৰ পিছত তেওঁলোকে ভূইঁকপ অহাৰ সময়লৈকে বাট চাই ৰ'ল। আহিলে ভূইকঁপ। দেখা গ'ল যিকেইটা পাৰ চৰাইৰ মাংসপিণ্ড অক্ষত অৱস্থাত আছিল সিহঁত কম্পনৰ আগেয়ে চঞ্চল হৈ পাগলৰ দৰে উৰি উৰি বাঁহৰ সন্মুখত হুলস্থুল লগাইছিল। আনহাতে স্নায়ুকটা পাৰ চৰাইকেইটা নিৰ্লিপ্তভাৱে শুই আছে। গতিকে এই পৰীক্ষাৰ দ্বাৰা অতি সহজেই অনুধাৱন কৰিব পাৰি যে ভূইকঁপ অহাৰ আগেয়ে প্ৰাণীজগতৰ অস্বাভাৱিক আচৰণ যি হয় তাৰ এটা বৈজ্ঞানিক ভিত্তি আছে। সম্ভৱতঃ ভূইকঁপৰ সময়ত নৈসৰ্গিক পৰিমণ্ডলত এনেকুৱা কিছুমান পৰিৱৰ্তন সংঘটিত হয় যাৰ দ্বাৰা এটি বিশেষ বিশেষ প্ৰাণীয়ে বিভিন্ন প্ৰকাৰে সংবেদনশীলতা প্ৰকাশ কৰে। আচলতে ভূইকঁপৰ সময়ত পৃথিৱীৰ পৰিৱেশত কিছুমান পৰিৱৰ্তন অহা দেখা যায়। ভূ-স্তৰত কম্পন উঠে, ভূস্তৰৰ পানীৰ সমতা নামি যায়। পৃথিৱীৰ ভূ-চৌম্বক ক্ষেত্ৰৰ পৰিৱৰ্তন হয় আৰু বতাহৰ তাপমাত্ৰা সলনি হয়। এনেকি বায়ুমণ্ডলৰ চাপো সলনি হোৱা দেখা যায়। ভূইকঁপৰ সময়ত পৰিৱেশৰ শব্দ তৰংগৰ পৰিৱৰ্তন ঘটে। আৰু যটেস্থিৰ বিদ্যুতৰ ক্ষৰণ ঘটে। হয়তো এই ধৰণৰ পৰিবৰ্তনবোৰে প্ৰাণীদেহত কিছুমান প্ৰতিক্ৰিয়া আনে যিয়ে দৈহিক আচৰণত অস্বাভাৱিকতা প্ৰদৰ্শন কৰিবলৈ বাধ্য কৰায়। "ষ্টানৰ্ফোড আউতডোৰ প্ৰাইভেট ফেছিলিটি' নামৰ আমেৰিকাৰ এটি গৱেষণাগাৰত চিম্পাঞ্জী বান্দৰৰ আচৰণতো ভূইকঁপে চঞ্চলতা অনাৰ প্ৰমান পোৱা গৈছে। গতিকে দেখা যায় যে যথাযথ বৈজ্ঞানিক ব্যাখ্যা প্ৰতিস্থিত নহ'লেও ই যে সত্য প্ৰাণীজগতৰ অস্বাভাৱিক আচৰণে ভূইকপঁৰ পূৰ্বাভাস যোগাব পাৰে। অৱশ্যে এই পৰিৱৰ্তিত আচৰণৰ মাত্ৰা ইমান কম আৰু বিক্ষিপ্ত যে অতি সংবেদনশীল যন্ত্ৰৰ পক্ষেও তাৰ অস্তিত্ব অনুধাৱন কৰা এতিয়াও সম্ভৱ হোৱা নাই। এবাৰ ই আয়ত্বাধীন হ'লে আমাৰ বিশ্বাস হ'ব যে বতৰৰ পূৰ্বাভাস দিব পৰাৰ দৰে ভৱিষ্যতে ভূইকঁপৰ পূৰ্বাভাসও বহুত আগেয়ে সঠিক ভাৱে জনাই দিব পৰা যাব। ■

**কাব্য সহিত্য যুগে যুগে বেলেগ বেলেগ মূৰ্ত্তি লৈ ওলালেও অৰ্থাৎ কাব্য সাহিত্য এক হিচাপে যুগন্ধৰ হ'লেও, সাহিত্যৰ যিটো নিত্যধৰ্ম্ম তাৰ কিন্তু পৰিৱৰ্ত্তন নহয়। সেই দেখি সি যুগতীতো।**

**- ৰত্নকান্ত বৰকাকতী**

# কৃতকাৰ্যতা আৰু ব্যৰ্থতা

অধ্যাপক আবুল হুছেইন
ৰসায়ন বিজ্ঞান বিভাগ

*"The road to success is always under construction."*
- Dryden

কৃতকাৰ্যতা হ'ল সাধনাৰ ফল আৰু কৰ্মই হ'ল সাধনাৰ উৎকৃষ্টতম উৎস। সঠিক আৰু শুদ্ধ প্ৰণালীত কৰ্ম কৰিলে কৃতকাৰ্যতা নহাকৈ নিশ্চয় নাথাকে। কবিগুৰু ৰবীন্দ্ৰ নাথৰ ভাবাত ঃ 'উদ্দেশ্য যদি মহৎ হয় আৰু কৰ্তব্যত যদি শিথিলতা নাথাকে কৃতকাৰ্যতা অৱশ্যম্ভাৱী।' জীৱনত ঘাত প্ৰতিঘাত থাকিবই। জীৱনত সাফল্যতা নিশ্চয় স্বতঃ স্ফুৰ্ত প্ৰক্ৰিয়া নহয়। ঋণাত্মক চিন্তা চৰ্চাৰে বেয়া পথত জয়ী হোৱাটো ব্যক্তি এজনৰ বাবে সফলতা অৰ্জন হ'লেও সামাজিক দৃষ্টিভঙ্গীত তাৰ কোনো যোগাত্মক দিশ নাই। অৰ্থাৎ কৃতকাৰ্যতা যদিও ব্যক্তি স্বাৰ্থৰ কঠোৰ পৰিশ্ৰমৰ ফল ইয়াৰ প্ৰসাৰতা ব্যক্তিজনৰ মাজতে সীমাবদ্ধ হৈ নাথাকে। সফল ব্যক্তি সেইজনেই যাৰ দ্বাৰা ব্যক্তি, সমাজ আৰু দেশৰ কল্যান হয়। কিন্তু গঠনমূলক আৰু সৃজনীমূলক কাম এনেই হৈ নুঠে। ব্যৰ্থতাই বাৰে বাৰে আগুৰি ধৰিব আৰু পিছফাললৈ ঠেলি দিব। ব্যৰ্থতাক নেওচি যিজনে আগুৱাই যাব পাৰিব তেৱেঁই কৃতকাৰ্যতাৰ মুখ দেখিব। Samual Smile ৰ মতে "Failure in any good cause is honourable while success in a bad cause is merely infamous." ব্যক্তিমাত্ৰেই কৃতকাৰ্যতা বিচাৰে। কিন্তু অতি কম সংখ্যক ব্যক্তিয়েহে কৃতকাৰ্যতা লাভ কৰিবলৈ সক্ষম হয়। যিবোৰ ব্যক্তিয়ে কঠোৰ পৰিশ্ৰম আৰু একাগ্ৰতাৰে যি কোনো কামত ধ্যান দি কৰ্তব্যনিষ্ঠাত ব্ৰতী হয়, তেওঁলোকে জীৱন যুদ্ধত জয়ী হোৱাত কোনো ধৰণৰ বাধাৰ সন্মুখীন নহয়। অৰ্থাৎ ব্যৰ্থতাই তেওঁলোকক নিৰাশ বা হতাশ নকৰে বৰঞ্চ প্ৰেৰণাহে দিয়ে। কঠোৰ পৰিশ্ৰম কৰিলে কৃতকাৰ্যতা নিশ্চয় আহিব আৰু তাৰবাবে ব্যক্তিজনে ত্যাগ স্বীকাৰ কৰাটো একান্ত বাঞ্চনীয়। আকৌ Anna Pavlova ৰ মতে " Success depends in a very large measure upon individual initiative and exertion and can not achieve except by dint of hard work." কৃতকাৰ্যতাৰ মূলতেই হ'ল - ব্যৰ্থতাৰ অভিজ্ঞতা। কৃতকাৰ্যতাৰ কোনো শেষ বিন্দু নাই। লেখ কাগজত আঁকা গ্ৰাফৰ দৰে ইয়াৰ কোনো শীৰ্ষবিন্দু নাই। কৃতকাৰ্যতাই আনি দিয়ে জীৱন পথৰ কোঁহে কোঁহে নিঃসৃত হোৱা অনাবিল আনন্দ তথা সীমাহীন অনুভূতি। মৃত্যুৰ আগমূহুৰ্তলৈ চলন্ত ৰেলগাড়ীৰ যাত্ৰীৰ দৰে কৃতকাৰ্যতা হ'ল এক অবিৰত স্বতঃস্ফুৰ্ত মানৱ জাতিৰ সাফল্যৰ যাত্ৰা। কৃতকাৰ্যতা এদিন-দুদিনৰ ফল নহয় আৰু কোনো এটি বিশেষ মুহূৰ্তত ইয়াক পোৱাও সম্ভৱ নহয়। কৃতকাৰ্যতা আহে জীৱনজোৰা কৰ্মসাধনা, ঐকান্তিক প্ৰচেষ্টা আৰু নেৰা-নেপেৰা কঠোৰ পৰিশ্ৰমৰ দ্বাৰা। আমি যিবোৰ ব্যক্তিক কৃতকাৰ্যতা লাভ কৰা বুলি জানো তেওঁলোকৰ জীৱনী অধ্যয়ণ কৰিলে দেখা যায় যে বেছিভাগ ব্যক্তিৰ

জীৱনলৈ কৃতকাৰ্যতা আহিছিল চৰম ব্যৰ্থতাৰ পিছত। আমেৰিকাৰ ৰাষ্ট্ৰপতি আব্ৰাহাম লিংকনেও জীৱনৰ প্ৰথমটো নিৰ্বাচনত পৰাজয় বৰণ কৰিছিল। নেপোলিয়নে বেছিভাগ যুদ্ধতেই পৰাজয় হৈছিল। কিন্তু নেপোলিয়ন আছিল অত্যন্ত সাহসী বীৰ যোদ্ধা। জীৱন যুঁজত তেওঁ কেতিয়াও মানসিকভাৱে হাৰ মনা নাছিল। দুবাৰকৈ নবেল বঁটা পোৱা ৰেডিয়াম আৱিস্কাৰক মেৰী কুৰীৰ জীৱনত বাৰে বাৰে ব্যৰ্থতাই আঘাত কৰিছিল। ভাৰতৰত্ন কোকিল কণ্ঠী লতা মাঙ্গেশকাৰৰ জীৱনো মসৃন নাছিল। তেওঁৰ কেইবাটাও গান প্ৰথম অৱস্থাত গ্ৰহণযোগ্য হোৱা নাছিল। মেগাষ্টাৰ অমিতাভ বচ্চনো এসময়ত প্ৰযোজকৰ দুৱাৰে দুৱাৰে ঘূৰি বঞ্চিত হ'ব লগা হৈছিল। ভাৰতৰ প্ৰয়াত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ জীৱনলৈও এটা সময়ত কালসন্ধিয়া নামি আহিছিল। ব্যৰ্থতা আহিবই, ব্যৰ্থতাইহে ভুলৰ শুধৰণি ঘটায় আৰু প্ৰকৃত সত্যৰ সম্ভেদ দিয়ে। ব্যৰ্থতাই কৃতকাৰ্যতাৰ বাটত থকা বাধা বিঘিনি দূৰ কৰি নতুন উদ্দীপনাৰ সৃষ্টি কৰে। কৃষকে অতি কষ্টেৰে কৰা শস্য খেতি কেতিয়াবা বাৰিষাৰ টৌৱে সৰ্বনাশ কৰে কিন্তু খেতিয়কে আকৌ নতুন কৌশলেৰে মাৰবান্ধি পথাৰত নামে। বিভিন্ন অসুবিধা আৰু প্ৰাকৃতিক দুৰ্যোগৰ কবলত খেতিবাতিৰ যথেষ্ট অনিষ্ট হ'লেও খেতিয়কে যেনেদৰে খেতি কৰা বাদ নিদিয়ে ঠিক সেইদৰে, মানৱ জীৱনৰ পদে পাদে ব্যৰ্থতাই খেতি ফুৰে মানুহক, কৃতকাৰ্যৰ পৰা বিচলিত কৰিবলৈ। যিজনে দৃঢ় মনোবলেৰে ব্যৰ্থতাক সাফল্যৰ প্ৰথম পদক্ষেপ বুলি ধৰি লৈ আগুৱাই যাব পাৰে তেৱেঁই সফলতা অৰ্জন কৰিবলৈ সক্ষম হয়। আমি সঘনে ৰেলগাড়ী, বাছ আদিত ভ্ৰমণ কৰি থাকো, সেইবুলি দুৰ্ঘটনাৰ কথা চিন্তা কৰি ভ্ৰমণসূচী বন্ধ কৰোনে ? মানৱ জীৱনৰ কোনো এটি বিশেষ অভিজ্ঞতাৰ সমল বুলি গণ্য কৰি জীৱন যুদ্ধত আগবাঢ়ি যোৱাটোৱেই প্ৰকৃত বীৰত্বৰ পৰিচয়।

সঁচা কথা ক'ব গ'লে জীৱনৰ সফলতা বিশুদ্ধ পানীৰ দৰে ফটফটীয়া নহয় আৰু স্বচ্ছ কাঁচৰ দৰে নিমজ নহয়। মেঘে ঢকা সূৰ্য্যৰ পোহৰৰ দৰে কৃতকাৰ্যতাকো ক্ষন্তেক সময়ৰ বাবে ব্যৰ্থতাই আগুৰি ধৰিব পাৰে। জীৱনটো ৰঙীন, স্বপ্নময় আৰু সৃজনীমূলক কৰ্মত বুঁৰাই ৰাখিবলৈ হ'লে ঘাত-প্ৰতিঘাত, দুঃখ বেদনাক সহ্য কৰিবই লাগিব। ব্যৰ্থতাক ৰোধ কৰিবলৈ সকলোৱেই চেষ্টা কৰে যদিও সকলো সময়তে সেয়া সম্ভৱ হৈ নুঠিবও পাৰে যাৰ বাবে মনোকষ্টত ভোগা নিশ্চয় ঠিক নহ'ব। সুদক্ষ পাইলটজনে অনিচ্ছাস্বত্বেও চৰাইৰ খুন্দাৰ পৰা উৰাজাহাজখনক বচাব নোৱাৰে। স্মৰ্তব্য যে, চৰাই দেখাৰ আগমুহূৰ্তত পাইলটজনৰ মগজুত যিখিনি নুন্যতম সময়ৰ প্ৰয়োজন হয় সেই সময়ৰ আগতেই চৰাই আৰু উৰাজাহাজখনৰ মাজত সংঘৰ্ষ হয়। পাৰ্গত গলৰক্ষকজনে যথাসাধ্য চেষ্টা কৰিও এটাও পেনাল্টি শ্বট বচাব নোৱাৰিবও পাৰে। অতি ভাল ক্ৰিকেটাৰজনেও শূণ্য ৰাণত আউট হৈ যাব পাৰে। আমি জানি থোৱা ভাল যে, প্ৰত্যেকজন মানুহৰে জীৱনত পূৰ্ণিমা আৰু অমাৱশ্যাৰ অস্তিত্ব আছে। জীৱনৰ কোনটো মুহূৰ্ত্তত কাৰ প্ৰত্যাহ্বান ঘটে তাক সঠিককৈ কোৱা কঠিন। কিন্তু বাস্তৱ সত্যটো হ'ল অবিৰত [illegible]নিষ্ঠা আৰু নেৰানেপেৰা চেষ্টাই পূৰ্ণিমাকহে প্ৰত্যাহ্বান দিয়ে। কষ্ট আৰু চেষ্টাৰ অবিহনে কৃতকাৰ্যতা লাভ কৰাটো অসম্ভৱ। জীৱনৰ গতিপথ পাহাৰৰ পৰা তললৈ প্ৰবাহিত হোৱা নিজৰাৰ পানীৰ দৰে। প্ৰতিটো মুহূৰ্ত শিলত খুন্দা খাই প্ৰবাহিত হোৱা পানীৰ দৰে পদে পদে বাধা আহে সেই বাধাক প্ৰতিৰোধ কৰাৰ ক্ষমতা অৰ্জন কৰিলেই জীৱন যুদ্ধত জয়ী হোৱাৰ সম্ভাৱনা থাকে। আনৰ সমালোচনাক সৰোগত কৰি নিজ কৰ্মত আত্মনিয়োগ কৰিব পাৰিলে জীৱন বাটৰ কাঁইটবোৰ আঁতৰ কৰি সফলতা অৰ্জনৰ বাট সুষম আৰু মসৃন কৰিব পাৰি। এইক্ষেত্ৰত ডেভিট ব্ৰিনকিলীৰ মন্তব্য উনুকিয়াব পাৰি - "A Successful man is one who lays firm foundation with the bricks that others throw at him." ■

# ড্ৰাগছ



ফ্ৰয়েডীয় সূত্ৰৰ জনক চিগমাণ্ড ফ্ৰয়েডয়ে মানসিক অৱসাদ আৰু অৱনমিত যৌনস্পৃহাৰ বাবে মাত্ৰাধিক ককেইন সেৱন কৰিছিল যাৰ ফলত তেওঁৰ মৃত্যু হৈছিল। ৰ'বাৰ্ট ডাউনি (অভিনেতা) আৰু অভিনেত্ৰী মেৰিলিন মনৰ' ড্ৰাগছ সেৱনৰ বাবেই মৃত্যুক সাৱটি ল'ব লগা হৈছিল।

**নৱজ্যোতি ৰাভা**
স্নাতক প্ৰথম বৰ্ষ (কলা)

ড্ৰাগছ হ'ল এবিধ ক্ষণিক উত্তেজক মাদক দ্ৰব্য, ড্ৰাগছে গ্ৰহণ কৰ্তাৰ স্নায়ুতন্ত্ৰৰ ওপৰত ক্ৰিয়া কৰে। ড্ৰাগছে হয়তো গ্ৰহণ কৰ্তাক এক বিশেষ প্ৰেৰণা দিয়ে যাৰ ফলত তেওঁ বীৰৰ দৰে নিজৰ মনোকামনা পূৰণ কৰিবলৈ সাহসৰ সমল গোটাব পাৰে। কিন্তু আটাইতকৈ বিপদগামী কথাটো হ'ল সেৱনৰ মাত্ৰা। ড্ৰাগছ বাৰে বাৰে একে মাত্ৰাত সেৱন কৰিলে শৰীৰত ইয়াৰ ক্ৰিয়া ক্ষমতা ক্ৰমে কমি আহে। সেয়ে গ্ৰহণকাৰীয়ে আগৰ সমানে উত্তেজক অনুভূতি পাবলৈ হ'লে ড্ৰাগছ সেৱনৰ মাত্ৰা বঢ়াই দিব লগীয়া হয়। যি কোনো ড্ৰাগছ সেৱনৰ ফলত মানৱ দেহত সহনশীলতা বঢ়ায় আৰু শৰীৰ বৃত্তিক পৰিবৰ্তন ঘটায় ফলত কোনো ড্ৰাগছ গ্ৰহণকাৰীয়ে ড্ৰাগছ সেৱন বন্ধ কৰিলে বা গ্ৰহণৰ মাত্ৰা কমাই দিলে এক বিশেষ দোষত ভোগে যাক চিকিৎসা বিজ্ঞানৰ ভাষাত "প্ৰত্যাহাৰ জনিত অসুস্থতা' বুলি কোৱা হয়। ড্ৰাগছ সেৱনৰ ফলত তাৎক্ষণিক প্ৰভাৱ বিয়পায় যেনে - মানসিক উত্তেজনাৰ সমাপ্তি, ক্লান্ত নোহোৱা, প্ৰৱল শক্তিমান যেন অনুভৱ হয়, আঘাত অনুভৱ নকৰা, হৃদপিণ্ডৰ কম্পন বৃদ্ধি হোৱা, বমি অহা ইত্যাদি। সম্প্ৰতি ড্ৰাগছ কেৱল বগা গুড়ি পাউদাৰৰ ৰূপতেই বিয়পা নাই ই নিত্য ব্যৱহাৰৰ বহু সামগ্ৰীৰ মাজেৰে বিয়পি আছে। কোকেইন, হিৰ'ইন, ব্ৰাউন চুগাৰ, ইথানল, ট্ৰাইং কুলাইজাৰ, মাৰিজুৱানা আদি ড্ৰাগছৰ প্ৰকাৰ উল্লেখযোগ্য। ইহঁতৰ আকৌ অঞ্চল বিশেষে নানান ধৰণৰ প্ৰচলিত নাম আছে। যেনে - ককেইনৰ ক'ক, চাৰ্লি, তুং হিৰইনৰ গিয়েৰ, হৰ্চ, জাংক, মাৰিজুৱানাৰ পট, গ্ৰাছ, ৱিড, ড'প, গাজা; ট্ৰাইং কুলাইজাৰৰ শ্লিপিং পিল, বাব, ব্লু-ডেভিল, য়েলজেকেট; ইথানলৰ হুইস্কী, ৰাম, জিন, ডাকো ইত্যাদি। যেনেদৰে ড্ৰাগছৰ ঠাই ভেদে

প্ৰচলিত নাম আছে তেনেদৰে ইয়াৰ মূল্য আৰু সেৱনৰ ধৰণও বেলেগ বেলেগ। ড্ৰাগছৰ মূল্য ১০ টকাৰপৰা আৰম্ভ কৰি প্ৰতি গ্ৰামত ৫০০০.০০ টকা পৰ্যন্ত আছে। ড্ৰাগছৰ ভিতৰত কোকেইন নামৰ ড্ৰাগছবিধ সৰ্বাধিক দামৰ ড্ৰাগছ। ইয়াক বেজীৰ চিৰিঞ্জেৰে, ধূমপান আৰু উশাহেৰে সেৱন কৰা হয়। ক্ৰমাগত ড্ৰাগছ সেৱনৰ ফলত শৰীৰত কিছুমান প্ৰভাৱ বিস্তাৰ হয় যাৰ ফলত ড্ৰাগছ গ্ৰহণকাৰীয়ে নানা ধৰণৰ উপসৰ্গত আক্ৰান্ত হয়। ভোক নলগা, ৰক্তহীনতা, দেহৰ ওজন কমি যোৱা, চকু ৰঙা পৰি থকা, দৃষ্টিশক্তি কমি যোৱা, চলন-ফুৰণত অস্থিৰতা, ভ্ৰম হোৱা, যৌন শক্তি হ্ৰাস পোৱা, শক্তিহীনতা আদি নানা ধৰণৰ উপসৰ্গত ড্ৰাগছ গ্ৰহণকাৰীয়ে আক্ৰান্ত হৈ ৰোগ নিৰাময় অসাধ্য হৈ পৰে।

বিশ্বৰ কেইগৰাকীমান বিখ্যাত ব্যক্তিয়ে এনে ভয়ঙ্কৰ মাদক দ্ৰব্যক জীৱনৰ সঙ্গী হিচাবে আকোঁৱালি লৈছিল। ফ্ৰয়েডীয় সূত্ৰৰ জনক চিগমাণ্ড ফ্ৰয়েডয়ে মানসিক অৱসাদ আৰু অৱনমিত যৌনস্পৃহাৰ বাবে মাত্ৰাধিক ককেইন সেৱন কৰিছিল যাৰ ফলত তেওঁৰ মৃত্যু হৈছিল। ৰ'বাৰ্ট ডাউনি (অভিনেতা) আৰু অভিনেত্ৰী মেৰিলিন মনৰ' ড্ৰাগছ সেৱনৰ বাবেই মৃত্যুক সাৱটি ল'ব লগা হৈছিল। বিশ্বৰ এগৰাকী কুখ্যাত নেতা এডলফ হিটলাৰ, তেওঁ ক'কেইন, যৌন শক্তিবৰ্ধক হ'ৰমন চেষ্ট'ভিৰণ আদি মাদক দ্ৰব্যক জীৱনৰ অভিন্ন অংগ হিচাবে ৰাখিছিল। আনহাতে বলিউদৰ এগৰাকী অভিনেতা সঞ্জয় দত্ত মাদক দ্ৰব্য সেৱনৰ বাবে বিখ্যাত। অৱশ্যে তেওঁ শেহতীয়াকৈ ড্ৰাগছ সেৱনৰ পৰা নিস্তাৰ পাবলৈ সক্ষম হৈছে।

আন্তঃ ৰাষ্ট্ৰীয় পৰ্য্যায়ত ড্ৰাগছৰ বিশ্বব্যাপী প্ৰসাৰ এনেদৰে বিয়পিছে যেন ই এক সংস্কৃতিত পৰিণত হৈছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ নতুন প্ৰজন্মৰ মাজত 'ৰক কালছাৰ' যেনেদৰে জনপ্ৰিয় তেনেদৰে 'ড্ৰাগছ কালছাৰো' জনপ্ৰিয়। ফ্ৰান্স, ইংলেণ্ড, নেদাৰলেণ্ড, চুইডেন আৰু এছিয়াৰ দেশসমূহটো ড্ৰাগছ বিপুল জনপ্ৰিয় দেখা যায়। অৱশ্যে শেহতীয়াকৈ ড্ৰাগছ নিৰ্মূলৰ কাৰণে কিছুমান বিশেষ ধৰণৰ কাৰ্যসূচী হাতত লোৱা দেখা যায়। পশ্চিমীয়া দেশসমূহৰ ভিতৰত চুইডেনৰ সংগঠন 'ছুইডিছ ৰেড কমিছন'টোয়ে একমাত্ৰ ড্ৰাগছ বিৰোধী অভিযানৰ সংগঠন। কিছুমান দেশত ড্ৰাগছ বিৰোধ সম্পূৰ্ণ ব্যতিক্ৰম। এনে দেশত ৰাজহুৱা ভাৱে ড্ৰাগছ সেৱন কৰিলেও কোনো ধৰণৰ শাস্তি দিয়া নহয়। স্পেইন, পৰ্টুগাল আৰু জাপানত ড্ৰাগছ সেৱনকাৰীক আইনমতে দণ্ডণীয় বুলি ধৰা নহয়। ■

আমাৰ ব্যক্তি আৰু সামাজিক জীৱনত জ্যোতিপ্ৰসাদে পূৰ্ণতাৰ সপোন দেখিছিল আৰু তাৰে সাধনা নিজৰ জীৱনেৰে কৰিছিল। সীমাবদ্ধতাৰ ভিতৰতে অনুভূতিৰ সূক্ষ্মতা, চিন্তাৰ গভীৰতা, মনীষাৰ প্ৰখৰতা, উপলব্ধিৰ নিবিড়তা, বিশ্বাসৰ উদাৰতা আৰু দায়িত্ববোধৰ আন্তৰিকতাই তেওঁৰ ব্যক্তিত্বক এনে এক সম্পূৰ্ণতা দিছে যাৰ মাজত আমি বিচাৰি পাইছোঁ স্থায়িত্বৰ প্ৰত্যয় আৰু প্ৰগতিৰ অঙ্গীকাৰ - এই সম্পূৰ্ণতাৰ আভাস মাত্ৰ বিদ্যমান জ্যোতিপ্ৰসাদৰ কলা-সৃষ্টিত।

- ড° বীৰেন্দ্ৰ নাথ দত্ত

# প্ৰেম

ৰাকেশ ৰায়
স্নাতক তৃতীয় বৰ্ষ (কলা)



'প্ৰেম' শব্দটো কেতিয়া আৰু ক'ত প্ৰথমে উৎপত্তি হ'ল সেই সম্পৰ্কে সঠিককৈ কোৱা টান। কিন্তু তথাপিও আনুমানিক হিচাপে ক'ব পাৰি যে যেতিয়াৰ পৰাই পৃথিৱীৰ জীৱজগতৰ সৃষ্টি হ'ল তেতিয়াৰ পৰাই প্ৰেমৰ উৎপত্তি হ'ল। ইয়াতে এটা কথা কোৱা প্ৰয়োজন সেয়া হ'ল সেই সময়ত হয়টো 'প্ৰেম' শব্দটোক নামাকৰণ কৰা হোৱা নাছিল। কিন্তু সময়ৰ পৰিবৰ্তনৰ লগে লগেই মানুহেই প্ৰেম শব্দটো আৱিস্কাৰ কৰিলে আৰু মানুহেই ইয়াৰ প্ৰকৃত অৰ্থ দিলে। বৰ্তমান সময়ত প্ৰেম বুলি ক'লে আমি সকলোৱে জানো যে ই দুখন হৃদয়ৰ মিলন। কিন্তু মই ক'ব বিচাৰো যে বৰ্তমানত প্ৰেম দুখন পৱিত্ৰ আৰু নিকা হিয়াৰ মিলন। এই যুক্তি দিয়াৰ মূলতে হ'ল সকলো মানুহৰেই একোখন কোমল হৃদয় আছে, কিন্তু এই হৃদয় সকলোৰে পৱিত্ৰ আৰু নিকা নহ'বও পাৰে। সেয়েহে বৰ্তমানত দুখন পৱিত্ৰ হৃদয়ৰ মিলনেহে প্ৰেম।

প্ৰেম পৃথিৱীৰ সকলো জীৱৰ মাজতেই হয় যদিও মই বিশেষত নাৰী আৰু পুৰুষৰ মাজত সংঘটিত হোৱা প্ৰেমৰ বিষয়ে আলোচনা কৰিবলৈ ওলাইছো। আগতেই উল্লেখ কৰি আহিছো যে প্ৰেম দুখন পৱিত্ৰ হিয়াৰ মিলন। তথাপিতো ইয়াৰ কিছুমান বিশেষ লক্ষণৰ ওপৰত ভিত্তি কৰি বৰ্তমানে ইয়াক প্ৰধানত দুটা ভাগত ভাগ কৰিছো। প্ৰেমৰ সেই প্ৰধান ভাগ দুটা হ'ল -

(ক) এক পক্ষীয় প্ৰেম আৰু

(খ) উভয় পক্ষীয় প্ৰেম।

**একপক্ষীয় প্ৰেম ঃ**

যদিওবা প্ৰথমে দুখন হিয়াৰ মিলনকেই প্ৰেম বুলি কোৱা হৈছে তথাপিতো এখন হৃদয়ে আন এখন হৃদয়ক পৱিত্ৰ ভাৱে পাবলৈ বিচৰাটোও প্ৰেম বুলি ক'বলৈ মই বাধ্য। কাৰণ এই ধৰণৰ প্ৰেমত ল'ৰা বা ছোৱালীৰ যি কোনো এজনে আন এজন ল'ৰা বা ছোৱালীক নিজৰ জীৱনৰ সংগী কৰি ল'ব বিচাৰে। এনেধৰণৰ প্ৰেমত উক্ত ব্যক্তিজনে তেওঁ পাবলৈ বিচৰা প্ৰেমিক বা প্ৰেয়সীজনীক আন্তৰিকভাৱে ভাল পায়। কিন্তু ইয়াতে এটা কথা উল্লেখ কৰা দৰকাৰ যে পাবলৈ বিচৰা প্ৰেমিক বা প্ৰেয়সীজনীক তেওঁ হয়তো নাপাবও পাৰে বা সেই প্ৰেমিক বা প্ৰেয়সীজনীয়ে তেওঁক হয়তো ভাল নাপাবও পাৰে। সেই বুলি আমি সেই সদাশয় ব্যক্তিজনৰ এইটো প্ৰেম নহয় বুলি ক'ব নোৱাৰো। কাৰণ সেই ব্যক্তিজনে বিচৰা প্ৰেয়সী বা প্ৰেমিকজনক নাপালেও সদায় তেওঁৰ প্ৰতি তেওঁৰ আন্তৰিক ভাল পোৱা ৰৈ যায়। এনেধৰণৰ প্ৰেমকে মই - এক পক্ষীয় প্ৰেম বুলি আখ্যা দিবলৈ ওলাইছো। এই প্ৰেম বৰ্তমান সমাজত যথেষ্ট পৰিমানে হোৱা দেখা যায় যদিও ইয়াৰ কৃতকাৰ্য্যতা খুব কম। এনে প্ৰেমত ভুক্ত-ভূগীসকলে জীৱনৰ বেছি ভাগ সময় মানসিক বেদনাত ভূগিব লগা হয়।

**উভয় পক্ষীয় প্ৰেম ঃ**

প্ৰকৃততে উভয় পক্ষীয় প্ৰেমেহে আচল প্ৰেম। এই প্ৰেমত দুজন নাৰী-পুৰুষৰ হৃদয়ৰ মিলন ঘটে। সেয়েহে এই প্ৰেমেহে বাস্তৱ জীৱনত জীয়াই থাকিবলৈ সক্ষম হয়। উভয়পক্ষীয় প্ৰেম পৃথিৱীত মানৱ জাতিৰ উৎপত্তিৰ লগে লগেই সৃষ্টি হৈছিল। তথাপিও বৰ্তমান সময়ৰ পৰিবৰ্তনক লক্ষ্য ৰাখি মই ইয়াক কেইবাটাও বিশেষ ভাগত বিভক্ত কৰিবলৈ ওলাইছো। সেই কেইটা হ'ল -

(ক) শাৰীৰিক প্ৰেম

(খ) মানসিক প্ৰেম আৰু

(গ) শাৰীৰিক-মানসিক প্ৰেম।

**শাৰীৰিক প্ৰেম ঃ**

শাৰীৰিক প্ৰেমক সাধাৰণতে দৈহিক প্ৰেম বুলিও ক'ব পাৰি। এই প্ৰেমৰ মূল অৰ্থই হ'ল দৈহিক সৌন্দৰ্য। দৈহিক সৌন্দৰ্য্যক ভিত্তি কৰিয়েই এই প্ৰেম গঢ়ি উঠিছে। এই প্ৰেমক প্ৰেম নুবুলি কিছুমানে মনৰ লিপ্সা পুৰণৰ উপায় বুলিও ক'ব খোজে; কিন্তু এইটো সত্য নহয়। কাৰণ এই ধৰণৰ প্ৰেমত উভয় পক্ষই উভয়ৰ সৌন্দৰ্য্যৰ ওপৰত সন্তুষ্টি লাভ কৰে অৰ্থাৎ দুয়োজন স্ত্ৰী-পুৰুষে তেওঁলোকে বিচৰা সৌন্দৰ্য্য বিচাৰি পোৱাৰ ফলত তেওঁলোকৰ মাজত প্ৰেমৰ উৎপত্তি হয়। সেয়েহে এনেধৰণৰ প্ৰেমত দুয়োজন নাৰী, পুৰুষেই ধুনীয়া, সুঠাম হোৱাটো বাঞ্চনীয়। ইয়াত গুণ বা স্বভাৱ-চৰিত্ৰৰ প্ৰভাৱ নাই বুলিয়েই ক'ব পাৰি। যি কি নহওঁক যদিওবা ইয়াক মই প্ৰেম বুলি আখ্যা দিছো তথাপিতো ই সত্য প্ৰেম নহয়। ই এক অস্থায়ী প্ৰেম। কাৰণ যৌৱনৰ সৌন্দৰ্য্য সময়ৰ সোঁতত নাইকিয়া হৈ যায় আৰু তেতিয়াই এই প্ৰেমৰ মাজত অস্থিৰতাই দেখা দিয়ে। সেয়েহে এনেধৰণৰ প্ৰেমেই মানুহৰ জীৱনত সুখী-সংসাৰ গঢ়াত বাধাৰ সৃষ্টি কৰে।

**মানসিক প্ৰেম ঃ**

মানসিক প্ৰেম এক আধ্যাত্মিক প্ৰেম। এই প্ৰেম সৌন্দৰ্য্যৰ ওপৰত ভিত্তি কৰি গঢ়ি নুঠে। এই প্ৰেম দুখন হিয়াৰ মিলাপ্ৰীতিৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠে। যেতিয়া এযোৰ নাৰী-পুৰুষে তেওঁলোকৰ সৌন্দৰ্য্যক পৰিত্যাগ কৰি তেওঁলোকে তেওঁলোকৰ দুখন হৃদয়ক নিকা আৰু পৱিত্ৰ কৰি এজনে আনজনৰ প্ৰতি আন্তৰিক ভালপোৱা দেখুৱায় তেতিয়াই সেই প্ৰেমক মানসিক প্ৰেম বুলি কোৱা হয়। ৰমিঅ'-জুলিয়েট, মিৰি-জীয়ৰী, দেৱদাস আদি উপন্যাসত উল্লেখিত প্ৰেমিক-প্ৰেমিকাৰ প্ৰেম এক ধৰণৰ মানসিক প্ৰেম। এনে ধৰণৰ প্ৰেমত দৈহিক সৌন্দৰ্য্যৰ স্থান নাই। সেয়েহে কেতিয়াবা এজন সুন্দৰ সুঠাম ল'ৰাইও এজনী কুৎচিত ছোৱালীক ভাল পায় আৰু এজনী ধুনীয়া ছোৱালীয়েও এজন দেখাত বেয়া ল'ৰাক ভাল পায় পেলায়। ইয়াৰ মূল কাৰণ হ'ল -

সিহঁতে এজনে আন এজনৰ দৈহিক সৌন্দৰ্য্যক ভাল নাপায় বৰং সিহঁতে সিহঁতৰ মনটোকহে ভাল পায়। এই প্ৰেম বাস্তৱত খুব কম যদিও কেতিয়াবা দুই এটা দেখিবলৈ পোৱা যায়। এই প্ৰেম সত্য আৰু ইয়াৰ কেতিয়াও অন্ত নাই।

**শাৰীৰিক-মানসিক প্ৰেম ঃ**

আগতে আলোচনা কৰি অহা প্ৰেমৰ ভাগ বিলাকৰ ভিতৰত এই প্ৰেমেই যথেষ্ট আগবঢ়া। এই প্ৰেম অতীত বৰ্তমান আৰু ভৱিষ্যতলৈকে পৃথিৱীত বিৰাজমান হৈ থাকিব। এই ধৰণৰ প্ৰেমত দৈহিক সৌন্দৰ্য্যৰ উপৰিও মনৰ পৱিত্ৰতাৰো অতি প্ৰয়োজন। এই ধৰণৰ প্ৰেমত দৈহিক সৌন্দৰ্য্যৰ উপৰিও মনৰ পৱিত্ৰতাৰো অতি প্ৰয়োজন। অতীতৰ শকুন্তলা, মনোমতী আদি উপন্যাসবোৰত দেখুওৱা হৈছে যে প্ৰথমে নায়ক-নায়িকাৰ মাজত দৈহিক সৌন্দৰ্যৰ ওপৰত ভিত্তি কৰি মিলন ঘটে। কাৰণ ইয়াত নায়ক-নায়িকাৰ এজনে আনজনক ক'ৰবাত আৰু কিবা এটা অজুহাতত প্ৰথমে দেখা পায় আৰু প্ৰথম মিলনতে এজনে আনজনৰ সৌন্দৰ্য্যৰ প্ৰতি আকৃষ্ট হয়। এইদৰে প্ৰথম পৰ্য্যায় যোৱাৰ পিছতহে কথা বতৰাৰ জৰিয়তে মনৰ মিলন ঘটে। সেয়েহে এই উপন্যাসবোৰত উল্লেখিত প্ৰেম এই প্ৰেমৰ অন্তৰ্ভূক্ত।

ইয়াক সাধাৰণ অৰ্থত মানসিক প্ৰেম বুলি ক'ব পাৰি, কাৰণ উপন্যাসবোৰত উল্লেখিত নায়ক-নায়িকাৰ প্ৰেম এক প্ৰকৃত প্ৰেম। এই প্ৰেম মৃত্যুৰ পিছতো জীয়াই থাকে।

শাৰীৰিক-মানসিক প্ৰেমত প্ৰথমে একোযোৰ নাৰী-পুৰুষে তেওঁলোকৰ দৈহিক সৌন্দৰ্য্যৰ প্ৰতি আকৃষ্ট হয় আৰু পিছত পৰিচয় আৰু বাৰ্তালাপৰ জৰিয়তে যদি সিহঁতে এজনে আন এজনৰ হৃদয়ৰ সৈতে মিলিব বা খাপ খাব পাৰে, তেতিয়াই তেওঁলোকৰ মাজত প্ৰেম উৎপত্তি হয়। এই ধৰণৰ প্ৰেমত সেই কাৰণে দুয়োটা উপাদানৰেই দৰকাৰ। কাৰণ শাৰীৰিক প্ৰেমৰ দৰে অকল দৈহিক সৌন্দৰ্য্য হ'লেই নহ'ব ইয়াত মানসিক সৌন্দৰ্য্য থকাও দৰকাৰ। এই প্ৰেম স্থায়ী আৰু বৰ্ত্তমান সময়ত যথেষ্ট পৰিমানে চলিত প্ৰেম।

'প্ৰেম' নামৰ এই প্ৰৱন্ধটি সম্পূৰ্ণ মোৰ নিজস্ব জ্ঞান আৰু অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি লিখা হৈছে। সেয়েহে এই প্ৰৱন্ধটিত কিবা ভূল থকাটো স্বাভাৱিক। সেই হেতুকে পাঠকসকলৰ ওচৰত মোৰ এক সৰল অনুৰোধ যে যদি এই প্ৰৱন্ধটিত কিবা ভূল ক্ৰটি ৰৈ গৈছে তেন্তে আপোনালোকে সেই ভূল দেখুৱাই দি পৰম উপকাৰ সাধিব আৰু লগতে প্ৰৱন্ধটি পঢ়ি কেনে অভিজ্ঞতা পালে পাৰিলে জনাব বুলি আশা ৰাখিলো। ইয়াৰ লগতে মই আৰু কেই আষাৰমান ক'বলৈ ওলাইছো; সেয়া হ'ল - প্ৰেম সকলোৰে জীৱনত সাৰ্থক নহ'বও পাৰে। কাৰণ ই এক ঈশ্বৰৰ দান। সেয়েহে যিবিলাকৰ জীৱনত প্ৰেম গঢ়ি নুঠে বা প্ৰেমত ব্যৰ্থ হৈছে তেওঁলোকলৈ মোৰ এক অনুৰোধ যে তেওঁলোকে প্ৰেমৰ ব্যৰ্থতাকে জীৱনৰ আটাইতকৈ ডাঙৰ ব্যৰ্থতা বুলি ভাবি নিৰাশ নহ'ব। প্ৰেম মানুহৰ জীৱনৰ এটা অধ্যায় যদিও মানৱ জীৱনৰ সংগ্ৰামত জয়ী হ'বলৈ হ'লে মানুহক আৰু যথেষ্ট কৰণীয় কাম কৰি যাব লাগিব। সেয়েহে নিৰাশ নহৈ জীৱন সংগ্ৰামৰ আটাইতকৈ প্ৰয়োজনীয় আৰু গুৰুত্বপূৰ্ণ কামবোৰ কৰি গৈ নিজৰ জীৱনক এক সাৰ্থক জীৱন কৰি গঢ়ি তুলিব বুলি আশা ৰাখিলো। ■

> সমগ্ৰ উত্তৰ-পূৰ ভাৰতৰ লোক সাহিত্য বৈজ্ঞানিক পদ্ধতিৰে সংৰক্ষণ নোহোৱাত চিৰদিনৰ বাবে পাহৰণিৰ গৰ্ভত বিলীন হৈছে। ফকৰা-যোজনা, সাঁথৰ আদিৰ প্ৰাচীনতাধৰ্মী চৰ্চ্চা একেবাৰেই নাইকীয়া হৈ পৰিছে। যথাৰ্থতে লোক সাহিত্যৰ অপমৃত্যু ঘটিছে আধুনিক শিক্ষাৰ পাশ্চাত্যমুখী প্ৰভাৱতেই।
>
> - লীলা গগৈ



# অসমীয়া বিভাগ

## গল্প

# প্ৰতীক্ষা



***. . . সি কেৱল দৌৰিছে। ঘড়ীটোলৈ চালে ৮ বাজি ১০ মিঃ। অৰ্থাৎ আৰু ২০ মিনিট পিছতে বোমাটো বিস্ফোৰণ হ'ব। নাই সি তাৰ মাক-দেউতাকক নিঠৰুৱা কৰিলেও তাৰ বাইদেউজনীক নিঠৰুৱা কৰিব নোৱাৰে। সি বোমাটো নিস্ক্ৰিয় কৰিব। সি কেৱল দৌৰিছে। 'গাড়ী এখন মান অহা হ'লে।' আজি যে সিহঁতেই বন্ধ দিছে গাড়ী ক'ৰ পৰা চলিব। ৰাজীৱৰ নিজৰ ওপৰতে খং উঠিল। কলেজ পাবলৈ বহু বাকী, সি বেগাই দৌৰিছে।***

**হিতেন ৰায়**
স্নাতক দ্বিতীয় বৰ্ষ

(এক)

আজিকালি অনবৰতে নীলিমাৰ মনত কিবা ভয় ভয় ভাব এটা লাগি থাকে। তাই বিচনাতে বাগৰ এটা সলালে। তাই জানে যে টোপনি ইমান সহজে তাইৰ নাহে। কাষতে শুই থকা গিৰিয়েক অনুপলৈ তাই চালে। অনুপ কোনো সাৰ সুৰ নোহোৱাকৈ নাক ঘোৰ-ঘোৰাই শুই আছে। হয়তো অনুপে কথাবিলাক চিন্তা কৰিবলৈ এৰিছে নাইবা দিনটোৰ ভাগৰতে তেওঁৰ টোপনি আহিছে। হওক অন্তঃত টোপনি আহিছে যে। নীলিমাই চকু দুটা জপাই কৃষ্ণৰ নাম জপ কৰিবলৈ ধৰিলে, কিজানিবা অলপমান টোপনি আহেই। বিগত বহুদিন ধৰি টোপনি বোলা বস্তুটোৰ লগত তাইৰ ৰাহি জোৰা অহাই নাই। গিৰিয়েকৰ নাকৰ ঘোৰ-ঘোৰণি, কুকুৰৰ ভুকভুকনি, ফেঁচাৰ কুৰুলি এইবোৰ শুনিয়েই তাই ৰাতিৰ এন্ধাৰবোৰ গণি গণি পাৰ কৰি দিয়ে।

নীলিমাই এইবাৰ মন কৰিলে দুৱাৰত যেন কোনোবাই সৰুকৈ টুকুৰিয়াইছে আৰু কৈছে -

ঃ 'মা, দুৱাৰখন খুলি দিয়া; মই দেৱ'।

নীলিমাই ভাবে সঁচাকৈয়ে দেৱ আহিছে, দেৱই কিজানি মাতিছে। বিচনাৰ পৰা উঠি গৈ নীলিমাই সন্তৰ্পনে দুৱাৰ খুলি দিয়ে। দুৱাৰ খুলি ইফালে-সিফালে চাই দেখে কোনো নাই। নীলিমাই এনেকৈ বহুদিন দুৱাৰ খুলি দিছে। মাজে মাজে তাই দুৱাৰৰ খিল নলগায়ো। তাই ভাবে কিজানি সি তাইক চাবলৈ, বিয়া হৈ যোৱা তাৰ বাইদেউক চাবলৈ, বুঢ়া দেউতাকক চাবলৈ অন্ততঃ এবাৰ আহেই। নাই দেৱ নাহে। নাহে কোনোদিনেই। যোৱা আঠ বছৰে সিবা কিমান ডাঙৰ হ'ল। ডাঢ়ি গোফে, তাক বাটত দেখিলে

তাইৰ কিজানি চিনি পাবলৈ টান হ'ব।

নীলিমাৰ একমাত্ৰ ল'ৰা দেব, দেৱপ্ৰতিম বৰুৱা। কেৱল পঢ়াৰ ক্ষেত্ৰতে নহয় গাওঁখনৰ ভিতৰতে সি এটা ভাল ল'ৰা আছিল। মেট্ৰিকত ফাৰ্ষ্ট ডিভিজন পোৱাৰ পিছত তাক কটন কলেজত এডমিছন কৰাই দিলে। কলেজতো সি ভাল ৰিজাল্টেই কৰিব ধৰিলে। স্নাতক তৃতীয় বাৰ্ষিকলৈ সকলো ঠিকেই আছিল। হঠাৎ জানো কি হ'ল - সি মাকলৈ এখন চিঠি লিখিলে - 'পূজনীয়া মা, সেৱা ল'ব। মই দেশৰ সেৱাত ওলালো। নাজানো কিমান দিন পিছত ঘুৰি আহিম। আজিৰ পৰা তোমালোকৰ কোনো পুত্ৰ নাই বুলি ধৰি ল'বা। আৰ্শীবাদ কৰিব - 'দেব'।' চিঠিখন পঢ়ি নীলিমাই একো বুজি নাপালে। এইটো বাৰু কেনেকুৱা দেশৰ সেৱা যাৰ কাৰণে তাই তাক পাহৰি যাব লাগে। দেব সেইযে গ'ল গ'লেই। আজি অ'ত বছৰে নীলিমাই তাক এবাৰো নেদেখিলে।

(দুই)

এইবাৰো দায়িত্বটো ৰাজীৱৰ হাততে পৰিল। এনে ধৰণৰ দায়িত্ব তাৰ বাবে এক প্ৰকাৰ বিলাসীতাহে মাথোন। সংগঠনত সোমোৱা দিন ধৰি আজিলৈকে এনে এটা কাম ওলোৱা নাই যিটো সি কৰিব পৰা নাই; সকলো দায়িত্ব সি অতি নিষ্ঠাৰে পালন কৰি আহিছে। যাৰ কাৰণে অতি কম সময়তে সংগঠনৰ উচ্চ খাপৰ নেতাৰ সৈতে তাৰ ঘনিষ্ঠতা গঢ়ি উঠিছিল।



পূৰ্বে নিৰ্দিষ্ট কৰি থোৱা ঘৰটোৰ সন্মুখত ৰাজীৱহঁতক নমাই থৈ গাড়ীখন গুচি গ'ল। সিহঁতৰ পৰিকল্পনা আৰু শীৰ্ষমহলৰ নিৰ্দেশমতে আজি ৰাতিটো আৰু কাইলৈ দিনটো এইখন ঘৰতে কটাই কাইলৈ নিশাতে কামটো শেষ কৰিব লাগে। কামখিনি শেষ কৰিয়ে সিহঁতে কলং পাৰলৈ ৰাওনা হ'ব। শেষ নিশাতো তাতে জিৰণী লোৱাৰ পিছত পুৱা ন-বজাত সিহঁতৰ গাড়ী আহি নাগালেণ্ডৰ সমীপৱৰ্তী গাওঁ এখনলৈ যাব আৰু তাৰ পৰা মূল শিবিৰলৈ উভতি যাব। বিপ্লৱী সংগঠনৰ নিয়মমতে পোন্ধৰ আগষ্ট, ছাব্বিছ জানুৱাৰীত এনেকুৱা কাম কৰিব লাগে তেতিয়াহে সংগঠনৰ অস্তিত্ব জিলিকি উঠিব। চৰকাৰে থৰকাছুটি হেৰুৱাব, জনসাধাৰণে চৰকাৰী কাৰ্য্যসূচীৰপৰা বিৰত থাকিব। বিৰোধী দলে জনসাধাৰণৰ নিৰাপত্তাৰ দাবীত চৰকাৰক থকা-সৰকা কৰিব। বাতৰি কাকতবোৰত চৰকাৰৰ ব্যৰ্থতা সম্বন্ধে প্ৰচুৰ সমালোচনা হ'ব। বিদ্ৰোহী সংগঠনবোৰে সংগঠনৰ অস্তিত্ব, শক্তি আৰু দৃঢ়তা প্ৰকাশৰ বাবে প্ৰায়ে এনে কাম কৰিবলগীয়া হয়।

২৫ জানুৱাৰী পুৱা। ৰাতিটো কটোৱাৰ পিছত ৰাজীব পদূলিলৈ ওলাই আহিছে। পুৱাৰ নগৰখনেও সাৰ পাইছে। পুৱা আকাশত উদীয়মান সূৰ্য্যৰ ৰাঙলী আভা বিয়পি পৰিছে। ৰাষ্টাৰ একাষে ৰৈ থকা কয়লা ট্ৰাকবোৰ হেও .... হে .... ও .... কৈ ষ্টাৰ্ট কৰিছে। এইখন ঠাইত তাক চিনি পাওঁতা কোনো নাই। হাবি বননিয়ে ঘুৰি-ফুৰা ৰাজীৱৰ মনটো আজি মুকলি মুকলি যেন লাগিছে। তাক নিজকে অন্য পৃথিৱীত আহি পোৱা যেন লাগিছে। এজাক ল'ৰা-ছোৱালী খিল্ খিলকৈ হাঁহি তাৰ সন্মুখেৰে টিউচনলৈ গৈছে। সিওঁতো এদিন এই ল'ৰা-ছোৱালীবোৰৰ দৰে স্কুললৈ গৈছিল। সি বাৰু ক'ৰবাত ভুল কৰিলে নেকি ? নাই, নাই সি ভুল কৰা নাই। আৰু ভুল কৰিলেও সি জানো উভতি যাব পাৰিব ! কিয় জানো তাৰ আজি মাকলৈ বৰকৈ মনত পৰিছে। মাক এবাৰ দেখা হ'লে; কিন্তু সি যে এতিয়া বহু আঁতৰত। কিবা কিবি ভাবি থাকোতে তাৰ মনত পৰিল, তাৰ বাইদেউচোন হাইস্কুলত পঢ়ি থাকোতে বিয়া হৈছি আৰু চাকৰি সূত্ৰে তাৰ ভিনি কলংপাৰ নৌপাওতেই সোনাপুৰত ঘৰ মাটি কৰিছে। আজি ৰাতি সিহঁতেতো কলংপাৰলৈ যাবই। সৰুতে বাইদেউৰ লগত ফটাকানিৰ দৰা কইনা খেলা সি পাহৰিব পৰা নাই। ঘৰৰ প্ৰতি তাৰ আজি কিবা মোহ জাগিছে। সি হিচাপ কৰি চালে সংগঠনত আহিবৰ সময়ত তাৰ ন-বছৰীয়া ভাগিনীজনী

এতিয়া চাগে গাভৰু হৈছে। তাক দেখিলে মামা আহিছে বুলি তাই কম চিঞৰ বাখৰখন লগাবনে। নাই সি পাঁচ মিনিটৰ বেছি তাত নাথাকে। কথাবোৰ ভাবি ভাবি ৰাজীৱ চাৰিআলিত উপস্থিত হ'ল। হোটেল এখনত চাহ খাই এখন কিতাপৰ দোকানত সোমাল। তাৰ ভাগিনীজনীৰ বাবে এখন ডিক্সনাৰী ল'লে। তাৰ পিছত বেগা-বেগিকৈ উভতিল।

নিশা এক বজাত লগৰ কেডাৰ দুজনক লগত লৈ ৰাজীৱ নগৰখনৰ মাজ মজিয়াত থকা কলেজখনত উপস্থিত হ'ল। কাইলৈ ৰাজ্যৰ গৃহমন্ত্ৰী আহিব কলেজত গণতন্ত্ৰ দিৱসৰ কাৰ্য্যসূচীত ভাগ ল'বলৈ। খেল পথাৰৰ যি অংশত পতাকা উত্তোলন কৰা হ'ব সেই ডোখৰ ঠাইৰ ঘাঁহখিনি বৃত্তাকাৰে চাফা কৰি থোৱা আছে। গতিকে সিহঁতৰ বিচাৰি উলিওৱাত বেছি পৰ নালাগিল। ৰাজীৱে ইফালে-সিফালে চালে কোনো নাই। অতি সৰ্ন্তপনে লগত নিয়া বোমাটো এটা গাঁতত স্থাপন কৰিলে। সময় নিৰ্দ্ধাৰিত কৰি থ'লে পুৱা ৮.৩০ বজাত। তাৰ পিছত আৰু পলম কৰাৰ কোনো কাৰণ নাই। সিঁহত তিনিটাই ভিতৰুৱা ৰাস্তাৰে খোজ ল'লে। ১৫ কিঃ মিঃ মান খোজকাঢ়ি কলং পাৰ পালে। তাতে এঘৰত ৰাতিটোৰ বাকীছোৱা সময় কটালে। পুৱা সিহঁতৰ সংগঠনৰ গাড়ী আহি লৈ যোৱাৰ কথা।

ৰাতিপুৱা চাহ খাই লগৰ দুজনক তাতে এৰি ৰাজীৱে আনখন গাওঁ সোনাপুৰলৈ খোজ ল'লে। লগৰ দুজনৰ তীব্ৰ বাধা ৯ বজাত গাড়ী আহিবই তাতে আজি গণতন্ত্ৰ দিৱস। নাই, ৰাজীৱ গ'ল।

ৰাজীৱে চুইচ টিপিলে, ভিতৰত কলিং বেলটো বাজি উঠিল। অলপ পিছতে স্বপ্না ওলাই আহিল। প্ৰথম দৃষ্টিত স্বপ্নাই ৰাজীৱক চিনিব পৰা নাই। ৰাজীৱ নিৰ্বিকাৰ। অলপ পিছতে চিনিব পাৰি -'আৰেঃ ভাইটী তুমি, ইমান দিনৰ মুৰত।'

স্বপ্নাই ৰাজীৱৰ হাতত জোৰেৰে খামোচ মাৰি ধৰিলে আৰু হুক হুকাই কান্দি উঠিল। স্বপ্নাই এইবাৰ প্ৰকৃতিস্থ হৈ ৰাজীৱক বহিব দিলে। ৰাজীৱে কাষৰ চোফাখনতে ডিক্সনাৰীখন থ'লে আৰু পোনে পোনে জোনালীৰ কথা সুধিলে। কিন্তু সি বাইদেউৰ মুখত এয়া কি শুনিছে - 'জোনালী নাই। তাই হোষ্টেলত থাকে। এইবাৰ ছেকেণ্ড ইয়াৰত। মাঘ বিহুত আহিছিল।' ৰাজীৱৰ যেন নিজৰ কান দুখনকে বিশ্বাস হোৱা নাই। তাৰ মানে, তাৰ মানে তাৰ একমাত্ৰ ভাগিনীজনীয়ো সি পুতি থোৱা বোমাটোৰ আক্ৰমণৰ বলী হ'ব। নাই নোৱাৰে, সেইটো কেতিয়াও হ'ব নোৱাৰে। বাইদেউক মাত নিদিয়াকৈ একে কোবে সি বাটলৈ দৌৰিলে। সি কেৱল দৌৰিছে। ঘড়ীটোলৈ চালে ৮ বাজি ১০ মিঃ। অৰ্থাৎ আৰু ২০ মিনিট পিছতে বোমাটো বিস্ফোৰণ হ'ব। নাই সি তাৰ মাক-দেউতাকক নিঠৰুৱা কৰিলেও তাৰ বাইদেউজনীক নিঠৰুৱা কৰিব নোৱাৰে। সি বোমাটো নিস্ক্ৰিয় কৰিব। সি কেৱল দৌৰিছে। 'গাড়ী এখন মান অহা হ'লে।' আজি যে সিহঁতেই বন্ধ দিছে গাড়ী ক'ৰ পৰা চলিব। ৰাজীৱৰ নিজৰ ওপৰতে খং উঠিল। কলেজ পাবলৈ বহু বাকী, সি বেগাই দৌৰিছে। ঘড়ীলৈ চালে আৰু মাত্ৰ ৩০ চেকেণ্ড। ৰাজীৱ ৰৈ গ'ল। অলপ পিছতে শুনিবলৈ পালে দূৰৈৰ পৰা ভাহি অহা এটা প্ৰচণ্ড শব্দ - 'গু - ৰু - ম'। লগে লগে ভাহি আহিল বিভিন্নজনৰ আৰ্তনাদ। চাৰিওফালে হুৱা-দুৱা লাগি গ'ল।

ৰাজীৱৰ মুৰটো আচন্দ্ৰাই কৰা যেন লাগিল। সি সিদ্ধান্ত ল'লে সি আৰু সংগঠনত নাথাকে। সি আৰু হেজাৰ হেজাৰ ভাগিনীক হত্যা নকৰে। সি লগৰ দুজনকো বিচাৰি নাযায়। সি আত্মসমৰ্পন কৰিব। কিন্তু তাক জানো স্বপ্না বায়ে ক্ষমা কৰিব। নাই সেইবোৰ ভবাৰ এতিয়া সময় নহয়। অলপ পিচতে পুলিচে এই ঠাইবোৰ তালাচী চলাব। সি তাত থকাটো কোনোপধ্যে নিৰাপদ নহ'ব। সি এটা লুং-লুঙীয়া বাটেৰে খোজ ল'লে। হাতেৰে সি ককাঁলত খেপিয়াই চালে। আছে; মৰণাস্ত্ৰবিধ ঠিক ঠাইতে আছে। তাৰ



নিজকে নিৰাপদ যেন লাগিল।

খেতি পথাৰ, নৰা তলি আদিৰে খোজকাঢ়ি আহি আহি সি এখন গাওঁত ভৰি দিলে। টোপনি আৰু দৌৰা ভাগৰে তাক হেচি ধৰিব ধৰিলে। তাৰ ভৰি দুখন ক্ৰমাত অচল হৈ আহিল। সি এঘৰ মানুহৰ ঘৰলৈ সোমাই গ'ল। সেইটো আছিল সেইখন গাওঁৰ গাওঁবুঢ়াৰ ঘৰ। সি প্ৰথমে পানী এগিলাচ খুজিলে। গাওঁবুঢ়াই ক'ৰ পৰা আহিছে বুলি পৰিচয় সুধিলে। তাৰ নাম অমল কলিতা, ঘৰ কলংপাৰত। পাঁচদিন আগতে হেৰোৱা হালোৱা গৰু এটা বিচাৰি সি এইখিনি পালে বুলি ৰাজীৱে এটা জীয়া ফাঁকি মাৰিলে। গাওঁবুঢ়াৰ জীয়েকে পানী এগিলাচ দি গ'ল। গাওঁবুঢ়াই গৰুটো কেনেকুৱা সুধিলে। ৰাজীৱে কিবা কিবি বৰ্ণনা দিলে।

সাধাৰণতে ঘৰত বিবাহোপযোগী জীয়ৰী থাকিলে মানুহ বেছি অতিথিপৰায়ণ হয়। গাওঁবুঢ়াই ক'লে -

'ইমান দূৰৰ পৰা দুপৰীয়াখন আহিছা বোপা। যদি বেয়া নোপোৱা আমাৰ ইয়াতে ভাত এমুঠি খাই যোৱা।'

ৰাজীৱে এই প্ৰস্তাৱ প্ৰত্যাখ্যান কৰাৰ কোনো প্ৰশ্নই নাই। সি ভৰি ধুবৰ বাবে কুঁৱাৰ পাৰলৈ গ'ল। ৰাজীৱৰ মাকৰ কথা মনত পৰিল। কিমান দিন যে হ'ল তাৰ মাকক নেদেখা। নাই এইবাৰ সি মাকৰ ওচৰলৈ ঘুৰি যাব। কিন্তু আজি যিটো ঘটনা ঘটি গ'ল তাৰ বাবে স্বপ্না বায়ে জানো তাক ক্ষমা কৰিব। নে সি আজিয়ে



ঘুৰি গৈ স্বপ্না বাইদেউৰ আগত সকলো খুলি ক'ব আৰু ভৰিত ধৰি ক্ষমা খুজিব। নাই সি কোনখন মুখ লৈ বাইদেউৰ আগত দেখা দিব? নে সি আত্মসমৰ্পন নকৰাই ভাল হ'ব ?

গাওঁবুঢ়াই ভাত খাবলৈ মাতিছে। তেতিয়াহে ৰাজীৱৰ সম্বিৎ ঘুৰি আহিল। খৰ-ধৰকৈ ভৰি-হাত ধুই ৰাজীৱ পাকঘৰলৈ আহিল। দুয়ো কথা



পাতি ভাত খাই আছে। গাওঁবুঢ়াৰ জীয়েকে ৰেডিঅ'ৰ ভলিউম বঢ়াই দিছে। ৰেডিঅ'ত ১ বাজি ৪০ মিনিটৰ অসমীয়া বাতৰি চলি আছে।

'অসমত তিনি ঠাইত বোমা বিস্ফোৰণ। গৃহমন্ত্ৰী গৈ পোৱাৰ পাঁচ মিনিট পূৰ্বে বি. এন. চি. কলেজত এক শক্তিশালী বোমা বিস্ফোৰণ। .......'

ৰেডিঅ'ত কি কি কৈ থাকিল তাৰ কাণত নোসোমালে। সংগঠনৰ কামত আজিয়ে সি প্ৰথমবাৰৰ বাবে বিফল হ'ল। হঠাৎ বাহিৰত কেইবাখনো গাড়ী ৰখাৰ শব্দ। ইতিমধ্যে পুলিচে গাওঁবুঢ়াৰ গোটেই চৌহদটো ঘেৰি পেলাইছে। ভাহি আহিল এক কণ্ঠস্বৰ -

'ঘৰৰ ভিতৰত কোন কোন আছে সোনকালে ওলাই আহক।'

ৰাজীৱৰ গাটো জিকাৰ খাই উঠিল গাওঁবুঢ়াৰ জীয়েক আৰু ৰাজীৱ বাহিৰলৈ ওলাই আহিল। ৰাজীৱক তৎক্ষণাত ২৫ জনমান পুলিচে বৃত্তাকাৰে ঘেৰি পেলালে।

'তোৰ লগৰবোৰ ক'ত ?'

এজনে গোবা মাৰি সুধিলে, ৰাজীৱে এতিয়া

কি ক'ব। সি নিজেও নাজানে তাৰ লগৰ দুজন ক'লৈ গ'ল। ৰাজীবে একো নোকোৱা দেখি এজন পুলিচ জোৱানে বন্ধুকটোৰে ৰাজীবৰ মূৰত মাৰ এটা সোধাব খোজোতে কেনেবাকৈ বন্দুকৰ ট্ৰিগাৰত হেঁচা পৰিল আৰু বিপৰীত ফালে থকা আন এজন জোৱানৰ বাহুত লাগি গ'ল। বাহুত গুলি লগা জোৱানজনে খঙৰ ভমকতে ৰাজীবলৈ বন্দুক টোৱালে। গাওঁবুঢ়াৰ চোতালত তেজৰ ডোঁঙা বান্ধিল।

(তিনি)

কাহিলিপুৱাঁতেই নীলিমাই বাহি চোতালখন সাৰিবলৈ লৈছে। মধুৰীআম জোপাত পৰি কাউৰী এজনীয়ে কা - কা কৈ চিঞৰিছে। চোতাল বাট সাৰি সাৰি নীলিমা পদূলি পালে। হকাৰটোৱে নীলিমাৰ হাতত 'আমাৰ অসম'খন দি গ'ল। নীলিমাই প্ৰথম পৃষ্ঠাত চকুফুৰালে 'বিঃ এনঃ চিঃ কলেজত বোমা বিস্ফোৰণ। নিহত ১০ আহত ২৬০। ছবিত খেল পথাৰৰ মাজত সৃষ্টি হোৱা গাঁত। কাষত নিহত ছাত্ৰ-ছাত্ৰীৰ নাম। নীলিমা পঢ়ি গ'ল। মৃত ব্যক্তিৰ তালিকাত এয়া দেখোন জোনালীৰ নাম। এইয়া তাইৰ জী-নাতিনী জোনালী নহয়তো। নাই নহয়, জোনালী নামৰ অন্য ছোৱালীওতো কলেজখনত থাকিব পাৰে। তাই নিজকে প্ৰবোধ দিলে। নীলিমাই অলপ সোঁফালে চকু দিলে। তেজেৰে লুতুৰি-পুতুৰি এটা মৃতদেহ 'ইনছেটত আহত আৰক্ষী জোৱান'। বাতৰিটোত লিখা আছিল 'আৰক্ষীৰ সৈতে হোৱা তুমুল সংঘৰ্ষত বিঃ এনঃ চিঃ কলেজৰ বোমা বিস্ফোৰণৰ মূল নায়ক ৰাজীৱ শৰ্মা ওৰফে দেব প্ৰতিম বৰুৱা নিহত।'

সৰগ পৰা মানুহৰ দৰে থৰ লাগিল নীলিমা। দেব আহিব বুলি অধীৰ আগ্ৰহেৰে বাট চাই থকা নীলিমাই কান্দোনত গছৰ পাত সৰালে। ■

আমাৰ দেশত যিমান দিনলৈকে পাঠক গঢ়ি নুঠে, সিমান দিনলৈকে আমাৰ জাতীয় সাহিত্যৰ উন্নতি বা মঙ্গলৰ নিমিত্তে শিক্ষিত সমাজে অলপ স্বাৰ্থ ত্যাগ কৰি কাকত বা কিতাপবিলাকক উৎসাহ দি জীয়াই ৰাখিবৰ চেষ্টা কৰা উচিত; নহ'লে কিতাপ লেখক নাইবা আলোচনী আৰু কাকতৰ পৰিচালকসকলৰ ব্যক্তিগত স্বাৰ্থপৰতাৰপৰা সাহিত্যৰ উন্নতিৰ আশা সুদূৰ পৰাহত।

- নগেন্দ্ৰ নাৰায়ণ চৌধুৰী

# মায়া




**মিচ্ দৰ্শনা নাথ**
স্নাতক প্ৰথম বৰ্ষ (কলা)


••• মায়াই তাক নামাতিলেও লাহে লাহে খং কৰিব পৰা হ'ল, অভিমান কৰিব পৰা হ'ল। মাজে মাজে মায়াই ভাবে তাই হয়তো নিবিড়ৰ প্ৰেমত পৰিছে। কিন্তু নিবিড়? •••

কথাটো শুনাৰ লগে লগে মায়াৰ গাটো জিকাৰ খাই উঠিল। তাইক চাবলৈ ল'ৰা আহিব ? অৰ্থাৎ তাইৰ বিয়া। সৰু বৌয়েকে আহি তাইক কথাটো ক'লে। কিন্তু তাই জানো পাৰিব আনৰ লগত বিয়াত বহিব ? সংসাৰ কৰিবলৈ ? তাই নোৱাৰে, তাই ভালকৈ জানে। তাই নোৱাৰে নিবিড়ৰ বাহিৰে আন ল'ৰাৰ কথা ভাবিব। নিবিড়ৰ কথা ভবাৰ লগে লগে মায়াৰ দুচকু অশ্ৰুৰে ভৰি পৰিল। তাই নাজানে নিবিড় বৰ্তমান ক'ত ? সি কি কৰি আছে ? তাইৰ কথা বাৰু সি মনত ৰাখিছেনে ? মায়াই মনতে ভাবিলে। এটা এটাকৈ নিবিড়ৰ স্মৃতিয়ে মায়াৰ আগত ভুমুকি মাৰিলেহি।

তাইৰ ভালকৈ মনত আছে, কলেজীয়া জীৱনৰ প্ৰথম দিনটোত মায়াই নিবিড়ক দেখিছিল। পলিটিকেল ছাইন্সৰ ক্লাছ কৰি থাকোতে তাই হঠাৎ অনুভৱ কৰিলে যেন তাইক কোনোবাই চাই আছে। তাই এবাৰ কাষৰ বেঞ্চখনলৈ চাই পঠিয়ালে। এহাল অচিনাকি চকুৱে তাইক থৰ লাগি চাই আছে। তাইৰ খং উঠিলে। কিয় এনেকৈ চাই থাকিব লাগে বাৰু ? কিন্তু দিনৰ পিছত দিন যোৱাৰ লগে লগে সেই অচিনাকি চকুযুৰিয়ে যেন তাইৰ কাৰণে চিনাকী হৈ পৰিল। আৰু সেই চকুযুৰিৰ গৰাকী নিবিড়ো তাইৰ কাৰণে আপোন হৈ পৰিল। এনেকুৱা এটা দিন যোৱা নাই যিটো দিনত নিবিড়ে তাইৰ পিনে চোৱা নাই। কলেজত আহি নিবিড়ক নেদেখিলে তাইৰ যেন কিবা ভাল নালাগে। মায়াই এই কথাটো তাইৰ অন্তৰংগ বান্ধৱী হিয়াক ক'লে। কথাটো শুনাৰ লগে লগে হিয়াই ক'লে - "অ' তাকটো মই চিনি পাওঁ। মই মাতোও। তোমাৰ লগত চিনাকী কৰি দিম নেকি ? বেয়া নহয় ল'ৰাটো। মই তাক স্কুলৰ দিনৰ পৰাই চিনি



পাওঁ।" কিন্তু মায়াই ক'লে - "নাই নালাগে, মই তাৰ লগত চিনাকী নহওঁ। সিহে মোক চাই থাকে, মইতো তাক নাচাওঁ। গতিকে সি মোক প্ৰথমতে মাতিব লাগিব। মই উপযাচি তাক মাতিব নাযাওঁ দেই। চাওঁ সি মোক কিমান দিন এনেকৈ চাই নামাতাকে থাকিব পাৰে। নে কি কোৱা হিয়া ?" হিয়ায়ো তাইৰ কথাত মাত দিলে। এয়াই হয়তো মায়া - নিবিড়ৰ প্ৰেমৰ আৰম্ভনি।

মায়াই তাক নামাতিলেও লাহে লাহে খং কৰিব পৰা হ'ল, অভিমান কৰিব পৰা হ'ল। মাজে মাজে মায়াই ভাবে তাই হয়তো নিবিড়ৰ প্ৰেমত পৰিছে। কিন্তু নিবিড় ? সি কি সঁচাই তাইক ভাল পায় নেকি নে মাত্ৰ তাইক বান্ধৱী বুলি ভাৱে। এনেকৈয়ে সিহঁতৰ দিনবোৰ পাৰ হ'ব ধৰিলে। কলেজলৈ গ'লেই দুয়ো দুয়োকে দূৰৈৰ পৰা চাই থাকে, কিন্তু মাতিবলৈ কাৰো সাহস নহয়।

নিবিড়ৰ প্ৰতি থকা তাইৰ এই ভালপোৱা হয়তো তাই তাৰ আগত প্ৰকাশ কৰিব পাৰিলেহেঁতেন যদিহে দেউতাকে তাইক সেই কথাখিনি ন'কলেহেঁতেন। মায়াৰ ডাঙৰ দাদাকে যেতিয়া মাক-দেউতাকৰ মতৰ বিৰুদ্ধে গৈ নিজৰ পছন্দ মতে বিয়া কৰালে তেতিয়া মায়াৰ মাক-দেউতাকে মনত বৰ দুখ পালে। ডাঙৰ দাদাকে মাক-দেউতাকৰ কোনো কথা নাৰাখিলে। বিয়া কৰাই সি ঘৰৰ পৰা বেলেগত থাকিবলৈ ল'লে আৰু ঘৰৰ কাৰো খবৰ নোলোৱা হ'ল। ডাঙৰ পুতেকৰ এই কাণ্ড দেখি দেউতাকে দুখেৰে মায়াক ক'লে - "মাজনী, তই এনেকুৱা কাম কেতিয়াও নকৰিবি, যিটো তোৰ দাদাই কৰিলে। মাজনী, তোৰ ওপৰত তোৰ মা আৰু মোৰ বহুত বিশ্বাস, বহুত আশা আছে। সেইবোৰ যেন তই কেতিয়াও নাভাঙ। নহ'লে আমি বৰ দুখ পাম অ' মাজনী, বৰ দুখ পাম।" দেউতাকে কোৱা কথাখিনি শুনি তাই নীৰৱ, নিশ্চুপ হৈ পৰিল। তাই ভাবিলে, তাই জানো পাৰিব তাইৰ অতি মৰমৰ, পূজনীয় দেউতাকৰ মনত দুখ দিবলৈ ?

পিছদিনা তাই কলেজত গৈছিল কিন্তু আনদিনাৰ দৰে নহয়। একেবাৰে নিশ্চুপ হৈ পৰিছিল। তাই হিয়াক দেউতাকে কোৱা কথাখিনি ক'লে। হিয়াই তাইৰ কথা শুনি ক'লে - "মায়া, তই তোৰ দেউতাৰ কথা ৰাখ। মা-দেউতাতকৈ এই পৃথিৱীত কোনো ডাঙৰ হ'ব নোৱাৰে। এতিয়া তই এই প্ৰেম, ভালপোৱাবোৰ মনত নানিবি। এইবোৰ কৰিব তই পিছত বহুত সময় পাবি। এতিয়া তই ভালকৈ পঢ়।" দেউতাক আৰু হিয়াৰ কথাখিনি মনত ৰাখি মায়াই পঢ়াত আগতকৈ মনযোগ দিলে আৰু তাই ভালকৈ উচ্চতৰ মাধ্যমিক পৰীক্ষাত পাছ কৰিলে। তাই অসমীয়াত মেজৰ ল'লে। ইতিমধ্যে তাই স্নাতকৰ তৃতীয় বৰ্ষ পালে। কিন্তু তাই নিবিড়ক পাহৰিব নোৱাৰিলে। তাইৰ সৰু দাদাকে ইতিমধ্যে বিয়া পাতিলে। দেউতাকে অৱসৰ ল'লে। এদিন কলেজত হিয়াই উধাতু খাই আহি মায়াক ক'লে - "মায়া, তোৰ কাৰণে এটা ভাল খবৰ আছে। তোক বোলে আজি নিবিড়ে মাতিব, ক্লাছৰ শেষত তোক লগ ধৰিব কৈছে।" হিয়াৰ কথাখিনি শুনি মায়াৰ এনে লাগিল যেন তাই এতিয়াই হিন্দী চিনেমাৰ নায়িকাৰ দৰে নাচি-বাগি গীত গাব। আনন্দ কৰিব। কিন্তু পিছ মুহূৰ্ত্তে তাইৰ যেতিয়া দেউতাকৰ কথা মনত পৰিল তাইৰ সেই আনন্দ নিমিষতে উৰি গ'লে। তাই থিৰাং কৰিলে যে তাই নিবিড়ক মাতিব কিন্তু বন্ধু হিচাপেহে। নিবিড়ৰ প্ৰতি থকা তাইৰ মৰম, ভালপোৱাবোৰ তাই মনতে, বুকুৰ

মাজতে ৰাখিব। নিবিড়ক সেইবোৰ কথা জানিব নিদিয়ে। ক্লাছ শেষ হোৱাৰ পিছত হিয়া আৰু তাই কেন্টিনত নিবিড়ক লগ ধৰিলে। মায়াই এবাৰ নিবিড়ৰ চিৰপৰিচিত চকুযুৰিলৈ চালে তাৰপিছত তাৰ ওচৰত থকা চকী এখনত বহিলে। নিবিড়ে মিচিকিয়া হাঁহিৰে মায়াক সুধিলে, "কি খবৰ মায়া ? ক্লাছ কৰিলা ?" ইত্যাদি বহুত প্ৰশ্ন সুধিলে, মায়াও উত্তৰ দিলে। এনেকৈয়ে সিহঁতে বহুত সময় কথা পাতিলে। মায়াই ক'লে - "তেনেহ'লে আজিৰ পৰা আমি বন্ধু"। নিবিড়ে ক'লে - ....... । এইবুলি মায়া আৰু হিয়া তাৰপৰা বিদায় ল'লে।

মায়া আৰু নিবিড় দুয়ো যদিও দুয়োৰে বন্ধু পাতিলে সিহঁতৰ কিন্তু আৰু মতা নহ'ল। দুয়ো দেখিলে মাত্ৰ আগৰ দৰে চাই হাঁহি দিয়ে। হয়তো নিবিড়ৰো মায়াৰ প্ৰতি থকা দূৰ্বলতাই ইয়াৰ কাৰণ। এনেকৈয়ে এদিন মায়াই আৰু নিবিড়ে বি.এ. পাছ কৰিলে। তাই এম. এ. কৰিবলৈ গুৱাহাটীত গ'ল। গুৱাহাটীত থকা বছৰ কেইটাত মায়াই নিবিড়ৰ খবৰ বিচাৰি আছিল কিন্তু সি কৰে কি, থাকে ক'ত, একো নাজানিলে।

এম. এ. পাছ কৰি তাই ওচৰৰে স্কুল এখনত সোমাল। তাইৰ লগত হিয়াও সেই স্কুলখনত সোমাল। তাই হিয়াৰ মুখৰ পৰাই শুনিলে নিবিড়ে চাকৰি পোৱা কথাটো। তাইৰ ভাল লাগিল। কিন্তু আজি হঠাৎ তাইৰ বিয়াৰ কথা কওঁতে কিয় জানো তাইৰ বৰ দুখ লাগিল। তাই নিবিড়ক ভালপায় বুলি এতিয়া ঘৰৰ মানুহখিনিক কেনেকৈ কয় ? হিয়াক কথাটো ক'লে, তাইও একো সমাধান দিব নোৱাৰিলে।

আজি মাক-দেউতাকৰ আনন্দৰ সীমা নাই। কাৰণ আজি মায়াক চাবলৈ ল'ৰা আহিব। ভাল ল'ৰা, ভাল চাকৰি কৰে। কিন্তু মায়াৰ মনত কোনো আনন্দ নাই। তাই কান্দিবও পৰা নাই। হিয়াই তাইক সজাই দি আছে। কিন্তু আজি তাই নিজকে বেয়া দেখিবলৈ পাইছে। বাৰে বাৰে তাইৰ নিবিড়লৈ মনত পৰিছে। সৰু বৌয়েকে আহি ক'লে যে ল'ৰা ইতিমধ্যে আহি পাইছে। মায়া বহিল ল'ৰাৰ সন্মুখত কিন্তু তাই ল'ৰালৈ চাব পৰা নাই। তাই তলমূৰ হৈয়ে থাকিল। সিহঁত দুটাক কথা পাতিবলৈ দি ৰুমটোৰ পৰা সকলো ওলাই গ'ল। কিন্তু মায়াই হিয়াক যাব নিদিলে। কিছু সময় নীৰৱতাৰে পাৰ হ'ল। "তুমি এতিয়াও নোকোৱানে যে তুমি মোক ভাল পোৱা ? চিনাকি মাতষাৰ শুনি মায়া স্তব্ধ হৈ ৰ'ল। তাই মূৰ দাঙি চালে, তাই নিজ চকুৰে বিশ্বাস কৰিব নোৱাৰিলে, তাইৰ সন্মুখত সেয়া তাইৰ বুকুৰ আপোন নিবিড় বহি আছে. তাই থাকিব নোৱাৰি কান্দি পেলালে। নিবিড়ে তাইৰ ওচৰত বহি ক'লে, "তুমি মোক কি মায়াৰে বান্ধিলা 'মায়া' যে মই তোমাক কেতিয়াও পাহৰিব নোৱাৰিলো।" তাই একো নক'লে। এনেতে ভিতৰৰ পৰা মাক-দেউতাকহঁত ওলাই আহিল। দেউতাকে ক'লে - "মাজনী, তই কি ভাবিছিলি যে তোৰ বিয়া কোনোবা অচিনাকি ল'ৰাৰ লগত হ'ব। তইতো কেতিয়াও নকলি নিবিড়ৰ কথা। হিয়া আৰু নিবিড়ে আহি কোৱাতহে আমি গম পালো। মই জানো আইজনী, তই মোৰ কাৰণে ইমান দুখ সহ্য কৰি আছিলি। মই তেতিয়াহে গম পালো তোৰ মনৰ কথা।"

অলপ সময়ৰ পিছত সকলো বাহিৰলৈ গ'ল। মায়া, নিবিড় আৰু হিয়া ৰুমটোৰ ভিতৰত থাকিল। হিয়াই সিঁহত চুপ হৈ থকাৰ বাবে ক'লে - "অহ, হ, এতিয়াতো তহঁত দুয়োটাই কথা পাত।" হিয়াৰ কথা শুনি নিবিড় আৰু মায়াই লাজতে হাঁহিলে। ■

**তিব্বত-ধৰ্মী আৰু অষ্ট্ৰীক ভাষা-ভাষী দেশৰ কাষত থকাৰ হেতু অসমীয়া ভাষাই এই ভাষাসমূহৰপৰা ধ্বনি আৰু অলেখ শব্দ দ্বিধাবিহীনভাৱে ধাৰ কৰিছে। এই হেতু আধুনিক ভাৰতীয় আৰ্য্যভাষাসমূহৰ মাজত অসমীয়াই অভিনৱ ৰূপ লৈছে।**

**- ড° বিৰিঞ্চি কুমাৰ বৰুৱা**



# বিশ্বাসঘাটক

"নিন্টুদা, মোৰ লগত যাবা নে নাই?" মোৰ সন্মুখতে তেনে এটা ঘটনা ঘটি যোৱাত নিন্টুদা কিছু বিব্ৰত হোৱা যেন দেখুৱালে যদিও পিচমুহূৰ্ত্তত স্বাভাৱিক ভাৱে থিয় হৈ মোৰ ফালে চাই ক'লে - "নীতা, তোমাক আকৌ লগ পাম ..... বাই ......।''


নিবেদিতা চৌধুৰী

স্নাতক প্ৰথম বৰ্ষ


তেজৰঙা বেলিটো লাহে লাহে নিদ্ৰাৰ কোলালৈ নামিব ধৰিছে। চাৰিওফালে নীৰৱ। পুখুৰীৰ পানীবোৰ শান্তভাৱে বৈ আছে। চাৰিওফালৰ সেউজীয়া গছবোৰে পৰিৱেশটো তেনেই সেউজীয়া কৰি তুলিছে। বাগিছাৰ ফুলবোৰো আনন্দত হালিজালি মতলীয়া হৈ আছে। অতীতত এই কলেজখনৰ বাগিছাখনতে ক'তজনৰ কিমান স্মৃতি সাঙোৰ খাই আছে ....... !

সেই আগৰ পুৰণি কলেজখন এতিয়াও একেই আছে। বহা ঠাইবোৰ, পুখুৰীৰ পাৰ, গছৰ তল, লাইব্ৰেৰী সকলোবোৰে সাক্ষী দিয়ে বহুতৰে বহু তিতা-মিঠা কথা-কাহিনী আৰু স্মৃতিৰ। মনত পৰিলেই আজিৰ বুকুত কিহবাৰ জ্বালা অনুভূত হয়। অনিৰুদ্ধ হৈ উঠে বুকুৰ পোৰণি। অথচ দেখিলে সেই চিনাকী ঠাইবোৰো অচিনাকী যেন লাগে। পাৰত বহি বহি হাততে পোৱা মাটিৰ দলিবোৰকে পানীলৈ দলিয়াই থাকিলো ...... । পানীৰ ঢৌবোৰ এটি এটিকৈ পাৰত ঠেকা খাই পুনৰ নোহোৱা হ'ল।

হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ আমাৰ ওচৰৰে এই কলেজখনত ভৰ্তি হৈছিলো। প্ৰথম কলেজলৈ গৈ খুব ভাল লাগিল যদিওৰেগিঙৰ কথা শুনিহে মুখ শেঁতা পৰিল। ক্লাছ আৰম্ভ হোৱাৰ পাঁচদিনমানৰ পিছত এদিন স্নাতক শ্ৰেণীৰ ল'ৰা কেইজনমানে মাতি লৈ গ'ল। মই ভয়ে ভয়ে সিহঁত কেইটাৰ পিছে পিছে ওচৰতে বহি পৰিল। মোৰতো

তেতিয়া বুকুখন ধান বনা কলৰ দৰে ধপ্‌ধপাই আছিল। তেনে সময়তে হঠাৎ নিন্টু দা আহিহে সেইদিনাখন মোক ক'লে ইয়াৰ পিছতে এদিন নবাগত আদৰণি সভাত মোক মঞ্চৰ ওপৰলৈ মাতি নিয়া হ'ল। আৰু মোক গান গাবলৈ দিলে। মই গান গাব নাজানো বুলি কোৱাৰ লগে লগে এজাক ল'ৰা-ছোৱালীয়ে সমস্বৰে কৈ উঠিল - "তুমি গাবই লাগিব।"

গতিকে মই জনাই-নজনাই, লাজে-ভয়ে সেই সময়ত মনলৈ অহা অসমীয়া আধুনিক গীত এটাকে গাই ঘামি-জামি মঞ্চৰ পৰা নামি আহিলো।

ৰাস্তাত নিন্টু দাই ক'লে, - "তুমি মিছাকে গান গাব নাজানো বুলি কৈছিলা। তোমাৰ কণ্ঠ ভাল আৰু গানটোও ভাল হৈছে।"

নিন্টুদাৰ মুখত প্ৰশংসা শুনি মই মাথো লাজ লাজকৈ তেওঁৰ ফালে চাই এনেয়ে হাঁহিছিলো।

তাৰ পিছত আৰম্ভ হ'ল নিয়মীয়া কলেজ জীৱন। আচলতে মই বহু সময়ত অকলে থাকিয়েই ভাল পাওঁ। সেয়েহে ক্লাছ নাথাকিলে পুখুৰীৰ পাৰত কেতিয়াবা অকলে বহি থাকো। তেনে সময়ত নিন্টুদা প্ৰায়ে ওচৰলৈ আহি মোক কয়, ওচৰত বহিলে বেয়া পাবা নেকি ? মই পিছে একো নকৈ কেৱল হাঁহিছিলো - শব্দহীন হাঁহি। লাহে লাহে এইদৰে লগালগি হৈ আমি কথা পাতিবলৈ আৰম্ভ কৰিলো। ক্লাছৰ কথা ...... পঢ়াৰ কথা ........বন্ধু-



বান্ধৱীবোৰৰ কথা ....... ঘৰৰ কথা আৰু যে ক'ত কি ....। আমাৰ মাজৰ সম্বন্ধ ক্ৰমে সহজ হৈ আহিল। আৰু এদিন নিন্টুদাই এনে এটা কথা ক'লে যাক কেৱল হৃদয়েৰেহে অনুভৱ কৰিব পাৰি। কিয় জানো মইও তেওঁৰ কথাত নীৰৱে সহাৰি জনালোঁ।

এনেকৈয়ে দিনবোৰ এক অনাবিল আনন্দৰে পাৰ হৈ যাব ধৰিলে; কিন্তু ভগৱানে যেন মোৰ এই আনন্দ সহিব নোৱাৰিলে আৰু আকস্মিক ভাৱে নিন্টুদা মোৰ পৰা আঁতৰি গ'ল। হয়তো মোৰ প্ৰতি সদয় হৈয়ে ভগৱানে হঠাৎ নিন্টুদাক মোৰ পৰা আঁতৰাই লৈ গ'ল। এদিন দুয়ো কলেজ কেন্টিনত বহি থাকোঁতে পৰী বোলা ছোৱালী এজনী আহি হঠাৎ নিন্টুদাৰ হাতত ধৰি ধমকিৰ সুৰতে কৈ উঠিল - "নিন্টুদা, মোৰ লগত যাবা নে নাই ?" মোৰ সন্মুখতে তেনে এটা ঘটনা ঘটি যোৱাত নিন্টুদা কিছু বিব্ৰত হোৱা যেন দেখুৱালে যদিও পিচমুহূৰ্ত্তত স্বাভাৱিক ভাৱে থিয় হৈ মোৰ ফালে চাই ক'লে - "নীতা, তোমাক আকৌ লগ পাম ..... বাই ......।" তাৰ পিছতে পৰীৰ লগত তেওঁ গুচি গ'ল। পোনতে এইবোৰ কি হৈ গ'ল মই ধৰিবই পৰা নাছিলো যদিও লাহে লাহে বুজিলো - ইমান দিনে মোৰ সৰলতাৰ সুযোগ লৈ নিন্টু নামৰ এজন ল'ৰাই মোৰ লগত অভিনয় কৰি আছিল আৰু আজি অভিনয় সামৰি আঁতৰি গ'ল, মই ভাগি পৰিছিলো সেই সময়খিনিত। গোটেই পৃথিৱীখন মোৰ আন্ধাৰ আন্ধাৰ লাগিছিল। লাজ আৰু বেদনাত জীৱনৰ প্ৰতি এক বিৰক্তি জন্মিছিল। কিন্তু ভাঙি পৰা নাছিলো সম্পূৰ্ণভাৱে। মোৰ ভিতৰৰ বিবেকৰূপী নীতাজনীয়ে সাৰ পাই যেন ক'লে - "নীতা, বয়স বেচি নহ'লেও তুমি এজনী দৃঢ়মনৰ ছোৱালী। এজন নীচ মনোবৃত্তিৰ যুৱকে তোমাক আঘাত দিছে যদিও তুমি ভাঙি নপৰিবা। এই বয়সৰ সস্তীয়া চেন্টিমেন্টেই জীৱন নহয়। জীৱনত তোমাৰ আৰু বহু কৰিবলগীয়া আছে। পৃথিৱীখনেও তোমাৰ পৰা বহু কিবা বিচাৰে।" অন্তৰাত্মাৰ এই আহ্বানত সহাঁৰি জনাই মই কেৱল নিজৰ কৰ্ত্তব্যতেই মন আৱদ্ধ কৰি ৰখাৰ সংকল্প ল'লো সেই মূহূৰ্ত্ততে।

.......এনেকৈয়ে চুড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ বাহিৰলৈ পঢ়িবলৈ গ'লো। মই পাহৰি যাব বিচাৰিলো নিন্টুদাৰ অস্তিত্বক। তথাপি সেই ক্ষন্তেকীয়া দিনবোৰৰ কথা মনত পৰিলে এতিয়াও কিবা এটা যন্ত্ৰণা অনুভৱ কৰো। সুখ্যাতিৰে সকলো পৰীক্ষাত উত্তীৰ্ণ হৈ মই এতিয়া সকলো ফালৰ পৰা সংস্থাপিত। মোৰ কোনো অভাৱ নাই। তথাপিচোন পাহৰিব পৰা নাই সেই বিশ্বাসঘাটক নিন্টুদাৰ স্মৃতি। হয়তো সেই বাবেই এতিয়াও আহো এই কলেজখনলৈ।

ইমান পৰে পানীৰ পিনে চাই চাই স্মৃতি ৰোমন্থন কৰি থাকোঁতেই কেতিয়াযে সন্ধিয়া হ'ল ধৰিবই নোৱাৰিলো। এনেতে কোনোবাই মোক মতা কাণত পৰিল। ঘূৰি চাই দেখো নিন্টুদা আৰু পৰী।

"নীতা ইয়াত অকলে কি কৰি আছা? আমি অথনিৰে পৰা তোমাক ক'তযে নিবিচাৰিলো।"

"অ' নিন্টুদা ....... কি খবৰ ? পৰী, তোমাৰ ভালনে ?

যোৱাকালি ঘৰলৈ আহিছো। আজি পুৰণি কলেজখন চাবলৈ মন গ'ল ... সেইবাবে ....... " মোৰ কথা শেষ নহওঁতেই পৰীয়ে ক'লে - "লেক্‌চাৰ পিচতো মাৰিব, ..... এতিয়া আমাৰ কথা শুনক।" পৰীৰ কথা শুনি মোৰ গাটো জিকাৰ খাই উঠিল .... বুকুখন কোনোবা এটা চুক যেন বিষাই উঠিল।

"বিয়ালৈ মাতিবলৈ আহিছা নেকি ? সেইযে গুচি গ'লা তাৰ পিছত আৰু মুখকেই নেদেখিলো। নিন্টুদা বিয়া কেতিয়া ? মোক অনুৰোধ কৰিব নালাগে। বিয়াৰ তাৰিখটো কৈ দিয়া ... মই যামেই। পৰীক নিজহাতে কইনা সজাই সৰগৰ পৰীৰ দৰে হোমৰ গুৰিত বহুৱাই দিম।" একে উশাহে কথাখিনি কৈ মই যেন কিবা এক উত্তেজনাত ফোঁপাই উঠিলো। মোৰ তেনে অৱস্থা দেখিয়েই নেকি পৰীয়ে এটা লাজুকী হাঁহিৰে লাহে লাহে ক'লে ...

"পৰীকতো আপুনিয়ে সজাব লাগিব নীতা বা। বৌ জনীয়ে নসজালে, কোনে বাৰু সজাব!" পৰীৰ কথাত মই চক্ খাই উঠিলো। একো নুবুজাৰ দৰে মাথো তাইৰ ফালে চাই ৰ'লো।

"নীতা বা, মই নিন্টুদাৰ একমাত্ৰ ভনী। আচলতে নীতা বা, সেইদিনা আপোনাৰ ভালৰ কাৰণেই আমি তেনেদৰে অভিনয় কৰিবলগা হৈছিল। মোক আপুনি ক্ষমা কৰিব। আপোনাৰ পঢ়া-শুনাত ক্ষতি হোৱা জানি নিন্টুদাৰ চিন্তা হৈছিল- ইমান ভাল ছোৱালীজনীৰ মূৰত পঢ়া-শুনা কৰি থকা এইটো সময়তে কিছুমান বাজে কথা সুমুৱাই দিয়াৰ দৰে লাগিছিল। অৱশেষত দাদাই বাহিৰলৈ পঢ়িবলৈ যোৱাৰ সিদ্ধান্ত ল'লে আৰু মই তাৰ প্ৰেয়সীৰ ৰূপত আপোনাৰ চকুত ধূলি মাৰি আঁতৰাই নিয়াৰ অভিনয় কৰিলো।" পৰীৰ কথা শুনি মই ক'ব নোৱাৰাকৈ তাইৰ ওচৰলৈ গৈ অন্তৰৰ সকলো আবেগ ঢালি সাবটি ধৰিলো। তাকে দেখি ওচৰতে গহীন হৈ থিয় দি থকা নিন্টুদাই অস্পষ্ট ভাৱে উচ্চাৰণ কৰিলে - "বিশ্বাসঘাটকৰ প্ৰেম এনেকুৱাই নীতা।" ■

অসমীয়া উপন্যাস যেন অসমীয়া চৰিত্ৰৰ, অসমীয়া সমাজৰ, কাব্যকানন অসমৰ ফট্‌ফটীয়া দাপোন হয় আৰু উপন্যাসৰ সিদ্ধান্তই যেন পাঠকক ঈশ্বৰমুখী কৰি উন্নতিৰ বাটলৈ নিয়ে। ফচহু বজৰুৱা উপন্যাস যেন অসমীয়াই নিলিখে; বৰং উপন্যাস নোহোৱাই ভাল, তথাচ বেয়া কথাৰ, বেয়া আৰ্হিৰ যেন উপন্যাস সৃষ্টি নহয়।

- ৰজনী কান্ত বৰদলৈ



# অদৃশ্যমান চৌহদ

বহু কষ্টৰ বলত খাৰঘূলিত ৰূম এটা পাইছে সি। ৰূমটো বেছি সৰুও নহয়, বাহৰ বেৰ দিয়া, কলেজৰ ছাত্ৰক ভাড়া দিবৰ বাবে নিৰ্মিত। কটনত ছিট পোৱাৰ পাছত মনত বহু আশা আকাংক্ষা লৈ গুৱাহাটীত আছিল সি। নতুন কোঠাটোত সোমায়েই তাৰ নাকত লাগিছিল ভেঁকুৰৰ এক বিৰক্তিকৰ গোন্ধ। মিউজিয়ামৰ কোনো প্ৰাচীন বস্তু চোৱাদি কোঠাটোৰ প্ৰতিটো বস্তু, নিৰীক্ষণ কৰিছিল সি। টেবুলখন আৰু ওপৰত সিঁচৰিত হৈ থকা তাচৰ পাত, চাধাৰ পাত, বিচনাখনৰ তলত ৰূমটোৰ কোণত এন্দুৰে নিৰ্মাণ কৰা মাটিৰ স্তুপ, বাতৰি কাকতৰ টুকুৰা, শুকান তামোল পান, বাহৰ বেৰত এঠা লগাই

*••• অলপ পিছত সোত্ৰ-সোতৰ বছৰীয়া ধুনীয়া ছোৱালী এজনীয়ে আহি তাক চুলাইৰ বটল এটা আৰু গিলাচ এটা দি ক'লে - "গাহৰি মাংসৰ চাটনি আছে, দিম নেকি ?"*

---

**দিপেন ৰাভা**
স্নাতক তৃতীয় বৰ্ষ

থোৱা শ্ৰীদেৱীৰ ছবি থকা পুৰণি কেলেণ্ডাৰ ........ ।

পাৰ্য্যমানে কোঠাটো চাফা কৰি সি বাহিৰলৈ ওলাইছিল। ভাড়া ঘৰটোৰ গেটখন খুলি সন্মুখত থকা পাণ দোকানখনৰ পৰা তামোল এখন খালে। চাৰিওফালে চকু ফুৰাওতে তাৰ চকুত পৰিছিল পাছফালৰ কদৰ্য্য খালটো। মেটেকা জাতীয় উদ্ভিদেৰে ভৰি থকা সেইটো। মুকলি অংশত উপঙি আছে ভিন্ন আকাৰৰ মদৰ বটল। দীঘলীয়া, ঘূৰণীয়া, চেপেটা খালটোৰ কাষেৰে মামৰে ধৰা টিনপাতৰ বেড়। সম্ভৱ কোনোবা বঙালী মানুহৰ ঘৰ। সেই ঘৰটোৰ সীমাতে এটা আছাম টাইপৰ আৰু চি চি ঘৰ। নৰ্দমাটোত থকা উদ্ভিদবোৰৰ ডিঙিলৈকে সাবটি আছে গাঢ় সেউজীয়া শেলুৰে। নৰ্দমাটোৰ প্ৰথম ভাজটোৰ কাষেৰে বাহৰ ওখ বেৰ। বেৰখনৰ বাবে সিফালৰ চৌহদটো স্পষ্ট নহয় যদিও কথা বতৰা স্পষ্ট শুনা যায়। প্ৰথম দিনা ৰূমটোত সোমাই বয়- বস্তু থানথিত লগাওতে অদৃশ্যমান চৌহদটোৰ পৰা ভাহি অহা কোনো অজান যুৱতীৰ সুললিত কণ্ঠ তাৰ কাণত পৰিছিল। জনপ্ৰিয় হিন্দী গান এটা আপোনমনে গাই আছিল তাই। ভাত ৰান্ধি ৰান্ধি কাণ পাতি শুনি আছিল গানটো সি।

ঘৰটোৰ প্ৰতি তাৰ বিস্ময় বাঢ়ি গ'ল। ভাত খাই থাকোতে সি ঠিক কৰিলে যে আজি সন্ধিয়া অদৃশ্যমান চৌহদটোৰ সন্মুখেদি ভ্ৰমণ কৰিব। ভাত খাই উঠি কাষৰ তিনিটা ৰূমত ভাড়া কৰি থকা ৰাজীৱ, মনোজ আৰু দীপৰ লগত চিনাকি হ'ল সি। ৰাজীৱ শিৱসাগৰৰ ল'ৰা, কটনত পদাৰ্থ বিজ্ঞানত মেজৰ লৈ পঢ়ি আছে। মনোজ, নলবাৰীৰ আৰু দীপ দৰঙৰ দুয়োজন কমাৰ্চ কলেজৰ ছাত্ৰ। বাকী আনটো ফালৰ পাচটা ৰূমত জিতু, তুতুল, মনদীপ, কুলদীপ আৰু নৰজিত থাকে। ভাড়া ঘৰটোৰ আনটো ফালৰ চকটোত মালিক থাকে। মালিকৰ নামটো হ'ল পুতুল বৰা।

সন্ধিয়া সি মুখ হাত ধুই সাজি-কাচি চেণ্ডেলযোৰ পিন্ধি গম্ভীৰ খোজ দি ঘৰটোৰ সন্মুখেদি আগবাঢ়ি গ'ল। গেটৰ সন্মুখত যিমান পাৰে সিমান মন্থৰ হ'ল তাৰ খোজ। ডিঙি বেকা কৰি চাই গ'ল সি কাৰোবাক দেখে নেকি। নাই, কুঁৱাৰ পাৰত বাচন মজা শব্দইহে তাৰ কাণত পৰিল। টিনৰ একচলীয়া ঘৰটোৰ সন্মুখত বাহৰ বেৰ দিয়া বাবে ভিতৰত কোনো মানুহ নেদেখিলে। লোভনীয় গোন্ধ তাৰ নাকত লাগিল। চুলাই মদৰ গোন্ধ। সেইদিনা ঘৰটোৰ পৰা কিছু আগলৈ গৈ পুনৰ ঘূৰি আহিল। অহা সময়ত দুজন লোক মাতাল হৈ ওলাই অহা সি দেখিলে।

ৰাতি ভাত বনাই থাকোতে সি আশা কৰিলে তাৰ কাণত পুনৰ সুললিত কণ্ঠ পৰিব বুলি। কিন্তু চৌহদটোৰ পৰা মানুহৰ কিছু কথাৰ বাহিৰে তাৰ কাণত একো নপৰিল। ভাত খাই উঠি মহৰ কামোৰৰ পৰা ৰক্ষা পাবলৈ ফটাকানি এটুকুৰা মেৰিয়াই জ্বলাই ল'লে। তাৰ পাছত মমবাতিৰ পোহৰত ট্ৰাংকটো খুচুৰি খুচুৰি জীৰ্ন যৌনগন্ধী কিতাপ উলিয়াই আনিলে সি। বহুদিন আগতে হাইস্কুলত থাকোতে তাৰ বন্ধু অজয়ে তাক সেইখন দিছিল। তাৰ পাছত বিছনাত শুই সি কিতাপখন পঢ়ি গ'ল। কাহিনীৰ নায়কৰ ৰূপত সি নিজকে কল্পনা কৰি ল'লে।

দিলটো পাগল হে, দিল দিৱনা হে ............ ।

হঠাৎ সাৰপাই গ'ল সি। পুৱা [illegible] কণ্ঠৰ পৰা ভাঁহি অহা হিন্দী চিনেমাৰ এই গানটোৱে যেন তাক টোপনিৰ পৰা যোগাই দিলে। লৰা-লৰি কৈ বিছনাৰ পৰা উঠি যৌনগন্ধী কিতাপখন ট্ৰাংকত সুমুৱাই থৈ টুথ্ ব্ৰাছডালত কলগেটলৈ বাহিৰলৈ ওলাই আহিল। সেই অদৃশ্যমান চৌহদটোলৈ দৃষ্টি দিলে। এতিয়াও ছোৱালীজনীয়ে গানটো গাইয়েই আছে লগতে বাচোনৰ টুং টাং শব্দ। দাঁত মাজি মাজি সি কল্পনা কৰিলে তাৰ কাষৰ চৌহদটোত দুৰ্গ এটাত বন্দী হৈ থকা এগৰাকী ৰাজকুমাৰীয়ে যেন তাৰ বাবে অপেক্ষাত ৰৈ আছে। কোনেও যেন তাইক উদ্ধাৰ কৰিবলৈ অহা নাই। সি লক্ষ্য কৰিলে পান দোকানীটোৱে তাক চাই আছে। সিও দোকানীটোলৈ চাই ব্ৰাছ কৰি কৰি ৰূমটোলৈ ঘূৰি আহিল।

ৰাতিপুৱাৰ সাজটো খাই কলেজলৈ গ'ল সি। মেজৰৰ ক্লাছটো কৰি থাকোতে সি ঠিক কৰিলে সন্ধিয়া



*ইমান ধুণীয়া ছোৱালী এজনীয়ে চৌহদটোত থাকিব পাৰে। সপোনতো ভবা নাছিলো সি, সেইবাবে বোধ হয় চৌহদটোলৈ বহু লোকৰ আগমন ঘটে। ছোৱালীজনীৰ চৰিত্ৰ বা কেনেকুৱা ? নে কাৰোবাক তাই ইতিমধ্যে হিয়া দি দিছে। পঢ়া-শুনা বাদেই দিছে কিজানি, নে পাচবাৰমান ফেল কৰি ঘৰতে বহি আছে। জীৱনত প্ৰথমবাৰৰ বাবে প্ৰেমত পৰা যেন লাগিল তাৰ। ইয়াৰ আগতেও যে সি হাইস্কুলত থাকোতে এজনী ছোৱালীৰ প্ৰেমত পৰিছিল কিন্তু আজিৰ দৰে সি অনুভৱ কৰা নাছিল। কি হ'ল তাৰ আজি।*

মদ খোৱাৰ ছলেৰে ছোৱালীজনীক চাই আহিব।

কলেজৰ পৰা আহি ভাত খাই শুলে সি। সন্ধিয়া গা-পা ধুই জেপত কেইটামান টকা লৈ সেই অদৃশ্যমান চৌহদটোলৈ খোজ দিলে। সি যিমানেই ঘৰটোৰ পদুলি মুখৰ কাষ চাপিল সিমানেই তাৰ বুকুৰ ধপ-ধপনি বাঢ়ি গ'ল। দৰজাখন খুলি খুলি সি ঘৰটোৰ চৌহদটোলৈ সোমাই গ'ল। ঘৰটোৰ বাৰাণ্ডাত জনজাতীয় এজন বুঢ়া মানুহ মূঢ়াত বহি বিড়ি হুপি থকা সি দেখিলে। সম্ভৱ বুঢ়াজন ছোৱালীজনীৰ বাপেক। ঘৰটোৰ এফালে কেইখনমান ব্ৰেঞ্চ পাৰি থোৱা আছে। তাতে বহি দুজনমানে আলোচনাত মগ্ন হৈ চুলাইৰ গিলাচত চুমা দি আছে। সিও গৈ কাষৰ বেঞ্চত বহিল। জনজাতীয় সাজ পিন্ধা মহিলা এজনীয়ে তাৰ ওচৰলৈ আহি ক'লে

- 'হাফ খাবি নে ফুল খাবি'।

- ফুল

মহিলাজনী ঘৰটোৰ ভিতৰলৈ সোমাই গ'ল। অলপ পিছত সোল্ল-সোতৰ বছৰীয়া ধুনীয়া ছোৱালী এজনীয়ে আহি তাক চুলাইৰ বটল এটা আৰু গিলাচ এটা দি ক'লে - "গাহৰি মাংসৰ চাটনি আছে, দিম নেকি?

- আন, লৈ আন।

সি গিলাচটোত চুলাই ঢালি সোহা মাৰি মাৰি ছোৱালীজনীৰ মুখখনৰ কথা ভাবি থাকিল। ছোৱালীজনীয়ে গাহৰিৰ ছাটনি দিয়াৰ সময়তো তাইৰ মুখলৈ একে থৰে চাই থাকিল সি। ছোৱালীজনীয়ে তাৰ মুখলৈ এবাৰ ছাই ফট কৈ ঘৰৰ ভিতৰলৈ সোমাই গ'ল। অলপ পিছত ছোৱালীজনীয়ে বা লেতেৰা বাচন-বৰ্তনবোৰ কুঁৱাৰ পাৰলৈ নি বাচন মাজি মাজি গাই থাকিল

- "তুম পাছ আয়ে, কিউ মুছকুৰায়ে" .........।

এটা বটল শেষ কৰি ৰিমজিম ভাব এটা লৈ সি ওলাই আহিল। ছোৱালীজনীৰ ঘৰটোৰ সন্মুখৰ ৰাস্তাৰ সিটো পাৰে থকা গছৰ তলতে বৈ সি প্ৰস্ৰাৱ কৰিলে। তেতিয়াও তাৰ কাণত ছোৱালীজনীৰ হিন্দী গানৰ এটা কলি পৰিছিল। ৰুমটোলৈ আহি ভাত নোখোৱাকৈ শুই পৰিছিল সি। ইমান ধুণীয়া ছোৱালী এজনীয়ে চৌহদটোত থাকিব পাৰে। সপোনতো ভবা নাছিলো সি, সেইবাবে বোধ হয় চৌহদটোলৈ বহু লোকৰ আগমন ঘটে। ছোৱালীজনীৰ চৰিত্ৰ বা কেনেকুৱা ? নে কাৰোবাক তাই ইতিমধ্যে হিয়া দি দিছে। পঢ়া-শুনা বাদেই দিছে কিজানি, নে পাচবাৰমান ফেল কৰি ঘৰতে বহি আছে। জীৱনত প্ৰথমবাৰৰ বাবে প্ৰেমত পৰা যেন লাগিল তাৰ। ইয়াৰ আগতেও যে সি হাইস্কুলত থাকোতে এজনী ছোৱালীৰ প্ৰেমত পৰিছিল কিন্তু আজিৰ দৰে সি অনুভৱ কৰা নাছিল। কি হ'ল তাৰ আজি। সি তাৰ অৱস্থাৰ কথা ভাবি নিজে নিজে হাঁহিলে। ধুৎ এজনী ছোৱালীক লৈ ইমান ভাবিব পায়নে। কলেজখন দেখোন বহু ধুনীয়া ছোৱালী আছে। তাৰেই দেখোন এজনী বাছি ল'ব পাৰে সি। তথাপিও মনে নামানিলে তাৰ।

আজিকালি প্ৰায়ে সি সেই অদৃশ্য চৌহদটোলৈ যোৱা হ'ল। চুলাই দুই বটলৰ ছলেৰে তাইক চাই আছে সি। কেতিয়াবা ৰাজীৱ দা, মনোজ আৰু দীপৰ লগত

সেই চৌহদটোলৈ গ'ল সি। কেতিয়াবা ৰুমত আড্ডা দিওতে ৰাজীৱদাহতে সেই চৌহদটোৰ কথা কয়। ভয় লাগি যায় তাৰ। তাৰ মনত থিতাপি লোৱা ছোৱালীজনী অন্য লোকে আলোচনা কৰাটো সহ্য নহয় তাৰ। তথাপিও অদৃশ্যমান চৌহদটোত চুলাইৰ সোৱাদ লোৱা এৰা নাছিল সি। সি লক্ষ্য কৰিছিল তাৰ দৰে অন্য কিছুমান ল'ৰাও সেই অদৃশ্যমান চৌহদটোলৈ ঢাপলি মেলিছিল।



সম্ভৱ সিহঁতৰো একেই লক্ষ্য আছিল।

সিদিনাখনৰ ঘটনাটোৰ পৰা সি সেই চৌহদটোলৈ নোযোৱা হ'ল। ছেঃ কি এনে কাম আৰু কৰি দিব লাগেনে সি। নিজৰ ওপৰত লাজ লাগিল তাৰ। সিদিনাখন কলেজ বন্ধ আছিল। ৰাজীৱ দা, মনোজ আৰু ৰুমৰ অন্যবোৰে পানবজাৰৰ পিনে ঘুৰিবলৈ গ'ল। সি দোকানৰ পৰা দহ টকাৰ আলুভাজি কিনি সেই অদৃশ্যমান চৌহদটোলৈ ঢাপলি মেলিলে। ছোৱালীজনীয়ে এবটল চুলাই দি দিলে তাক। সি গিলাচটোত ঢালি আলুৰ ভাজিৰ সৈতে মদৰ সোৱাদ লৈ থাকিল। ছোৱালীজনীয়ে লেতেৰা বাচন কুঁৱাৰ পাৰত ধুই আছিল। সি গিলাচটোত সোহা মাৰি তাইলৈ চাই থাকিল।

তাইও এবাৰ মূৰটো ঘূৰাওতে তাৰ চকুৰে চকুৰে পৰিল। তাই চকু আতঁৰাই নিলে যদিও পুনৰ তাৰ পিনে চালে। এবাৰ চকুৰে চকুৰে পৰাত ফটকৈ চকু মাৰি দিছিল সি। এইবাৰ তাই তাৰ ফালে চাই থাকিল। পুনৰ চকু মাৰি দিলে সি। তাইৰ মুখত খং ভাব ফুটি উঠিল। খৰধৰকৈ বাচনবোৰ সাজি পাকঘৰটোত সোমাই গ'ল তাই। লাজ লাগি গ'ল তাৰ। কি কাম কৰি দিলে সি।

*কেতিয়াবা ৰাজীৱ দা, মনোজ আৰু দীপৰ লগত সেই চৌহদটোলৈ গ'ল সি। কেতিয়াবা ৰুমত আড্ডা দিওতে ৰাজীৱদাহতে সেই চৌহদটোৰ কথা কয়। ভয় লাগি যায় তাৰ। তাৰ মনত থিতাপি লোৱা ছোৱালীজনী অন্য লোকে আলোচনা কৰাটো সহ্য নহয় তাৰ। তথাপিও অদৃশ্যমান চৌহদটোত চুলাইৰ সোৱাদ লোৱা এৰা নাছিল সি।*

অনুতপ্ত হৈ, লাজ আৰু অপমানত সিও বটলটো শেষ কৰি ৰুমলৈ উভতি আহিল। কি গৰজ পৰিছিল সি এই কামটো কৰিবলৈ। পিছত দুদিনমান সেই অদৃশ্যমান চৌহদটোলৈ গৈছিল সি কিন্তু ছোৱালীজনীয়ে তাৰ ওচৰত নহা হ'ল। মাকজনীয়েহে তাক মদৰ বটলবোৰ দিয়া হ'ল। তাৰ পিছত আৰু সেই ঠাইলৈ নগ'ল সি।

আজি দুদিনমান হ'ল তাৰ সেই চৌহদটোলৈ নোযোৱা। মনোজ আৰু দীপে কেতিয়াবা সেই ঠাইলৈ যাবলৈ তাক লগ ধৰিছিল। কিন্তু সি যোৱা নাছিল। সিহঁতে তাক ইনচাল্ট মাৰিছিল। সিহঁতক নানা অজুহাত দেখুৱাইছিল সি। সি জানে তাৰ দায়িত্ব আৰু লক্ষ্যৰ কথা। এশ কিলোমিটাৰ দূৰৈত থকা ঘৰখনৰ কথা চিন্তা কৰে সি। পৰীক্ষাও ওচৰ চাপিছে। গতিকে সি পঢ়াত ব্যস্ত হ'ল।

কলেজত কলেজ সপ্তাহ আৰম্ভ হৈছে। সি কেইটামান খেল খেলিছিল কিন্তু জিকিব নোৱাৰিলে। কুইজতহে সিহঁতৰ গ্ৰুপটো প্ৰথম হ'ল। বটা বিতৰণীৰ দিনাখন কাপ আৰু চাৰ্টিফিকেটখন লৈ আবেলি চিটি

বাছত ৰুমটোলৈ উভতি আহিল সি। তাৰ ৰুমটোৰ গেটখনৰ দৰজাখন খুলোতে সি লক্ষ্য কৰিলে যে সেই অদৃশ্যমান চৌহদটোৰ পিনে বহু মানুহ জুম বান্ধি থকা দেখিলে। বিস্ময়ত সেইপিনেদি খোজ দিলে সি। সি থানাৰ অ'চি ছাৰ আৰু কেইটামান পুলিচকো সি দেখিলে।

চৌহদটো পাও পাও সময়ত কোনোবা মহিলাৰ কান্দোন শুনিলে সি। কি হ'ল ? লৰি গ'ল সি। মানুহৰ জুম ফালি চৌহদটোৰ ভিতৰলৈ সোমাই গ'ল। সি দেখিলে ছোৱালীজনীৰ মাকজনী বুকুত থপৰীয়াই থপৰীয়াই কান্দি আছে। বাপেকেও চকুৰ পানী মছি থকা দেখিলে। ওচৰতে থকা লোক এজনক সুধিলে সি,

- কি হৈছে ?

- ইহঁতৰ ছোৱালীজনীয়ে বোলে শৰাইঘাটৰ পৰা ব্ৰহ্মপুত্ৰত জাপ দি আত্মহত্যা কৰিলে। মানুহজনৰ উত্তৰ।

চেঁচা পৰি গ'ল সি। মানুহজনৰ উত্তৰটোৱে যেন তাক বৰফৰ মাজত দলিয়াই দিলে। কোনো নিজৰ আপোন এজনক হেৰুওৱা যেন লাগিল তাৰ। আৰু এক চেকেণ্ড ৰ'ব নোৱাৰিলে সি তাত। লাহে লাহে কৈ সি চৌহদটোৰ পৰা ওলাই আহিল। কি দুঃখ আছিল তাইৰ। কিহৰ তাড়নাত আত্মহত্যা কৰিলে তাই। কাৰোবাক তাই ভাল পাইছিল কিজানি। পদুলি মুখ পাওঁতে দেখিলে ৰাস্তাৰ সিটো পাৰত ৰাজীৱ দা, মনোজ আৰু দীপে গল্প কৰি আছে। সিহঁতৰ ওচৰলৈ গ'ল সি।

- ৰাজীৱ দা ঘটনাটো কেতিয়া হ'ল ?

সি সুধিলে।

- দিনৰ এটা মান বজাত বোলে।

ৰাজীৱৰ উত্তৰ।

- কিন্তু ছোৱালীজনীয়ে বাৰু কিহৰ দুঃখত আত্মহত্যা কৰিলে?

এইবাৰ ৰাজীৱদাই কিছু নীৰৱ হ'ল। পিছত ইফাল সিফাল চাই তাৰ কাণৰ ওচৰত আহি ক'লে -

- ছোৱালীজনী বোলে তিনি মাহৰ গৰ্ভৱতী আছিল। আত্মহত্যা কৰাৰ সময়ত তাই চিঠি এখন এৰি থৈ গৈছে।

মুখত মাত নোহোৱা হ'ল তাৰ। সেই অদৃশ্যমান ঘৰটোলৈ চাই ৰ'ল সি ......... । ■

নদী সদায় সমুখলৈ পোনে পোনে বৈ থাকি হঠাৎ এটা মেৰপাক লৈ বেঁকা হৈ যায়; সাহিত্যও সদায় সেইদৰে পোনে পোনে নবয়; যেতিয়া যি মেৰপাক লৈ বেঁকা হৈ যায় তাকে ক'ব লগা হয় মডাৰ্ণ বুলি। এই মডাৰ্ণটো সময় লৈ নহয় - মৰ্জিলৈহে; ই বাস্তৱতে দেশগত আৰু কালগত নহয় - মৰ্জিগত হে ।

- ৰবীন্দ্ৰ নাথ ঠাকুৰ



# অসমীয়া বিভাগ

## কবিতা

## তোমাৰ বাবে

**শুক্রচাদ সূত্রধৰ**
স্নাতক প্রথম বর্ষ

অতদিনে মই নিজকে লৈয়ে ব্যস্ত আছিলোঁ
জীৱনৰ ঋণ পৰিশোধ কৰিবৰ আনন্দত
মই যে আজি অধীৰ
তোমাৰ সতে শেষ কথা পাতিবলৈ।

দূৰণিৰ নীলা গাওঁখনলৈ
ফুৰিবলৈ যাওঁতে তোমাক প্রথম লগ পাইছিলোঁ
ঘাইপথৰ গাতে লাগি থকা সেই ধাননি দৰাত।
নিমাও মাও এটা পুৰা উভতি আহিছে
স্মৃতিৰ গভীৰৰ পৰা ইমান নিমাও মাও,
এটা চৰাইৰ মাতো শুনা নাছিলো ক'তো
তেতিয়া আছিল আমাৰ প্ৰাতঃকালীন অভিযান।

ভাব হয় কেতিয়া, কোন মুহূর্তত
যুগমীয়াকৈ স্মৃতিত খোদিত কোন ক্ষণত,
বহুবাৰ লগ পাইছিলোঁ তোমাক।
খেৰিঘৰৰ পৰা জুঁহালৰ ধোৱা দেখিছিলোঁ
কোনোবা ঘৰৰ বাঢ়নীৰ চৰপ্ চৰপ্ শব্দ চোতালত
পদুলি সাৰি থকাৰ পৰা তুমি মূৰ তুলি চাইছিলা।
আঁচলৰ পৰা এছাটি সুৰভিত উমাল বতাহ মোৰ ফালে
বৈ আহিছিল। আজিও দুৰু দুৰু স্পন্দন।

বহুদিনৰ পিছত ক'ব খুজিছোঁ কেনেকৈ মোৰ
হৃদয় জুৰি তোমাৰ উপস্থিতিৰ পৰিপূৰ্ণতা নোৱাৰিলো ক'ব।
তোমাৰ দৃষ্টিৰে, তোমাৰ স্পর্শৰে
তোমাৰ উপস্থিতিৰে, তোমাৰ অনুপস্থিতিৰে
কেনেকৈ তোমাক উজাৰ কৰি সমৃদ্ধ কৰিলা মোক
অনুমান কৰিব পাৰিবানে ? নোৱাৰিবা।

দুৰ্যোগ, অবিশ্বাস, শংকাৰ কিমানদিন মোৰ
ওচৰে ওচৰে থাকিলা। তোমাকতো একোৰেই
দিব নোৱৰিলোঁ।
তথাপি তোমাক ভালপাওঁ কিমান
অনুমান কৰিব পাৰিবানে ?
কবিতাৰ ভাষাৰ শেষ নাই। প্রেম !
নাপাবা বিচাৰি তৰাৰ মাজত
প্রেম পখী উৰি যায় শূণ্য ৰহস্যত।
তুমিতো জানাই
প্রেম নিশ্চয় এনেকুৱাই
আৱৰণ খুলি হৃদয় জুৰায়।

এইবাৰ উভতিলোঁ মই
সিপুৰীত লগ পাম মিলি যাব আত্মা
জীৱনক কৰিব গৰীয়াল।
আত্মাৰ গভীৰত মিলনৰ শুনিছোঁ আহ্বান
তোমাৰ বাবে বাজি উঠিছে দূৰণিৰ দিগন্তত
অতীতৰ স্মৃতিৰ গান।

## বেদনা

গীতাঞ্জলী ৰায়
স্নাতক প্ৰথম বৰ্ষ (কলা)

নহওঁ মই গোলাপৰ কলি;
মইচোন শৰতৰ সৰি যোৱা শেৱালী
সুন্দৰ হওঁক যিমানেই
তথাপিয়ো প্ৰকৃতিৰ পেলনীয়া মই।
নহয় মই শৰতৰ কোমল জোনাক,
মই যে অশ্ৰু চন্দ্ৰমাৰ।
ধৰণীৰ বুকুত নিয়ঁৰ হৈ সৰো,
বাটৰুৱাৰ গচকেই যাৰ কঁপালৰ লেখন।
মই পুৱতি নিশাৰ ভোটা তৰা;
যাৰ এই বিশাল গগনত,
নাই সংগী, নাই প্ৰেৰণা।
মই কান্দোন বিধৱাৰ, বিচ্ছেদ প্ৰেমিকাৰ,
দৰিদ্ৰৰ ভোক মই।
মই বাঁহীৰ এক বিষাদ সুৰ,
শুনি যাৰ বাগৰে চকুলো।
মই আধা লিখা চিঠি,
আধৰুৱা কবিতা।
মোৰ জীৱন বতাহত নাই
সুবাসৰ কতো স্থান।
নহওঁ কাৰোবাৰ নিৰাশাৰ আশা
নহও মই আশ্বাস, নহওঁ শান্ত্বনা
মই বিৰহ সকলোৰে মনৰ
বিপৰীত মই কল্পনাৰ
ময়ে অনুভৱ বেদনাৰ
মোৰ নাই শেষ, নাই সীমা
হয়! মোৰ নামেই বেদনা!

## নিঃ শেষ

নিবেদিতা চৌধুৰী
স্নাতক প্ৰথম বৰ্ষ (কলা)

সপোনবোৰ
যদি বিধ্বস্ত হৈ যায়;
কথাবোৰ
নীৰব হৈ যাব।
আশাবোৰ
অপভ্ৰংশ হৈ ৰ'ব।।
পৃথিৱীৰ
সেউজীয়াবোৰ
হালধীয়া হৈ থাকিব।
জীৱনৰ
ঘটনাবোৰ
এক স্মৃতি হৈ ৰ'ব।।

## অৰাজকতা

মনোজ ৰাভা
উচ্চতৰ মাধ্যমিক, দ্বিতীয় বর্ষ

এয়া কিহৰ অৰাজকতা ?
জুইৰ সতে কৰিছে খেলা,
মৃত্যু মেঘৰ নৃত্য সভাত
পাতিছে জীৱন গোপন মেলা।
গোপন মেলা।।

কঢ়িয়াই আনিছে দেশত মাথো
ধ্বংস, হত্যা, হিংসা, লুণ্ঠন,
শান্তিৰ নামত দিছে মাথো অশান্তি।
মাথো অশান্তি।।

এয়া কিহৰ অৰাজকতা ?
চাবুকৰ কোবত, বন্দুকৰ গুলীত
ক্ষত-বিক্ষত কৰি পেলাইছে
আজি নিৰীহ জনতাক।
নিৰীহ জনতাক।।
শুনা নাই জানো তুমি এই
কোৰ্হাল জনতাৰ, তোমাৰ বুকুতেই
আজি মৃত্যু হ'ল হেজাৰ জনতাৰ।
হেজাৰ জনতাৰ।।

এয়া কিহৰ অৰাজকতা ?
ভণ্ড, শোষণকাৰীয়ে
ৰঙা তেজেৰে পাতিছে
আজি নৰমেধ যজ্ঞ।
নৰমেধ যজ্ঞ।।

দেখা নাই জানো তুমি
এই তেজ লগা বিশ্বান,
শত মাতৃৰ শত সন্তান
আজি পৰি ৰ'ল তেজ ৰঙা থাপনাত।
তেজ ৰঙা থাপনাত ।।
এয়া কিহৰ অৰাজকতা চলিছে দেশত,
কিহৰ অৰাজকতা।

## শাওনৰ এজাক বৰষুণ

সমৰ সৰকাৰ
স্নাতক দ্বিতীয় বৰ্ষ

শাওনৰ এজাক বৰষুণে ......
তিয়াই তুলিলে তোমাক
ক্ষন্তেকৰ বাবে হ'লেও, পাহৰি গ'লা তুমি
তোমাৰ অতীতৰ দুখ-যন্ত্ৰণা।
বৰষুণৰ সৰু সৰু টোপালবোৰে যেতিয়া
তোমাক স্পৰ্শ কৰে;
তুমি যেন পোৱা প্ৰকৃত শান্তি।
এই ক্ষন্তেকীয়া বৰষুণৰ ফলত
উজলি উঠে তোমাৰ উঠি অহা যৌৱন।
এই যৌৱনৰ কত যে অলিক-ৰঙীন কল্পনা
বাস্তৱত ৰূপায়িত কৰাৰ আমাৰ
প্ৰত্যেকৰে চেষ্টা।
কিন্তু সফলতাৰ বাটত ৰৈ আছে
ক'ত যে বাধা।
কিন্তু সফল হ'বলৈ হ'লে আমি যাব লাগিব
আৰু বহুদূৰ; লক্ষ্য যেন আমাৰ পৰা বহুদূৰৈত।
সুগম পথৰ তৃষ্ণা, নালাগে আমাক
যদিহে দূৰ্গম পথৰ তৃষ্ণা
ভৰি দিয়ে আমাৰ জীৱনৰ লক্ষ্যত
ক্ষন্তেকৰ বাবে হ'লেও আমাৰ আশাৰ চিৰশান্তি
আমি বিচাৰি পাম তাতেই।

শাওনৰ এজাক বৰষুনে
পাহৰাই দিয়ে আমাক
আমাৰ অতীতৰ বহু-যন্ত্ৰণা আৰু লগতে
ছটিয়াই দিয়ে আমাৰ চাৰিওফালে শান্তিৰ বতৰা
প্ৰকৃত শান্তি যেন পাম ক'ত
বিচাৰিব লাগিব আমি
শান্তিৰ প্ৰকৃত ঠিকনা।

## কোঁহৰা

ৰাজীৱ খাখলাৰী
স্নাতক প্ৰথম বৰ্ষ (কলা)

দুচকু তুমি নুমুদিবা
ভালকৈ চিনি পোৱা তুমি মোক
মই তোমাৰ দুহাতৰে আকৃতি

মাটিৰ পাত্ৰৰ নমুনা মই
কণপ্ৰিয় মোৰ দেহাত নাই
তথাপি তোমাৰেই সৃষ্টি

চকুমুৰিত ৰং তুমি নাসানিবা
ভুলৰ আৰম্ভণি মোক লৈ নকৰিবা
বিষন্ন গোপন হ'ব নোৱাৰো
লব্ধ মনো তোমাৰেই দান
আদৃত কৰা মোক
গ্ৰাহ্য কৰা মোৰ প্ৰসন্ন
অথবা দহন কাৰি পেলোৱা মোক।

## আকুলতা

**সঞ্জয় কলিতা**
স্নাতক দ্বিতীয় বৰ্ষ

ঢৌবোৰে হাঁহি হাঁহি
মোৰ কাষেদিয়েই পাৰ হৈছিল।
ক্লান্ত, উদাস, ভাৰাক্ৰান্ত মনটোৰে
অশ্ৰুসিক্ত নয়নযুৰিৰ এপলক দৃষ্টিৰে
চাইয়েই আছিলোঁ
কেৱল চাইয়েই আছিলোঁ
সূৰ্যটোৰ লগত যুঁজি যুঁজি
ক'লা মেঘবোৰে বিজয়ী হোৱা আৰু
তাৰেই আনন্দত নিগৰা
সৰু সৰু পানীৰ টোপালবোৰৰ
দৃষ্টিনন্দন দৃশ্যতো।
সৰু দুজনীয়া বাঁহৰ জপনাখনত উঠি
লাজুকী খোজেৰে, মিচিকীয়া হাঁহি মাৰি
তুমি আহিবা বুলি বাট চাই আছিলো মই
নীৰবে নিঃ শব্দে আৰু আকুলতাৰে।
এৰা-কেৱল বাট চাইয়েই আছিলোঁ।
মেঘালী চুলিকোচা শুন্যতে উৰুৱাই
প্ৰেমৰ বৰষা অনা
তোমাৰ সমধুৰ কণ্ঠেৰে মাতি
মোৰ হৃদয়ৰ উতলাংক কমাবলৈ
কিজানি অহাই ..... এৰা,
হয়তো তুমি আহিবও পাৰা!
সেয়েহে মই চাইয়েই আছিলোঁ
মাথো চাইয়েই আছিলোঁ।
ঢৌবোৰে তেতিয়াও হাঁহি হাঁহি
মোৰ কাষেদিয়েই পাৰ হৈ গৈছিল।

## কলেজিয়েট লিমাৰিক

**অৰূপজ্যোতি খাখলাৰী**
স্নাতক প্ৰথম বৰ্ষ (কলা)

শুনা হেৰা বিলাসিনী,
তুমি হলা আমাৰে কলেজৰ নয়নমণি।
মেট্ৰিকত হেট্ৰিক কৰি,
কলেজলৈ আহিছা পঢ়িম বুলি।
পিছে কলেজ পাই পাহৰি গলা
অতীত দিনৰ সোঁৱৰণী।
লিপষ্টিক্; ক্ৰিম; পাউদাৰ; মুখনিত সানি,
কলেজলৈ বুলি আহা ধুণ মাৰিবলৈ বুলি।
ক্লাছ কৰিবলৈ আহি,
বয়ফ্ৰেণ্ডৰ লগত আড্ডা মাৰা;
গছৰ তলে তলে ঘূৰি।
কলেজ কেণ্টিনলৈ আহি,
চুপি থকা কোনোবা মক্কেলক খীৱাম বুলি।
পঢ়া টেবুলত বহি পাৰ কৰা সময়,
পেৰেম পত্ৰ লিখি।
বাটে-পথে গা ঘেলাই বৰ ভাল পোৱা,
ল'ৰাবোৰে জোকালেও ভালেহে পোৱা।
শ্বাহৰুখ খান হ'ল তোমাৰ প্ৰিয় অভিনেতা,
তেওঁক পাবলৈ যে তুমি বলিয়া।
বিপাশা বসু তোমাৰ প্ৰিয় হিৰোইন,
তাইক অনুকৰণ কৰিবলৈ গৈ;
কৰিলা মেট্ৰিকত তিনিবাৰ ফেইল।
মিছ ইণ্ডিয়া তোমাৰ প্ৰিয় ছিৰিয়েল,
এই ছিৰিয়েলে শিকায় তোমাক,
ফেশ্বনৰ নতুন ডিজাইন।
ঈশ্বৰেহে জানে তোমাৰ কি হ'ব গতি !

## অৱশেষ

বিষ্ণু প্ৰসাদ উপাধ্যায়
স্নাতক প্ৰথম বৰ্ষ (কলা)

আজি তোমাৰ দুখ দেখি, মন মোৰ ভাগৰি পৰিল - !
তোমাৰ সেই সপোনত সজা ৰাজঘৰ সপোনতেই লুপ্ত হ'ল!
তুমি এতিয়া নিৰুপায়!
তুমি ধিক্কাৰ দিছো নিজৰ জীৱনক!
কিন্তু .....
কিন্তু তুমি হতাশ হোৱা নাই -
- তুমি ভাগৰি পৰা নাই
- এই কুখ্যাত মায়াৰ বান্ধোনত ?
ধন্য তুমি ....
আজি তুমি মোক বাট দেখুৱালা।
এই সংসাৰৰ চাতুৰি খেলা।
কিমান যুৱক বিপথে পৰিচালিত হ'ল।
কিমান যুৱক সেই পথত বিলুপ্ত হ'ল।
তুমি চিঙি দিলা সেই মায়াৰ বান্ধোন ?
তুমি ভাঙি দিলা সেই সংসাৰৰ দাপোন ?
তুমি এতিয়া সুখ শান্তিৰ সৌৰভ বিলাই,
আগবাঢ়িছা কলংকিত পাত লুটিয়াই।

বন্ধু ....
তুমি পাহৰিছা জানো .. ?
এদিন যে বহি আছিলা সেই শুকান গছজোপাৰ তলত;
যিয়ে তোমাক নিৰ্মল ছাঁ দিয়াকে
কৰিছিল কঠোৰ সূৰ্যৰ নিৰ্মম প্ৰহাৰ।
সেই শুকান গছজোপাৰ তলত বহি,
ভাবিছিলা নেকি তুমি বাল্মীকি হ'বা বুলি ?
নাই বন্ধু ..
এতিয়া নহ'ব।
সময় বহুতো গুছি গ'ল,
সকলো মানৱ জাতি এতিয়া শিলাময় কাৰুকাৰ্যলৈ
পৰিণত হ'ল।
যিয়ে নিজকে খোদিত কৰিছে,
যিয়ে নিজকে সময়ৰ জুইত পুৰিছে,
কেইদিনমান পিছত দেখিবা অৱশেষ মাত্ৰ ছাই ..... !
বন্ধু .....
কেৱল মাত্ৰ ছাই ........... !!!

## মোৰ খিৰিকীখনেৰে এটি ৰাতিপুৱা

পূৰবী বসুমতাৰী
স্নাতক তৃতীয় বৰ্ষ (বিজ্ঞান)

ৰাতিপুৱা .....
খিৰিকীখন মেলি
চাই পঠিয়ালো বাহিৰলৈ,
হয়, বাহিৰত কুঁৱলী পৰিছে।
ঠাণ্ডা বতাহজাক আহি
মোৰ গালে-মুখে কোবালেহি।
বতাহজাকৰ সেয়া চিৰপৰিচিত অভিমান
যেন সি ক'ব বিচাৰিছে,
গোটেই ৰাতিখন মোক খিৰিকীৰে
কিয় সোমাব নিদিয়া ?
মই হাঁহিলো।
বৰ সতেজ অনুভৱ হ'ল,
নিয়ৱযুক্ত বতাহজাকৰ কোব খাই।
সঁচাকৈ ইমান ধুনীয়াকৈ সোমাই আহিছে ভিতৰলৈ।
এটি এটিকৈ ধৰি বটলত
সংৰক্ষণ কৰিবৰ ইচ্ছা গ'ল।
অলপ সময় পিছত,
বগৰী গছজোপালৈ দৃষ্টি নিক্ষেপ কৰিলোঁ।
নাই, তেতিয়ালৈকে তাইৰ ৰূপটো কুঁৱলীয়ে ঢাকি ৰাখিছে।
তাইৰ গোটেই দেহাটোকে
কুঁৱলীয়ে তিয়াই পেলালে।
বেচেৰী, মই চোৱাৰ কাৰণে তাই লাজ পাইছে?
মই মুখ ঘুৰালোঁ।
আৰু সেয়া হোষ্টেলৰ বাঁহৰ বেৰত জুপুকা মাৰি দুটা পক্ষী বহি আছে।
অ' সেয়া দেখোন এযোৰ শালিকী।
মনটো ফৰকাল লাগিল।
দিনটো ভালেৰে পাৰ হ'ব।
খিৰিকীখনৰ পৰ্দাখন ভালকৈ টানি দিলোঁ।

## তেজৰ সুবাস

জয়ন্ত ৰাভা
স্নাতক চুড়ান্ত বৰ্ষ (বিজ্ঞান)

চৌদিশে চলিছে আজি;
মাথো মৃত্যুৰ খেলা।
তেজৰ সলনি তেজ লোৱা;
এয়াতো নাছিল সপোন
"কুৰি শতিকাৰ"।
মানৱতা আজি বন্দী
বন্য হিংস্ৰতাৰ নিষ্ঠুৰ কাৰাগাৰত।
বিশ্বাসে কৰিছে শিৰণত,
সন্দেহৰ মাথো অবাধ ৰাজত্ব।
বাতৰি কাকত মেলিলেই পাবা
মৃত্যুৰ খবৰ ....
কিমান চাবা অচিনাক্ত যুৱকৰ
উৱলি যোৱা শৰীৰ।
ক'ত যে মাতৃৰ বুকু শুদা হ'ল
ক'ত যেন নাৰীৰ (শিৰৰ) সেন্দুৰ মোচা গ'ল
ৰাখিছে জানো ইয়াৰ কোনোৱা খতিয়ান ?
হে জীৱ শ্ৰেষ্ঠ মানৱ!
ত'হঁতে বাৰু কিয় বুজা নাই ?
আমি যে সকলো ভাই ভাই।
কিয় বাৰু গৈছা পাহৰি ?
আমাৰ যে একেজনী আই
মৰমৰ আই।

## বৰ্তমান

শ্যামজিৎ ৰাভা
স্নাতক তৃতীয় বৰ্ষ (কলা)

অজানিতে তুমি অংকুৰিত হ'লা বুকুৰ মাজত,
চুমাৰে সম্ভাষণ যাচি
জকমককৈ ফুলিলি, স্বপ্নৰ ফুলবোৰ,
তোমাৰ বুকুত ৰুই দিলোঁ ৰ'দৰ গছ, সপোনৰ সাঁচ।
সাঁচাকৈ তুমি যেন এটা নিমিলা অংক মাথো ....
সাপৰ নেগুৰ যেন মুক্ত চুলিটাৰি
মাগুৰ বৰণীয়া দুখনি গাল
দূৰ-দিগন্তৰ শুভ্ৰ-নীল শিখৰৰ
দৰে তোমাৰ বলিত নাকটি,
তোমাৰ কথাবোৰ কবিতা হয়, গান হয়
তুমি কোৱা কথাবোৰ মিছা নহয়,
তথাপি জানো প্ৰেমৰ অবিহনে থাকিব পাৰি!
কেনেকৈ দেখুৱাম তোমাক
বুকুৰ মাজত উমি উমি জ্বলা প্ৰেমৰ চাকি
তুমি যিদিনা উলটি আহিবা
মোক আগতীয়াকৈ জনাবা।
সুখৰ-দুখৰ এগৰাকী তোৰ
আছেনে কোনোবা আৰু ?
তুমিতো নাজানা,
নতুন ঠিকনাৰ আঁৰত যে তুমি।
নিদিবানে তুমি দুঃখ সন্তাপ পাহৰা।
শান্তিময় চৰণত স্থান ?
মই সদায় ৰৈ থাকিম
মাজনিশা তোমাৰ অপেক্ষাত।

## আমি বিপ্লৱী

মিচ্ জ্যোতিৰেখা ৰাভা
উচ্চ মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা)

আমি বিপ্লৱী আমি সংগ্ৰামী
ভেদা-ভেদ পাহৰি
মিলনৰ গীত ৰচি
যাওঁ আগবাঢ়ি।
শোষন, উৎপীড়ন আৰু অন্যায়ৰ
আমি কৰো প্ৰতিবাদ
লক্ষ্য আমাৰ এটাই
সেয়া হ'ল সাম্যবাদ।
অশান্তিক দূৰ কৰি আনিম শান্তি
উজ্বলাম ঘৰে ঘৰে
জ্ঞানৰ বন্তি
আনিম বিশ্ব শান্তি।
আমাৰ আছে বাহুত বল
আৰু অটুত মনোবল
আমি শান্তি সন্ধানকাৰী
সংগ্ৰামী বিপ্লৱী দল।
নকৰো ভয় নিবিচাৰো পৰাজয়
লক্ষ্য আমাৰ স্থিৰ
আমি বিপ্লৱী বীৰ
কৰিম অগ্নিক নীৰ।
আমি সকলোৱে মিলি শত্ৰুক বধি
গঢ়িম আমি
সুজলা সুফলা শস্য শ্যামলা
এখনি নতুন পৃথিৱী
আমি বিপ্লৱী।।

## আকাশ

যশোৱন্ত ৰাভা (পাম)
স্নাতক প্ৰথম বৰ্ষ

তোৰ নেদেখো পাৰাপাৰ;
জানো, তুমি কিমান বিশাল!
তোৰ বুকুৰ উষ্ম আলিঙ্গন
উন্মত্ত মোৰ মন।

তেনেই তুচ্ছ,
তেনেই মই সামান্য।
জানো, তই কিমান গভীৰ!
তথাপি মই মুগ্ধ।
জিক্-মিক্ তৰা হৈ
উমলিব বিচাৰো
তোৰ নীলা আকাশত

স্নিগ্ধ জোনাকে
কাল মেঘৰ পৰশত
হেৰুৱায় অপৰূপ সৌন্দৰ্য।
বিলিন হ'ব খোজো তোৰ
বিশালতম হিয়াৰ অন্তপুৰত।

হে গভীৰতম নীলা
মোক আকোঁৱালী লোৱা।
মোক আকোঁৱালী লোৱা।।

## বিষাক্ত পৃথিৱী

নিৰঞ্জন কুমাৰ ৰাভা
স্নাতক তৃতীয় বৰ্ষ (কলা)

বিষাক্ত মানৱৰ এই বিষাক্ত পৃথিৱী
নাইযে ক'তো আজি শান্তিৰ পৰিৱেশ।
সকলোৰে দেহত মাথো বিষাক্ত তেজ
পৃথিৱীত এয়া আজি মানৱ নহয়, দানৱৰ ভেশ।।

মানৱ জাতিৰ আজি উদ্দেশ্য কি ?
সংস্কাৰ পাহৰি আজি ই কোন দিশত ?
পৰিচয়বিহীন মাথো আপোন স্বাৰ্থত বিভোৰ হৈ
নিজকে নিজে চিনি পোৱাৰ পৰা বহু আঁতৰত।।

চিৰ যৌৱনত উতলি থকা
সৌসিদিনাৰ পৃথিৱী আৰু নাই।
মানৱ জাতিৰ কথা ভাৱি স্তব্ধ হৈ ৰওঁ
মাথো আকাশৰ বুকুলৈ চাই।।

আজি মানৱৰ চিন্তাধাৰা, বচন হৈছে
দেৱ-দানৱৰ সেই সাগৰ মন্থনৰ বিষাক্ত বিষৰ দৰে।
পৰিণামত জানো ইয়াৰ কিবা লাভ হ'ব
নহয়, মাথোঁ হ'ব এখনি বঠা বিহীন নাওঁৰ দৰে।

## মাতৃ

মিচ্ জোনমনি শীল
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

ভূমিষ্ঠ হৈয়ে মই পালো
এটি নতুন জীৱন
বিশ্ব ব্ৰহ্মাণ্ডৰ ৰূপ লাৱন্যত
মোহিত হৈ
চিঞৰি উঠিলো কান্দোনৰে
হে আই; তুমি মহান
তোমাৰ বাবেই এই ধৰাৰ
অমৃত সুধা
সক্ষম হৈছো পান কৰিবলৈ
হে জন্মদাতা আই
সেয়ে তুমি মহান।



# ৰাভা বিভাগ

আৰু

# বড়ো বিভাগ

## ৰাভা বিভাগঃ

### ৰিবা আগুৱায়

মেঘ নাথ ৰাভা
উচ্চ মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা)

আগুৱায়, আগুৱায়, ৰিবা আগুৱায়
চিং কাকুং জাতিনি বাদাং।
আবানা টোৱা ধাঙে; ৰিবাৰে হামলায়,
তাকেৰে ৰানা ছে সোনানি হাছং।
বিষ্ণু ৰাভাবে কাকুণ্ডি সময়নি,
তুনুকে তানাংজো চাক্‌মা কামিনি;
ৰাখুই তানাংবা কাৰা ছিঙা্
দিমদাক জাতিনান কেছেঙে ৰেঙা।
দ'দান আৰো মাৰু ক্ষেত্ৰীনি
কাথা খেঙেতা বাহাবলীনি,
আৰো পিথাৰ চাপাণ্ডি টোবাৰাণিনী
চাম্পায় বান ৰাছং ৰাভা মিচিটাণ্ডি।
বেঙেতা চিমে আবান জামুঙে
টেকাণ্ডি ছিৰি ৰাছণ্ডি হাছং;
জামুংদাপে টাঁমাজো কাকুণ্ডি ৰাছং
চিম্ ব্লাউৰে নায়কায় সোনানি বাৰাং।
আগুৱায় ৰিবা কাকায় দগোনে ৰানা;
জমঠা বাঁলি চিমে ছাংকই টাঙা
আগুৱায়, আগুৱায়, ৰিবা আগুৱায়।।

### জাতিনি পাৰ

মিচ্ জ্যোতি ৰেখা ৰাভা
উচ্চ মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা)

হে চিঙি ৰাভা জাতিনি
ৰছোকায় পাৰ বিজান,
গাফং ছোনিং পাৰে তুনুক্‌ঙো
জাতিনি ৰাছং পিদান।
পান-বানি পাৰ ওংচাদং
ৰাছং ছাৰচা,
জাতিনি ত্ৰিংগিৰ ওংচাদংবা
জাতিনি ৰাছং তংচা।
চিঙি ক্ৰিংগিৰিয়ান চাঙো
ৰাম ত্যিনায় কায়,
ৰাছংশ্ৰি নায় নায় ৰামোফানে
ৰেঙো চিং আগয়।
জাগ্ৰায়না লাগিনো চিঙি হাছঙো
পিঠাৰ ছাননি,
ৰাংছং ভাতায়, পাৰ ফুদং
পাৰনা তংচা আৰো চিঙি।
ৰিবা পাৰে ৰছোককায় পাৰ বিজান
ৰাংশ্ৰি কানে চোনে,
বীৰ দদান, চম্পায়, মাৰুক্ষেত্ৰীনি
ৰামো ফানে।
দগোতে ৰিবা আয়া বায়খো প্ৰাৰেতা
বায় হাদামি নুনা।
বায়নি পাকজা ৰায় ৰিছি বায়না
সেওমান খাৰনা
জাতিনি পাৰ'।।

## অ' আঙি নাচিকায় ...

**ৰাজীৱ ৰাভা**
স্নাতক প্ৰথম বৰ্ষ (কলা)

**কানিনা মুঙা নাঙা আঙি মুনিনি কাথা**
**কানিনা বা আঙ আনা কিৰিয়া .....**
**ফাৰি গুৰুনাবা জাংচা কাগজ পঢ়াইনাবা জাংচা**
**নাঙাচে ভাবি ওঙা মানা।**
**লিখিনা দগজো চিঠি গচা নাঙা**
**কাথা বিজানবা বিচিজে মায়ে ৰেঙা,**
**লিখিনা কাথা মানচে আঙ**
**খাপাক মাজাৰি চখে তংকাই**
**কাথা বিজানান লিখি পচ্যাজা নাঙা।**
**জাখুংঙা নামদংবা জাখুংঙা জাংচা**
**ফাৰি জৌমাংঙিবা নাঙাচে নুকা ....**
**অ' আঙি নাচিকায় ৰিবা আঙি কাফায়না।**
**নেকেন আঙি নাঙা নেকেয়ান প্ৰাৱা,**
**নাং আনা জানবায় তোৱা ?**
**নাঙি চিঠিনি উত্তৰ চামে চামে**
**বছৰ পাতে পাতে বায়খো মেলা ৰিবিয়া।**
**আনা নেকে নাঙি চিঠিনি উত্তৰান ৰিবিচা ..... ?**

## আয়ানি ৰাছং

**মিচ্ নবনিতা ৰাভা (চেৰেঙ্গা)**
স্নাতক প্ৰথম বৰ্ষ

খাপা আঙি মনতে
আয়া অসমনি মুখাঙি নুকচি নুকে,
খাপেতা বাফাৰা হগো
আলায়-ঢালায় খাৰে।
চেন্দুৰ মায় ৰেংজো
কাপালতিনি পাৰা,
চাৱা মায় ৰেংজো
বোমায় তিনি পাৰা,
নোক খামে ৰেংজো
হিংচায়নি বাৰি,
চাতালা চাকে ৰেংজো
নাছিকায়নি ছি বৈ ।।।
ভায় ভায়নি মাজাৰিয়ান
তে ছিনি খেলা,
তংচা চিঙি মাজাৰি
মাপাক'কায় আকোল;
চাং ৰাবানো ...
আয়ানি মায় ৰেংকায় ৰাছং ?
ফই ৰিবা দগতে
মমনি জেদ ৰাখাতে ...
তেনি ডৰায়-গাবুৰ নাৰং
অসম হাছঙি
চাকায় তী পুৰণা শান্তিনি তীপুৰ
ৰাংকাৰাং তীপুৰণা জাতিনি ফী'ফুৰ।

# बर रावनि गुबुन महर ः
## दैखंखोलानि रावसा

**Miss Mamoni Khakhalary**
Lecturer of Bodo (Dept.)

दैखंखोलानि रावनि सोमोन्दै बुंनायनि सिगाङावनो रावनि सोमोन्दै इसे बुंग्रोनोसै। राव होननानै खुङोबोला सरासनस्रायै गोसोनि साननाय - हनायखो गुबुननि सिगाङाव फोरमायना होनायखोनो बुजियो। रावखो सरासनस्रायै मोन्नै रोखोमै मोननो हायो : 1. मान गोनां राव आरो 2. ओनसोलारि राव।

जायखौ जों लिरनाय फरायनायाव बिज़ों महरै बाहायो, बेनो मान - गोनां राव। सोनाबारि रावानो जादों मान गोनां राव। जायखो जों जायगा लायै जायगा रायलायनायाव बाहायो बोनो ओनसोलारि राव।

दैखंखोलानि रावा मोनसे ओनसोलारि राव। बेनो बरोनि रावसा। दैखखोलानि राव होनोब्ला जों बुरलुंबुथुर दैमानि खोलाहा थानाय ग'वालपारा जिलानि रावखोनो बुजियो। दैखंखोलारिया थनुलाय बिथिङावबो इसे जौगानाय थाखोनि। बरोनि गिबि बिजाब "बरोनि फिसा उ आयेन" आ ओंखारो 1915 मायथायाव। 'प्रसन्न कुमार बर' खाखलारिनि "बाथुनाम बैखागुनि गीदु" बिजाबा ओंखारो 1925 मायथायाव।

हारिमु बिथिङाव दैखंखोलारिया जोबोर गोजौ थाखोनि। गावसोरनि नेम-खान्थिजों फुजा - फोर्बो, रंजानाय-बाजानायखौबो फालियो। दैखंखोलारिया बोसोरनि जेद मासाव लाङामारा फुजा होयो। बे फुजा होनाय नेमा गुबुन ओनसोलनि जों रुजुनायाव जुदा। दैखंखोलायाव जायखो "लाङामारा फुजा" होनो बिखौ सोनाबारि बरोफोरा "गारजा फुजा" आरो बरपेटानि मानसिफोरा "लामा गाथेनाय" फुजा होनो।

दैखंखोलारिनि रायलायनाय रावा मानगोनां बरो रावजों खायसे खायसे बिथिङाव गोरोबा। बे ओनसोलाव माखासे सोदोब बाहायनाय जायो, जायखो मान - गोनां रावाव खोनानो मोना। बिनि माखासे बिदिन्थिखो गाहायाव होनाय जाबाय :

| मान गोनां राव | दैखंखोलारि राव |
|---|---|
| आलासि | बुन्दा |
| गायखेर | बुन्दि |
| अखाफोर | नख्राबुरि |
| लामा | नामा |
| नागिर | नामाय |

| मान गोनां राव | दैखंखोलारि राव |
|---|---|
| फै | फाय |
| बाहागी | दाइदि |
| गुसथि | खुगथि |
| बोराय | बाराय |
| बुरै | बुरि |
| गोबां | गाबां |
| गोजाम | गाजाम |
| फाथै | फाथि |
| बैसो | बैखो |
| मोसौ | मुखु |
| मैसो | मैखु |
| ओंखाम | आखाम/एंखाम |
| मोदाय | मादाय |
| मेथाय | गिदु |

दैखंखोलारिनि सोमोन्दो लिंनाय (Kinohip term) सोदोब माखायावबो मान गोनां रावनिजों गोरोबै नुनो मोनो। माखासे बिदिन्थि होनाय जाबाय :

| मान गोनां राव | दैखंखोलारि राव |
|---|---|
| आफा | आबा |
| आदा | दादा |
| आमाय | मामा |
| आनै | मामि |
| आयं | आजं |

नाथाय दैखंखोलानि रावखौ मान - गोनां रावनिफ्राय एरखनानै आलादा राव महरै सिनायथि होनो हाया। मानोना बेयो मान गोनां रावनि ओनसोलारि रावसो। सोरगिदिं मोनसे आलादा मिथिंगायारि थासारियाव थानाय थाखाय बै ओनसोलाव बरो रावा मोनसे जुदा महर लादों। दैखंखोलारिफोरा बै रावजोंनो गोसोनि साननाय - हनायखो फोरमायलायो। बरो रावखो मान-गोनां राव हिसाबै थिसननायाव खोला ओनसोलनि रावसा एबा दैखंखोलायारि रावनि महर-मुश्रीआ हाजासे भान्दारी होबोदों। बरो लिरगिरिफोरनि गेजेराव बे रावनि फाराखथिया जेबो खहा खालामनो हायाखिसै। दिनै बरो रावआ भारत संबिजितनि 8th schedule आव थिसनजानायाव मोनसे गनतान्त्रिक हां मोनबाय। ■

# सिरि सिरि

**धीराज हाज'वारी**
बि. ए. सेथि बोसोर

सोनाबथिं फुंबिलिनि जारो साना ओंखारना मिथिंगा खौ सोरां होबाय। फुंआव दसे सम बिजाब फरायबाय अजयआ। बिजाब फराय खांनाय लोगो लोगो साना जौगाबाय। फुंनि 8.30 बाजि सम जानाय लोगो लोगो बियो कलेजाव थांनो ओंखारबाय।

अजयआ कलेजनि लामाथिं क्लासाव फैगासिनो दङमोन। गंसे मारुति कारआ फैनानै अजयआ निखाथि आव फोनांहा जाफैबाय। बेखौ नुनानै अजयआ रागाजों गिदिंनानायो। बियो गिदिंना नायनाय लोगो लोगो कारनिफ्राय गुस्थि जारौ, मुज्लाय जान्जिनि सासे समायना गाननाय सिरला ओखांरना बिखौ उल्थासो रागा जोंना रायनो हमो : हैं सेंग्रा नोंथाङ मा लामा थाबायनो रोङा नामा, ना मेगना नुवा ?

अजय : आंहा मेगन नुयो नाथाय आं सानो नोथाङसो मेगन नुवा नामा ओंखायनो ससमा गानना कार सालायदों। गावनि मावनायखौ सानना नायनानैसो गुबुन नि सायाव रागा दैखांनो नांगौ।

हिनजावसाया गावनो लाजि मोननानै कारआव गाखोंनानै सालाय लांफिनबाय। सिख्लाया जाबाय सासे जोबोर गिदिर माहाजोननि फिसाजो। बिसोरहा जेनिबो आंखाल गैया। सासेल' फिसाजो महाजोननि बियो। बिनि मुङ जाबाय सिमा। कलेजनि लागोनायाव सहैनाय लोगो लोगो अजयनि लोगोफोरा सिमाखौ जंखायनो हमबाय। सफैबाय सफैबाय जोंनि कलेजनि हिरवैन सोरनिबा खुगायाव आरो सोरनिबा खुगायाव Hai darling बायदि बायदि राव। सिमाया बिसोरनि फारसे मोसेर नायनानै कलेज फारसे गाखोलांबाय। कलेजनि खामसालिआव सहैनाय लोगो लोगो बिनि लोगो रिमाया बिखौ राव होबाय।

रिमा : Hai Sima दिनै एसेबां गोबाउ जाबाय मानो ?

सिमा : माथ, जानो कलेजनि लांगोना सफैनायावनो सारो सोरबा गोदान फैनाय सेंग्रा नामाथाय, कारनि सिंगाव बारज्ल,ना जिउ गारनो नागिरदों मोन नामा (इरो रागा जोंनाय रावै)। बबेनि आजोला जाखोथाय।

रिमा : नंगौ नामा ? सोर जाखो दालाय बे गोदान सेंग्राया ? बिसोर सानैआ रायलायना थानाय समावनो बिसोरनि सिगांथि माखासे सेंग्राफोरा बेराय लाङो।

अजय: Hello Rima, How are you ? नोंहा मा दा क्लास गैया नामा ? (एसे मिनिस्लु गाराङै) नाथाय मोनसे खोथा रिमा, नोंनि बिलोगो आलाया बबेनि जाखो ? बे कलेजाव फरायनो फै दोंब्ला गावनि आखाल-आखुखौ एसे सोलाय-सल खालामना लानो खिन्था। जों थांनोसै रिमा, जोंहा दा क्लास दं। गावनि मोजांजाब्लासो गुबुननिबो मोजां मावनो हायो।

रिमा : नों अजय आदाखौ मा मा खुथा बुंखो, नों बिथांखौ गाज्रि खोथा बुङखै थ' ?

सिमा : नाथाय लोगो, बिथाङा बे बायदि सुबुं नङा। बिथाङा रावखौबो गाज्रि मेगनाजों नाया। बिथाङा बे बायदि मावब्लबो मावा। जानो हागौ दाया नोंनिनो।

सिमा : जायखियानो जाया मानो बिथाङनि सिम नोंहा मानो एसेबां फोथायनाय आरो मानिनाय दङ ? बियो सोर ? बेसेबां थाखोआव फरायो बे हिरआ ?

रिमा : बिथाङा जाबाय सारो निखाउरि मानसि। बिथांङहा नखराव बारा मोजां नङा। बिथाङनि मुङा जाबाय- अजय। बियाङा गाव कलेजावबो थाङो आरो गावनि फरायनायनि खरसाखौबो गावनो मोनाबिलि आरो फुंबिलिआव गथ'फोरखौ फराय होना, थिउसन खालाम ना दिहुनो। दानि जुगआव निखाउरि सुंबुनि नखराव जोनोम लानाया जोबोर जेंना, मानोना निखाउरि सुबुंहा जेरावबो आखाय गैया। बिथाङा निखाउरिब्लाबो बिनि गोसोआ माब्लाबो उन्द्रै नङा। बियो थाखोनि जोबोर मोजां फरायसा। बियो बि. ए. सेथि बोसोराव फरायो। अरायसम फरायनायाव बांसिन गोसो होयो मोन। उन्दैनिफ्राय बियो मेथाय रोजाबनोबो जोबोर नाजायोमोन। जायखि जाया सुबुंनि गोसोआव जुदि मोजां नाजायनाय थायो, बियो सानसेब्लाबो देरहानो हायो।

सिमा : नंगौ नामा। जेखि जादवा दानिया थु जों क्लासाव थांनोसै। बिसोर सानैबो क्लास खालामखांना नखराव थांबाय।

5 फेब्रवारी, कलेजाव गोदान फरायसा फोरखौ बरायनाय सान फालिदों। बे समाव गोदान गोदान फैनाय फरायसाफोरखौ बरायखांनाय उनाव कलेजाव थानाय गोजाम गोजाम गोबां फरायसाफोरा मेथाय रोजाब गासिनो दङमोन। कलेजनि गोबां फरायसाफोरा रंजा बाजा मेथाय रोजाबगासिनो दङमोन। रिमा आरो सिमा मोनहाबो बेयाव मेथाय खोना संगासिनो दङमोन। फोयै फोयै बुंथिगिरिआ स्थेसआव फैना बुंफैबाय, दानिया जोंनि कलेज आव थाखानाय बयनिख्रै साबसिन-हामसिन मेथाय रोजाबगिरि बिथां अजयआ गावनि गुदै गारां नि गुदै मेथाय रोजाबगोन। बेखौ खोनानाय लोगो लोगो सिमाआ रिमाखौ आखायाव हमना बाहिराव ओंखारना थांनो नागिरो। रिमाया गोसो गैयाब्लाबो सिमानि खावलाय नायाव जिरायनायनिफ्राय सिखारो। मानोना सिमा आ अजयखौ बारा नायनो हाया मोन। नाथाय बिसोर सानैआ सिखारनाय लोगो लोगो आजयआ गावनि गुदै गारांजों एरै बायदि मिलौदो मेथाय रोजाबबाय बेखौ खोनानानै सिमाया बाहिराव थांनो ओखांरनाया गिदिंना फैफिननानै जिरायना आजयनि मेथाय रोजाबनायाव गोमो हाबो। दसे उनाव अजयआ गावनि लोगो आरो फरायसा-फरायसुलिफोरनिफ्राय बिदाय लानानै ओंखार लाङो।

सिमाया नखराव फैनानै ओंखाम, दै जानो हाया खालि अजयनि गुदै गारांनि रोजाबनायखैल' गोगो खांबाय थायो। जानो हागौ अजयखौ नुब्ला रागा जोंनायखौ गारनानै सिमानि गोसोआव अजयनि फारसे मोजां मोननायासो जागाय जेनबाय। बै साननिफ्रायनो सिमायाबो अजयनि मुङै मेथाय लिरनो हमबाय। सिमायाबो उन्दैनिफ्रायनो जोबोर मोजां मेथाय सुजुयोमोन। बियो अजयखौ मोजां मोनलांदोमोन नाथाय बियो माब्लाबो बुंनो हायाखैमोन। बिसोर सानैबो सिनायलायबायमोन आरो राव होलायबाय। बिसोर सानफ्रोमबो लोगो मोनलायोमोन। सिमाया गावनो मिनानि मुं होननानै लाइजामाव अजयनि मुङै मेथाय

सुजुना हरबाय थायोमोन। नाथाय अजया बे लाइजामखौ सोर हरदों बेखौ थि मोनथियामोन अब्लाबो बे लाइजामाव लिरना हरनाय मेथायफोरखौ रोजाबनो होनना आखायाव लाबाय। जुदि बियो मोनथिगौमोन होमब्ला अजया मेथायफोरखौ रोजाबनाय नङामोन। बे लाइजाम हरनायाव सिमायानो दि मिनानि मुं होनानै लाइजामखौ लिरना हरदों बेखौ सासेल' सुबुंआ मोजाङै मोनथिगौमोन। बियो जाबाय कमल। अजया, सिमानि मेथायफोरखौ रोजाब रोजाबनो सासे गिदिर मोथाय रोजाबगिरि जादोंमोन। नाथाय अजया सिमाखौ बारा मोजां मोनामोन। बिथाङा गुबुन सासे सिख्ला मोजां मोननाय दङ। सानसेखालि अजया Inter College Competitions आव सिमाया लिरना हरनाय मेथायखौ रोजाबना सेथि बान्थाखौ मोनो। अखा नायै सिमा आरो रिमाया कलेजआव अजयखौ साबायखर होनो फैदोंमोन। रिमाया, अजयखौ लोगो हमना साबायखर होबाय आरो बिनिउनाव बियो सिमाखौ लिंहरदोंमोन। सिमाखौ फैहां जानाय नुनानै अजयनि लोगोफोरा बिखौ लाजि फुंनाबाय।

लोगोफोर : वा, वा, वा दिनै सिमा राणिआ जोंनि बसखौ साबायखर बाउनो फैदों। वा, वा, वा मा एसे गोमोथाव बाथ्रा।

बेखौ नुनानै बिनि लोगो रिमाया लोगो फोरखौ रागाजों।

बुंबाय : नोसोरहा खालि थाथता खालाम नायल'। बेसारा बियो एसेबां रंजा बाजायै अजय खौ साबायखर बाउनो फैदों। सिमाया, अजयनि खाथिआव सफैनाय लोगो लोगो बिखौ अजया फुंनैसो बुंबावबाय :

अजय : हाबाब नोंहा माब्लानिफ्राय मेथाय आरो देंखोनि सोमोन्दै एसेबां मोजां मोननाय गोसोआव हाबफैखो। एसेबां। मोजां खोथा नोंनि गोसोआव देंखोनि फारसे मोजां मोननाय सोमजिदों।

सिमाया लाजि मोननानै गावनि आखायाव लाबोफानाय गोजा गोलाब बिबार थ'फासेखौ आखायनिफ्राय हगारना हायाव गारज्राबना खरलां फिनना कारआव गाखोना सालायना थांफिनबाय।

रिमा : अजय आदा नोथाङा बेखौ मोजां हाबा मावाखैसै, मानोना बियो नोंनि रोजाबनाय खौ एसेबां मोजां मोननानै बिबार लाना साबायखर बाउनो फैदों मोन। नाथाय नोथाङा बिखौ लाजि फुंनानानै सो हरबाय, जोबोर दुखु नांथाव। बेखौ खोनानानै अजय आरो बिनि लोगो फोरा एसे मोखां सोमखे जायो।

बे बायदि सानसे बेलासे अजया सासे गिदिर मोथाय रोजाबगिरि जाबाय। सिमानि हरनाय मोथायफोरखौ रोजाबनानै। सिमाया अजयखौ मोजां मोनब्लाबो गाव माब्लाबो अजयनि सिगांआव बुंना लानो हायाखैमोन। जानो हागौ आगोलावनो खिनथानालाब्ला सिमाखौ अजया मोजां मोनगोनमोन, नाथाय बिहा दा गुबुन सासे जों मोजां मोनलायनाय दङ। सिमाया बे बायदिनो गोबां सम गावनो सिरि सिरि गोसोआवल' अजयखौ मोजां मोनबाय थाबाय। जानाय लोनायाव खालि अजयखौल' नुयो सिमाया। अजया मोनथियादि सिमायानो जे बिनि मेथाय सुजुगिरि रनसायगिरि। अजया, मिना मुङै सो मोनथिगौ। बिनो जाय सुबुंआ मेथायफोरखौ लिरना हरो बिनि मुङा जाबाय मिना। बियो मिनानि मुंखौ नो गसाइफोरनिख्रुरै देरसिन सानो। मानोना जाय सासे लामा गेजेरनि बयजोंबो जोगथाव जाग्रा थरसे अन्थायमोन नाथाय दानिया अख्रांआव जोंनाय थरसे अलंबार बायदि। बेफोर जाबाय गासैबो मिनानि थाखाय। नाथाय बिनि गुबै मुङा नो सिमा मोन।

गोवाउ सम बारलांनाय उनाव मोनसे समाव अजया गाव मोजां मोननाय सिख्लाखौ जुलि लाबाय अब्लासिम सिमाया गाव माब्लाबो अजयखौ बुंनो हायाखैमोन जे, आं नोंखौ मोजां मोनो होन्नाय जुलि जानाय उनाव सिमाया गावनि मोजां मोन्नायखौ गोसो सिंआवनो लाबाय थायो आरो बिनि अजयखौ मोजां मोन्नाया मिजिंआवनो थाबाय। जायखियानो जायामानो गोसोआव दुखुखौल लाबाय थायो, रावनिबो सिगांआव फोरमाया होमब्ला बिहा गोसोआव दुखु मोनना जब्रा जायो। बे बायदि नो सिमाया गावनि मोजां मोननायखौ गोसो सिंआवनो लाबाय थाना सानसे खालि मोनसे गिदिर जब्रा जादोंमोन।

सानसे फुंआव सिखारना सिमाया गायखेर लोंनो आखायाव लाबाय। गायखेरखौ लोंनाय लोगो लोगो गोजा थैखौनो गोबायो। लोगो लोगो नखर नि मानसिफोरा बिखौ देहा फाहामसालिआव लांदोंमोन। उनाव मिथिनोमोनो बिहा Blood Cancer जादों। सिमाहा देहायाव यै गैया जादों बिनि थाखाय थै नांगौ जादों, नाथाय बे देहाफाहाम सालिआव बिनि थैनि group जों गुरुबनाय थै मैया, बेराफारसे बिनि फंबाय मोननि थैफोराबो group आ गुरुबा। राहा गोयै जानाय लाय उनाव कमलआ अजयनि खाथिआव थांनानै आरज गाबहैयो आरो बिखौ बुङो - नोंथाङ एसेबां सान मिनानि मुङ हावरिया जागासिनो दङ; दिनै बे मिनाखौ आं नोथांजों लोगो हमलाय होगोन नाथाय मोनसे खावलायनाय नोथाङ आजों लोगोआव थांफानो नांगोन अजया रंजानाय जो बागदाव खादों मानोना बियो जायखौ गावनि मोदाय होनना फालियो बेखौनो बियो दिनै गावनि मोखांजों मोखां लोगो मोनगोन, हाबाब ! मा एसेबां गोमोथाव बाथ्रा। अजया कमलनि लोगोआव थांफांयो। दसे उनाव बिसोर सानैआ सिमाया थानाय खथासिंआव थाङो आरो कमला बुङो-नोंथां नि मोदाय मिनाया जाबाय-नै बें बेरामि उन्दुना थानाय सिमायानो। कमला गाबै-गाबै बुङो। बियो गावनि जिउखौ नोंनि मुङबाउनानैव्लाबो नोंथां खौ दिनै बे लामायाव लाबोबाय। अजया सिमाखौ नुनाय लोगो लोगो बागदावखांनानै गोमो हाबो मानोना जाय सुबुंखौ अजया मोजां मोना, बिनो आंनि थाखाय बे बायदि गोजोनखौ नागिरना गाव बेरामाव गोग्लैबाय। नाथाय आं दा मा खालामनो, आं बिखौ गावनि बिखानि थै होनानैब्लाबो फोथांनो हागोन। नाथाय आं दा जुलि लानो हाया, मानोना आंहा जुलि जाखाबाय। जानो हागौ, सिमाया आंखौ जोबोर मोजां गोनो नाथाय आं मा खालामनो, आंहा जेबो राहा गौया जाबाय। गोबाउ साननि उनाव सिमाया गाहाम जाफैबाय। अजयनि बिसि राणुआ बेखौ खुनानानै जेबो दुखु खालामाखैमोन मानोना बियो - सानो आंखौथ बिथाङ गाव गोसो जाना जुलि खालामदों नाथाय सासे सिख्लाया गावनि सुजुनाय मेथायजों बिथांखौ दिनै बे आगानाव सफैहोदों आरो गावनि जिउखौ खौफोदआव खोख्लैदों नाथाय आं बिथां नो मा होदों, अन्नाय आरो मोजां मोन्नाय नि अनगायै। रुणुआ सानसे खालि अजयखौ लाना सिमानि नखराव थाङो। आरांगा सायाव थानाय देगारखौ लाना राणुआ गावनि आखायाव एसे हानानै गोजा थै दिहुनो आरो अजयखौ बुङो - नोंथाङ दिनैनिफ्राय सिमाखौ गावनि जिउनि लोगोरि खालामनो नांगोन आरो सिमा नि खाफाल गेजेरनि खानाय सिंखाव नायाव गोजा थैखौ गानहोनो खावलायो। अजया गावनि बिसि राणुनि आखायनिफ्राय गोजा थैखौ आसि जों सिमानि खाफालाव फोनलादोंमोन । बे साननिफ्रायनो बियो सिमाखौ बो जिउनि लोगोरि खालामना लायो। ■

# थांखि बिमानि

**बद्रेशर बसुमतारी**
**TDC 2nd year (Arts)**

दिनै रबिबारनि फुं, शकेसआ गावनि लोगोफोरजों गामियाव इसे बेराइथिंनो थांदों। बियो college आव फरायो। थांबाय थानाय समाव बियो सन्दनखौ नोजोराव नांहरदों मोन। सन्दना ननि बरान्दायाव जनानै माबा मावि सानगासिनो दडोमोन। राकेसआ मिथिगौ बिनि बिफानि साराद आ थांनाय बारावमोन। राकेसआ 'सन्दन' होननानै रायदाव हैब्ला सन्दना बागदाव खांदोंमोन आरो राकेसखौ दिरायनो थाखाय खावलायदोंमोन। राकेसआ सिरि थानो लुबैया बियो बुंहुंमोन –

राकेस : आदा नोडो माखौ एसे सानगासिनो दडो ?

सन्दन : आं गोरोन्थि मावबाय फंबाय, आं गोरोन्थि माव बाय। जायखौ आं मावनांगौमोन बिखौ मावाखै आरो जायखौ आं मावनाडामोन बिखौसो मावदों।

: मा गोरोन्थि आदा ?

: नाडो मोनथिगौ आं बे नखरनि सासेल' फिसा, आंखौ आय–आफाया जोबोर अनो। आफाया हाजिरा मावनो थाडो मोन आरो आंनि नांनायमानि रांखौ बिनायमानि हरोमोन, नाथाय दिनै अबथिरा जिउ गोमा लांबाय। जोंहा न'आव जानो गैया, आं जे ब्लानो रां बियोमोन आया अब्लानो आंनाव २। हरोमोन, आया जौ खावो मोन। आफा आया माब्लाबा माब्लाबा ओंखम जाया लासै थायो मोन। आंखौ गोथौ, गौथार मिजिंक लाननै देरजानो लुबैदोंमोन आरो ओंखाम गौया फुंसे बाथ्रा बुडा मोन। आं आयनाव जेब्लानो रां बियोमोन बियो हरोमोन, नंखाय बाखाय बिजाब बायनांगौ एबा फराइसालिनि थाखाय फिस होनांगौ होननानै आं रां थगायना लाडोमोन। आं बिजाब बायालासेनो गुबुनजों (थादयो)

: मानो थाद'खौ आदा बुंलां फारि फारि – गुबुन जों मा आदा ?

